# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

**SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

**NO. 27**

**The 3rd May 1988**

**Price : Rs. 45.00**

# CONTENTS

## BUDGET SESSION

## No.27

## Dated, the 3rd May, 1988


| Sl.No. | | Pages |
|---|---|---|
| 1. | Questions and Answers | 1 - 47 |
| 2. | Voting on Demands for Grants | 48 - 98 |
| 3. | Statement by the Chief Minister | 99 - 100 |
| 4. | Adjournment | 101 |
| 5. | Annexure I - IX | 102-148 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Tuesday, the 3rd May, 1988**

**The House met at 9 A.M. of the clock in the Assembly Chamber at Dispur with Shri Pulakesh Baruah, Speaker in the Chair.**

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

**Mr. Speaker : Starred Question No. 482, Hon'ble Member, Shri Dilip Kr. Saikia, Hon'ble Member Education is to reply.**

বিষয় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অধীনত পৰীক্ষা।

শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধীছে ঃ

* ৪৮২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ সকলো মহাবিদ্যালয়ত ১৯৮৭-৮৮ চনৰ বাবে প্ৰাক স্নাতক আৰু স্নাতকমহলা দুবছৰীয়া পাঠ্যক্ৰম চূড়ান্ত পৰীক্ষা পাতিবলৈ লোৱাটো সঁচানে?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

সঁচা নহয়।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে সঁচা নহয়। কিন্তু মই বিশেষ সূত্ৰে জানিব পাৰিছো যে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰাক্ স্নাতক আৰু স্নাতক মহলাৰ পৰীক্ষা পাতিবলৈ লৈছে। গতিকে ডিব্রুগড় আৰু গুৱাহাটী দুয়োখন একেখন অসমৰে ভিতৰৰ বিশ্ববিদ্যালয়। গুৱাহাটীয়ে পাতিলে ডিব্রুগড়ে যদি নাপাতে তেনেহ'লে সেই বিশ্ববিদ্যালয়ৰ অধীনত বহুত আগতে অকৃতকাৰ্য্য হোৱা ল'ৰা ছোৱালী বাদ পৰি যাব। গতিকে ডিব্রুগড়ত কিয় পতা নহয় মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ সকলো মহাবিদ্যালয়ত ১৯৮৭-৮৮ চনৰ বাবে প্ৰাক্ স্নাতক আৰু স্নাতক

---

* Speech not corrected

মহলাৰ দুবছৰীয়া পাঠ্যক্রমৰ চূড়ান্ত পৰীক্ষা পাতিবলৈ লোৱাটো সঁচানে? ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্রকৰ পৰা পোৱা তথ্য মতে জানিব পৰা গৈছে যে, ডিব্রুগড় বিশ্ববিদ্যালয়ে ১৯৮৭ চনৰ প্রাক্ ডিগ্রী পৰীক্ষা আৰু দুবছৰীয়া স্নাতক পৰীক্ষাত উত্তীর্ণ হ'ব নোৱাৰা ছাত্র-ছাত্রী সকলৰ বাবে ১৯৮৮ চনৰ এটা বিশেষ পৰীক্ষা লোৱাৰ সিদ্ধান্ত লৈছে। স্নাতক পৰীক্ষাত সন্মান পৰীক্ষাৰ ব্যৱস্থা নাথাকিব। এই পৰীক্ষাসমূহ প্রতিখন জিলাৰ সদৰ ঠাই আৰু মহকুমাৰ সদৰ ঠাই কেইটামান নির্ব্বাচিত মহাবিদ্যালয়তহে অনুষ্ঠিত হ'ব। মহাবিদ্যালয় সমূহৰ তালিকা এতিয়াও তৈয়াৰ হোৱা নাই আৰু কোন তাৰিখৰ পৰা পতা হ'ব এতিয়াও বিশ্ববিদ্যালয়ে সিদ্ধান্ত লোৱা নাই। এই তথ্যখিনি বিশ্ববিদ্যালয়ৰ পৰা আমি পাইছো।

* **শ্রী দিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, সদৌ ডিব্রুগড় আৰু সদৌ লক্ষীমপুৰ ছাত্র সন্থাৰ সৈতে কর্তৃপক্ষৰ যি আলোচনা হৈছিল সেই বিষয়ে মহোদয় অৱগত নে?

* **শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী)** ঃ আমি অৱগত নহয়।

* **শ্রী দিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে এই বিষয়টো খবৰ কাকতত প্রকাশিত হৈছে। ডিব্রুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয় একেখন অসমৰে বিশ্ববিদ্যালয়। এখন বিশ্ববিদ্যালয়ত যদি হয় আৰু আনখন যদি বঞ্চিত হয় সেইটো অন্যায় কৰা হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ে বিশেষ পৰীক্ষা পাতিব বুলি সিদ্ধান্ত লোৱা বুলি গম পাইছো। গতিকে ডিব্রুগড়তো পাতিলে ভাল হয় বুলি আমি বিবেচনা কৰো।

* **শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী)** ঃ এই বিষয়টো আমি বিশ্ববিদ্যালয় কর্ত্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিম।

* **Sri Altaf Hussain Mazumdar :** Mr. Speaker Sir, will the Minister state whether in the last year's appointments in so far as Primary Schools, and High Schools reserved quota was provided for the ex-tea garden boys?

* **শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, প্রাক্তন চাহ বাগিছা বা চাহ বাগিছা বুলি কোনো সংৰক্ষিত পদ নাই। কিন্তু চাহ বাগিছা আৰু প্রাক্তন চাহ বাগিছাৰ যিবিলাক এম-ও-বি-চিত অন্তর্ভুক্ত তেওঁলোকৰ কাৰণে ১৫ শতাংশ পদ সংৰক্ষিত কৰিবলৈ নির্দ্দেশ দিয়া হৈছে।

---

* Speech not corrected

* **Sri Altaf Hussain Mazumdar :** Mr. Speaker Sir, is the Minister in a position to contradict me by figures that these tea gardens are not deprived?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি কোনো অভিযোগ পোৱা নাই। আমি পূৰ্বৰ তালিকাতে নিয়োগৰ ক্ষেত্ৰত কৈছিলো যে অনুসূচীত জাতিৰ কাৰণে শতকৰা ১০ ভাগ, অনুসূচীত জনজাতিৰ কাৰণে শতকৰা ৭ ভাগ, পাৰ্ব্বত্য জনজাতিৰ কাৰণে শতকৰা ৫ ভাগ আৰু অন্যান্যৰ কাৰণে শতকৰা ১৫ ভাগ সংৰক্ষিত পদ আছে। প্ৰাক্তন চাহ বাগিছা বা চাহ বাগিছাৰ যি সকল এম-ও-বি-চিত অন্তৰ্ভুক্ত তেওঁলোকৰ কাৰণে সংৰক্ষিত আসনৰ ব্যৱস্থা কৰিবলৈ মহকুমা উপদেষ্টা পৰিষদ বা জিলা বিষয়াক নিৰ্দ্দেশ দিয়া হৈছে।

**Mr Speaker :** Now Starred Question No. 483 Hon'ble Member Shri Mithius Tudu.

## Re : Appointment of tea & ex-tea garden candidates.

**Shri Mithius Tudu** asked :

*483. Will the Minister, Education be pleased to state :

(a) Is there quota for appointment of candidates belong to the tea garden and ex-tea garden tribes in the post in Primary, Middle and High Schools?

(b) If so, the percentage in

i) Primary Schools
ii) Middle Schools
iii) High Schools.

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) উত্তৰ দিছে ঃ

(ক) কেতবোৰ চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়ৰ লোক MOBCৰ অন্তৰ্গত। MOBC ৰ বাবে ১৫ শতাংশ পদ দিয়াৰ ব্যৱস্থা আছে।

(খ) (ক) প্ৰশ্নৰ উত্তৰতে কোৱা হৈছে।

* শ্ৰী নৰেণ তাঁতী ঃ অধ্যক্ষ মহোদয়, বিষয়টো গুৰুত্বপূৰ্ণ। আগৰ কংগ্ৰেছ (আই) চৰকাৰৰ দিনতো চাহ বাগিছাৰ ল'ৰা-ছোৱালী সকলৰ চাকৰিৰ কাৰণে কোটা ৰখা হোৱা

* Speech not corrected

নাছিল। এতিয়া বিৰোধী পক্ষই সুবিধা পাইয়ে প্ৰশ্নটো কৰিছে। মই আগৰ বিধান সভা অধিবেশন বিলাকতো কৈ আহিছো যে যি বিলাক চাহ জনগোষ্ঠীৰ লোক তেওঁলোক স্থায়ীয়ে হওঁক বা অস্থায়ীয়ে হওঁক, তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকৰ কাৰণে কোটা হিচাপে নিযুক্তি দিয়া হ'ব নে? এই কথাটো এই বিধান সভাতে ক'ব লাগে এতিয়া ৰেল পাবলিচিটি হ'ব।

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে যি সকলক এম-ও-বি-চিত ধৰা হৈছে তেওঁলোকৰ কাৰণে সংৰক্ষিত পদ আছে। বাকী সকলৰো ক্ষেত্ৰত আমি বিধিমতেহে ব্যৱস্থা ল'ব পাৰিম।

* **শ্ৰী পদ্মনাথ কৈৰী** ঃ অধ্যক্ষ মহোদয়, চাহ বাগিছাৰ ল'ৰা-ছোৱালীয়ে যে এই চৰকাৰৰ দিনত যে চাকৰি পোৱা নাই সেইটো মই কোৱা নাই মই নিজেই দিয়াইছো। এই দুখীয়া শ্ৰেণীৰ লোক সকল বৰ্ণ হিন্দুৰ ওচৰৰে। এই সম্প্ৰদায়ৰ ল'ৰা ছোৱালী যিবিলাকে ৪০ শতাংশ কম পায় মেট্ৰিক পাছ কৰিছে তেওঁলোকৰ কাৰণে কিবা সুবিধা কৰি দিব নেকি?

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে আমি প্ৰচলিত বিধি ব্যৱস্থামতে কৰি আছো কিন্তু শিক্ষক নিয়োগৰ ক্ষেত্ৰত তেনেকুৱা শিথিলতা নথকাই ভাল হ'ব নেকি?

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ** ঃ অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে জনাব নে চাহ আৰু প্ৰাক্তন চাহ বাগিছাৰ যি সকল লোক এম-ও-বি-চিত অন্তৰ্ভুক্ত তেওঁলোকৰ নামো নিযুক্তিৰ ক্ষেত্ৰত লিষ্টৰ পৰা বাদ পৰি গৈছে?

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)** ঃ এই বিষয়ে আমি অৱগত নহয়।

* **শ্ৰী চিলভিউছ কন্দপান** ঃ মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে প্ৰচলিত নিয়মতে যি সকল এম-ও-বি-চি তালিকাত পৰে তেওঁলোকক বিবেচনা কৰা হয়। কিন্তু অৰ্হতা নাথাকিলে তেওঁলোক এম-ও-বি-চি হলেও নিযুক্তিৰ ক্ষেত্ৰত বাদ পৰিব। এই কথাটো বিবেচনা কৰি তেওঁলোকৰ ক্ষেত্ৰত কিবা বেলেগ ব্যৱস্থা ল'ব নে?

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মজিয়াত বাৰে বাৰে কৈছো যে এম-ও-বি-চিয়ে হওক বা অনুসূচীত জাতিৰে হওক যোগ্য জনকহে শিক্ষকৰ কাৰণে বাচি ল'ব লাগে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত বিশেষকৈ

গুণগত কথাতহে বেছি গুৰুত্ব দিব লাগে। মই মাননীয় সদস্য গৰাকীৰ লগত একমত হ'ব নোৱাৰিলো। কাৰণ আজি-কালি চাহ সম্প্ৰদায়ৰ লোকৰ মাজতো বহুতবিলাক ভাল প্ৰাৰ্থী ওলাইছে। প্ৰথম বিভাগত লেটাৰ সহ পাছ কৰা প্ৰাৰ্থীয়েও এল পি স্কুলৰ শিক্ষকৰ প্ৰাৰ্থী হৈছে। মই এটা উদাহৰণ দি কব পাৰো যে শ্ৰী বকুল কুৰ্ম্মী নামৰ লৰা এজনে প্ৰথম বিভাগত পাছ কৰি শিক্ষক পদৰ প্ৰাৰ্থী হৈছে। এনে ধৰণৰ বহুত আছে। বহুতেই মতামত প্ৰকাশ কৰিছে যে চাহ জনগোষ্ঠীৰ লোক সকলকো অৰ্হতাৰ ভিত্তিতহে নিযুক্তি দিব লাগে। মই অৱশ্যে কৈছো যে যি বিলাক চাহ বাগিছাৰ স্কুল প্ৰাদেশীকৰণ কৰা হয় সেইবিলাকৰ প্ৰতিস্থাপক শিক্ষক সকলকহে নিশ্চয় বিবেচনা কৰিম আৰু সেই হিচাবে আমি তেওঁলোকক অগ্ৰাধিকাৰ দিও আছো। যি কাৰণে আমি চাহ জনগোষ্ঠীৰ লোকৰ কাৰণে অগ্ৰাধিকাৰ দিছো তাৰ পৰা সমাজখন কিছু আগবাঢ়ি আহিব বুলি আমাৰ বিশ্বাস।

**Mr. Speaker :** Now Starred Question No. 484, Hon'ble Member Shri Abdul Jalil.

**বিষয় ঃ লাহৰিঘাট থানা।**

**শ্ৰী আব্দুল জলিলে সুধিছে ঃ**

* ৪৮৪। মাননীয় গৃহ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(খ) (ক) প্ৰশ্নৰ উত্তৰতে কোৱা হৈছে।

(ক) নগাওঁ জিলাৰ অন্তৰ্গত লাহৰীঘাট থানাখন ইয়াৰ অন্তৰ্ভূক্ত এলেকাৰ ভিত্তিত অসমৰ ভিতৰত সকলোতকৈ ডাঙৰ বুলি চৰকাৰে জানেনে?

(খ) যদি জানে, প্ৰশাসনৰ সুবিধাৰ বাবেও ৰাইজৰ বহুত আপত্তি মৰ্ম্মে এই থানাটো দুটা ভাগত ভগাই ডুবা গাওঁত এখন নতুন থানাৰ ব্যৱস্থা ১৯৮৮-৮৯ চনৰ ভিতৰত কৰিবনে?

(গ) লাহৰিঘাট থানাৰ অন্তৰ্গত ববালীমাৰীত এখন আৰক্ষী চকীৰ (Out Post) ব্যৱস্থা ১৯৮৮-৮৯ চনৰ ভিতৰত কৰিবনে?

**শ্ৰী ভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নগাওঁ জিলাৰ লাহৰীঘাট থানাখন অসমৰ ভিতৰত সকলোতকৈ ডাঙৰ নহয়।

(খ) ডুবাগাওঁত থানা স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ ওচৰত বিবেচনাধীন হৈ আছে।

(গ) বৰালীমাৰীত আৰক্ষী চকী স্থাপনৰ প্ৰস্তাৱ বৰ্তমান চৰকাৰৰ হাতত নাই।

**বিষয় ঃ শিক্ষক নিযুক্তি।**

* ৪৮৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৭ চনত বঙাইগাওঁ বিধান সভা সমষ্টিৰ অন্তৰ্গত ভিলপুখুৰী মধ্য ইংৰাজী বিদ্যালয়ত অৰ্হতা নথকা (এবছৰীয়া পি, ইউ, উত্তীৰ্ণ) ব্যক্তি এজনক অতিৰিক্ত শিক্ষক হিচাবে গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষা বিষয়াই নিযুক্তি দিয়া কথাটো সঁচানে?

(খ) যদি সঁচা হয়, নিযুক্তি দিয়া আগমুহূৰ্ত্তত বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু শিক্ষকৰ সংখ্যা কিমান আছিল?

(গ) উক্ত শিক্ষক জনক নিযুক্তি দিয়াৰ কেইমাহমান পিচতেই সেইখন স্কুলৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম দেখুৱাই এজন শিক্ষকক পদ সহ বদলি কৰি অনা কথাটোও সঁচানে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক), (খ) আৰু (গ) ঃ তথ্য সংগ্ৰহ কৰা হৈছে, পালেই সদনক জনোৱা হ'ব।

**Mr. Speaker :** Now Starred Question No. 486, Hon'ble Member Shri Digendra Purkayastha.

**শ্ৰী দিগেন্দ্ৰ পুৰকায়স্থই সুধিছে ঃ**

* 486. Will the Minister, Education be pleased to state :

(a) Whether it is a fact that is no full fledged Inspector of School in Cachar District Circle, Silchar.

(b) If so, since the post is lying vacant?

(c) When do the Government proposes to fill up the post?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) ২৫/২/৮৭ তাৰিখৰ পৰা।

---

* Speech not corrected

(গ) সোনকালে নিযুক্তি দিয়া হ'ব।

**Shri Ramendra Dey :** Sir, whether the existing Inspector of Schools will be regularised or upgraded?

* **শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাছাৰ জিলাকে ধৰি যোৱাবাৰতো পৰিদৰ্শকৰ পদ খালি হৈ আছে। ইতিমধ্যে এ,পি,এচ,চিৰ পৰা প্ৰাৰ্থীৰ নামৰ তালিকা আহিছে আৰু তাৰ ওপৰত ভিত্তি কৰি দিয়াৰ চেষ্টা কৰিম।

* **Shri Ramendra Dey :** Sir, my question is, whether the existing officer, the Assistant Inspector of Schools will be upgraded or be regularised?

* **শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপগ্ৰেডৰ প্ৰশ্ন অহা নাই। ৰেগুলাৰাইজেশ্যনৰ কথাও অহা নাই। কাছাৰ জিলাত যিজনৰ অস্থায়ী ভাৱে নিযুক্তি দিয়া আছে তেওঁক ৰেগুলাৰ কৰাৰ প্ৰশ্ন এতিয়াও অহা নাই।

* **শ্রী গিৰীণ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন কৰিছো যোৱা আঢ়ৈ বছৰ ধৰি শুল্কত প্ৰাথমিক শিক্ষা বিষয়া বা শুল্ক পৰিদৰ্শক আদি নাই। অসমত মুঠ কিমানখন জিলাত এতিয়ালৈকে কিমানজন বিদ্যালয় পৰিদৰ্শকৰ পদ খালী হৈ আছে জনাবনে?

* **শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়াই মই সম্পূৰ্ণ সংখ্যাটো কব নোৱাৰিম, কিন্তু ভালে কেইখন জিলাত আমি স্থায়ী ভাৱে মই পদ পূৰণ কৰিব পৰা নাই।

* **শ্রী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় মহোদয়, যিবোৰ স্কুলত স্কুল পৰিদৰ্শকৰ পদ খালী হৈ আছে সেইবোৰ এ,পি,এচ,চিয়ে দিয়া তালিকাৰ পৰাই দিব লাগিব। কিন্তু এই এ,পি,এচ,চিৰ তালিকাত ও,চি,আৰ বেয়া থকা বা ৰেকৰ্ড বেয়া থকা বিষয়াৰ নামো যদি থাকে তেতিয়া হলে চৰকাৰে বা মন্ত্ৰী মহোদয়ে নিযুক্তি দিয়াৰ সময়ত এই এ,চি,আৰ বেয়া বা ৰেকৰ্ড বেয়া থকা বিষয়াৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবনে?

* **শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশাসনিক ভাৱে দক্ষ আৰু কৃতি বিষয়াৰ নিয়োগ কৰাটো চৰকাৰৰ দায়িত্ব। এ,পি,এচ,চিয়ে যদি তেনেভাৱে সঠিক মানুহ প্ৰশাসনলৈ নপঠায় তেনেহলে প্ৰশাসন ভাঙি যাব। আজি মাননীয়

---

* Speech not corrected

সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উত্থাপন কৰিছে, সেই বিষয়ত আমি সজাগতা অৱলম্বন কৰিছোঁ। কিন্তু স্বাভাৱিকভাৱে আমাৰ প্ৰশ্ন আহি পৰিছে যে এ,চি,আৰ বা ৰেকৰ্ড বেয়া থকা মানুহৰ নামো যদি এ,পি,এচ,চিয়ে পঠিয়াই তেতিয়াহলে সেই ধৰণৰ নামৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিবলৈ চৰকাৰ বাধ্য হয়নে নহয়। এই সম্পৰ্কত উচ্চ ন্যায়ালয়ত কেইগৰাকী মানুহে গোচৰো তৰিছে। কিন্তু আমি আশা কৰোঁ এ,পি,এচ,চিয়ে আটাইতকৈ কৃতী আৰু দক্ষ বিষয়াৰ নাম পঠিওৱাটো তেওঁলোকৰ দায়িত্ব, কাৰণ প্ৰশাসনেই হৈছে সকলোৰে মেৰুদণ্ড।

* **শ্ৰী দুৰ্গাদাস বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, এ,পি,এচ,চিয়ে পঠিওৱা তালিকাত তেনে ধৰণৰ এ,চি,আৰ বা ৰেকৰ্ড বেয়া থকা মানুহৰ নাম আহিছে নেকি? যদি আহিছে কিমান জন তেনে বিষয়াৰ নাম আহিছে জনাবনে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়াই সেইটো ক'ব নোৱাৰিম। কিন্তু তেনে অভিযোগ নথকা মানুহৰ নাম নাই বুলিও ক'ব নোৱাৰি।

**শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, আমাৰ লক্ষীমপুৰ জিলাত যিজন শুল্ক পৰিদৰ্শক আছে সেইজনৰ নামত বহু অভিযোগ আছে, আমি বহুবাৰ কৈছো, সেই অভিযোগ সমূহ মন্ত্ৰী মহোদয়ে পৰীক্ষা কৰাৰ আশ্বাস দিব নে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লক্ষীমপুৰ জিলাত এগৰাকী বিষয়া থ্ৰি এফত নিযুক্তি দিয়া আছে অস্থায়ী ভাৱেহে। এতিয়া এ,পি,এচ,চিৰ তালিকাত তেওঁৰ নামো নাই। গতিকে কিবা এটা স্থায়ীভাৱে সিদ্ধান্ত লোৱাৰ লগে লগে এই কথাটো আহি পৰিব আৰু ইতিমধ্যে যিবোৰ অভিযোগ বিষয়াজনৰ বিৰুদ্ধে আহিছে সেইবোৰ আমি পাইছোঁ, সেইবোৰ পৰীক্ষা কৰি চোৱা হ'ব।

* **Shri Altaf Hussain Mazumdar :** Sir, I find from the replies of the Hon'ble Minister that for over year now there is no Inspector of Schools in Silchar; similarly in some other places also there is no Inspector of Schools. Will the Hon'ble Minister kindly explain what is the difficulty in appointing the Inspectors? Is there dearth of people or are there no sufficient people to be promoted or is there is no list submitted by the APSC? If the list is submitted why appointment is not made?

---

* Speech not corrected

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কাছাৰ জিলাত স্কুল পৰিদৰ্শকৰ পদটো খালী আছে। কিন্তু এজন সহকাৰী স্কুল পৰিদৰ্শকৰ অস্থায়ীভাৱে স্কুল পৰিদৰ্শক হিচাপে কাম কৰি থাকিবলৈ দিয়া হৈছে। ইতিমধ্যে লোকসেৱা আয়োগৰ এখন বাচনি তালিকা পোৱা হৈছিল। কিন্তু কেইবাটাও হাইকোৰ্টৰ গোচৰ চলি থকাৰ বাবে সেই তালিকাৰ পৰা নিযুক্তি দিব পৰা হোৱা নাছিল। সোনকালে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

* শ্ৰী আব্দুল মুক্তাদিৰ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, অভিযোগ নথকা বিষয়াৰ নাম এ,পি,এচ,চিৰ তালিকাত আছে নে নাই? যদি আছে, সেই বিলাকৰ দ্বাৰা কিছুমান খালী হৈ থকা পদ পূৰণ কৰিবনে?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নিয়োগৰ ক্ষেত্ৰত কিছুমান বিধিবদ্ধ ব্যৱস্থা আছে। গতিকে আমি সেই ধৰণে সংৰক্ষিত আসন আদিৰ বাবে ব্যৱস্থা কৰিহে পদ পূৰণ কৰিব লাগিব। এচ,চি, বা এচ,টি আৰু মেৰীট আদিৰ কথাও চাব লাগিব। গতিকে পদ ১২ টা থাকিলে আমি তাৰ ভিতৰতে এই সংৰক্ষিত আসনৰ কথাও চিন্তা কৰিব লাগিব। ইতিমধ্যে কেইবাগৰাকীয়েও গোচৰ তৰিছে বাবে আমি কিছু কথা চিন্তা কৰিবলগীয়া হৈছে। অৱশ্যে সোনকালেই নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব।

**Mr. Speaker : Now Starred Question No. 487, Hon'ble Member Shri Joy Prakash Tewari.**

## Re : Construction of D.I.E.T.

**Shri Joy Prakash Tewari asked :**

* 487. Will the Minister, Education be pleased to state :

(a) Whether there was a proposal for the construction of District Institute of Education and Training (D.I.E.T.) in Basic Training Centre, Udarbond in constituency under a centrally Sponsored Scheme?

(b) If so how much progress have been made so far as regards the said construction?

* Speech not corrected

**শ্ৰী বৃন্দাবন গোস্বামী** (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উদাৰবন্দৰ বেচিক প্ৰশিক্ষণ কেন্দ্ৰক লৈ উন্নীত কৰণৰ এটা প্ৰস্তাৱ আছে।

(খ) মঞ্জুৰী যোৱা মাৰ্চ মাহৰ শেষ সপ্তাহত পোৱা গৈছে। কাম বৰ্ত্তমান বিত্তীয় বছৰত আৰম্ভ কৰা হ'ব।

**বিষয় ঃ অসম সচিবালয়ৰ কৰ্ম্মচাৰী।**

**শ্ৰী বিনোদ গোৱালাই সুধিছে।**

* ৪৮৮। মাননীয় সচিবালয় প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ অসমৰ সচিবালয়ত কৰ্ম্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত যিবোৰ মহকুমাৰ পৰা কৰ্ম্মচাৰী নিযুক্তিৰ সংখ্যা কম বা একেবাৰেই নাই, তেনেবোৰ মহকুমাৰ প্ৰাৰ্থীক ভৱিষ্যত নিযুক্তিৰ সময়ত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা চৰকাৰে ল'ব নে?

**শ্ৰী বৃন্দাবন গোস্বামী** (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

যিবোৰ মহকুমাৰ পৰা কৰ্ম্মচাৰী নিযুক্তিৰ সংখ্যা কম বা একেবাৰে নাই তেনে মহকুমাৰ প্ৰাৰ্থীক ভৱিষ্যত নিযুক্তিৰ সময়ত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা চৰকাৰৰ নাই।

* **শ্ৰী দেবেশ্বৰ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম সচিবালয়ত নিযুক্তি দিয়াৰ নামত মহকুমা ভিত্তিত প্ৰতিনিধিত্ব কৰাৰ ব্যৱস্থা আছে নে নাই আৰু যদি নাই তেনেকৈ মহকুমা ভিত্তিত প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰী ভৃগু কুমাৰ ফুকন** (সচিবালয় প্ৰশাসন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সচিবালয়ত নিযুক্তিৰ বিষয়ে পদসমূহৰ বাবে মাজে সময়ে বিজ্ঞাপন দিয়া হয় আৰু সেই মতে পৰীক্ষা পাতি অৰ্হতাসম্পন্ন প্ৰাৰ্থীক নিযুক্তি দিয়া হয়। মহকুমা ভিত্তিক কোনো নিযুক্তি দিয়া নহয়।

* **শ্ৰী দূৰ্গাদাস বড়ো** ঃ অধ্যক্ষ মহোদয়, নিযুক্তি দিয়াৰ যিটো বাচনি সমিতি সেই সমিতিৰ সদস্য সকল কোন কোন জনাব লাগে।

* **শ্ৰী ভৃগু কুমাৰ ফুকন** (সচিবালয় প্ৰশাসন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেই বিষয়ে সুকীয়া প্ৰশ্ন কৰিলে ভাল হ'ব।

* **শ্ৰী চিলভিউছ কন্দপান** ঃ অধ্যক্ষ মহোদয়, সচিবালয় নিযুক্তিৰ ক্ষেত্ৰত মহকুমা ভিত্তিক প্ৰতিভাত কৰা নীতি নাই কিন্তু জনসংখ্যা প্ৰতিভাত কৰা নীতি আছে নে নাই জানিব বিচাৰিছো।

---

* Speech not corrected

* শ্ৰী ভৃগু কুমাৰ ফুকন (সচিবালয় প্ৰশাসন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই পুনৰ বাৰ দোহাৰিছো যে সচিবালত পোনপটীয়া ভাবে নিযুক্তিৰ বাবে সময়ে সময়ে বিজ্ঞাপন দিয়া হয় আৰু সংশ্লিষ্ট সেৱা বিধিৰ বিধান অনুসৰি প্ৰতিযোগিতামূলক পৰীক্ষা লৈ বাচনি সমিতিৰ জৰিয়তে প্ৰাৰ্থী নিৰ্বাচন কৰা হয়। যিহেতু প্ৰতিযোগীতামুলক পৰীক্ষা হে লোৱা হয়, তেনে ক্ষেত্ৰত মহকুমা ভিত্তিত প্ৰাৰ্থী নিৰ্বাচন কৰাৰ প্ৰশ্ন নুঠে। চাকৰিত মকৰল কৰোতে প্ৰাৰ্থীক দক্ষতাৰ ভিত্তিত অগ্ৰাধিকাৰ দি নিযুক্তি দিয়া হয়।

**Mr. Speaker :** Now Starred Question No. 489, Hon'ble Member Shri Sheikh Abdul Hamid.

## Sub : Brick Making Units.

**Shri Sheikh Abdul Hamid** asked :

* 489. Will the Minister, Industries be pleased to state :

(a) The No. of new brick making units permitted and established at Batkuchi P.G.R. under Baghbar Circle?

(b) Who are the owners and their addresses?

শ্ৰী দীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১ টা।

(খ) মালিকৰ নাম হ'ল শ্ৰী জিতেন নাথ দাস, মেচাৰ্চ ৰাজলক্ষী ব্ৰীক ইণ্ডাষ্ট্ৰিজ। ভাচ কুছি, বৰপেটা।

* শ্বেখ আব্দুল হামিদ ঃ অধ্যক্ষ মহোদয়, বৰ্ত্তমান তাত পাঁচটা ইটা ভাটা চলি আছে এই কথাটোহে সঁচা। মন্ত্ৰী ডাঙৰীয়াই কোৱা কথা সঁচা নহয়। এই কথা মন্ত্ৰী মহোদয়ে তদন্ত কৰি চাবনে? দ্বিতীয় কথা হৈছে পাঁচটা উদ্যোগ চলি থকা সময়ত বাঘবৰ সমষ্টিৰ স্থানীয় লোকে ইটা ভাটা খুলিবলৈ অনুমতি বিচাৰিছিল কিন্তু পোৱা নাই সেইবিলাক দিয়া হবনেকি আৰু তিনি নম্বৰ কথা হ'ল, বৰ্ত্তমান চলি থকা পাঁচটা উদ্যোগৰ পৰা ৰয়েলিটি পায় নে নাপায়? আমি জনাত চাৰ্কোল অফিচাৰৰ লগত যোগাযোগ কৰি চৰকাৰক ৰাজহৰ পৰা বঞ্চিত কৰি ৰাখিছে। এইটো তদন্দ কৰি চৰকাৰী ৰাজহ উঠোৱাৰ কাৰণে ব্যৱস্থা লবনে?

* শ্ৰী দীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ পৰা অনুমতি

* Speech not corrected

নিদিয়াকৈয়ে যদি ইটা ভাটা খুলি থাকে তেতিয়া হলে উদ্যোগ বিভাগৰ কৰিবলগীয়া একো নাই। কাৰণ, আমাৰ পুলিচ হাতত নাই তাৰ ওপৰত ব্যৱস্থা লবলৈ। যদি আমাৰ অনুমতি নাই, বেনামী ভাৱে চলি আছে, পুলিচে ভাঙি দিব পাৰে।

* **Shri A.F. Golam Osmani :** Sir, now it appears that there is a question of general principle involved and Ministry of Industries cannot be signed out for that purpose. Why this permission is necessary? Because the question of environment is there, the environment is vitiated. In to-day's written answer to Unstarred Question No. 944 it appears that in Gouripur because of the objection of the people of the locality as well as the Municipality they did not allow the opening of new brickfield. So Sir, the answer of Minister that they are not concerned with other department - that should not be the approach. We feel that industrial licence should also be given provided clearance is given by other concerned departments and I request the Chief Minister as well as the Minister of Education in-charge of environment now that the District Level Environment Councils are created, there should be a clearance from these bodies before they take up this type of brickfield and specially when already there is a condition laid down in other States that brickfield should not be operated with coal containing high sulphur content and it should be operated with wood. I would request the Ministry of Environment as well as the Ministry of Industries to look into that aspect because in all around Barpeta town these brickfields are located. I would request the honourable Ministry to have a modality fixed or decided upon in consultation with the Ministry of Environment as well as the Chief Minister of the State.

* Speech not corrected

* শ্ৰী দীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বহু ঠাইত উদ্যোগ বিভাগৰ পৰা অনুমতি নোলোৱাকৈ বা লাইচেঞ্চ নোলোৱাকৈ উদ্যোগ খুলি আছে, আমি কিন্তু লাইচেঞ্চ দিয়া নাই অথচ চলি আছে।

* **Shri Altaf Hussain Mazumdar** : Sir, only one question. The Hon'ble Minister has said that no licences have been issued by the Industries Department and that the Government is pleading helplessness Ze matter. Now, my question is that is it not the responsibility of the Industries Department to stop forthwith the brick fields that are operated without any licences?

* শ্ৰী দীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ পৰা লাইচেঞ্চ দিয়া নাই অথচ তেনেকুৱাকৈ ইণ্ডাষ্ট্ৰি চলি আছে বুলি কৈছো লামডিঙতো চলি আছে বুলি মাননীয় সদস্য গৰাকীয়ে কৈছে। কিন্তু এই ক্ষেত্ৰত উদ্যোগ বিভাগৰ পৰা কৰিবলগীয়া একো নাই। অৱশ্যে তাৰ মানে অসহায় হৈছে, সেইটো নহয়, এইটো প্ৰশাসনৰ দায়িত্ব আছে।

* শ্ৰী জয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, লাইচেঞ্চ নোহোৱাকৈ চলি থকা বিলাকৰ পৰীক্ষা কৰি ভি-আই-চিৰ জৰিয়তে তদন্ত কৰি ব্যৱস্থা লব লাগে। উদ্যোগ বিভাগ এজাহাৰকাৰী হ'ব লাগে।

শ্ৰী দীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) ঃ চাৰ্, এনেকুৱা কৰিব পৰা হ'ব।

## Sub : Over Head Reservoir.

**Shri Gautom Roy** asked :

* 490. Will the Minister, Public Health Engineering be pleased to state:

(a) Whether it is a fact that the over head Reservoir at Hailakandi was callapsed in January, 1985.

(b) Whether it is a fact that the Chief Engineer (PHE) enquired with regard to the above and submitted report the Executive Engineer and Asstt. Executive Engineer (PHE), Hailakandi vide letter No. PHE-3/Estt./85/32351, dtd. 29th January, 1985?

---

* Speech not corrected

**Shri Digen Chandra Bora** (Minister, Public Health Enginnering) replied.

(a) Only portion of the bottom dome gave way but the entire structure including rest of the body remained intact.

(b) Yes.

**বিষয় ঃ ঢকুৱাখানাত খোৱা পানীৰ আঁচনি।**

**শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

* ৪৯১। মাননীয় জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৰ ঢকুৱাখানা গাওঁ পঞ্চায়তৰ অধীনত চৰকাৰে খোৱা পানীৰ আঁচনি লৈছেনেকি?

(খ) যদি লৈছে কোন কোন অঞ্চলত লৈছে অনুগ্ৰহ কৰি জনাবনে?

(গ) আঁচনিবোৰৰ নিৰ্মানৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

**শ্ৰী দীগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, লৈছে।

(খ) পূৰ ঢকুৱাখানা গাওঁ পঞ্চায়ত এলেকাৰ সমগ্ৰ অঞ্চলতেই বিভিন্ন পানী যোগান আঁচনি লোৱা হৈছে।

(গ) অনুমোদিত হোৱা আঁচনিবোৰৰ কাম ইতিমধ্যে আৰম্ভ হৈছে।

**Mr. Speaker :** Now Starred Question No. 491, Hon'ble Member Shri Ardhendu Kumar Dey.

## Re : Resentment for appointment in Hojai.

**Dr. Ardhendu Kumar Dey** asked :

* 492. Will the Minister, Education be pleased to state :

(a) Whether Government is aware of the news item published in the Sentinel dated 22nd December, 1997 under the caption Hojai teachers resent irregular appointments?

(b) Whether it is a fact that Prof. Upendra Nath Barkatoky resigned from the Elementary Education Board, Hojai as

* Speech not corrected

a member expressing his resentment over mal functioning of the Board?

শ্ৰী যতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) শ্ৰীযুত উপেন্দ্ৰ নাথ বৰকটকীয়ে নৈতিক কাৰণত সদস্য পদ ইস্তফা দিব খোজে বুলি উল্লেখ কৰিছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ স্যার, উত্তর খুব প্রশংসার যোগ্য হয়েছে। কারণ, মন্ত্রী মহোদয় শেষ পর্যন্ত স্বীকার করেছেন যে নৈতিক কারণে অধ্যাপক উপেন্দ্র নাথ বরকটকী বোর্ডের সদস্য পদ থেকে রিটায়ার্ড করেছে। মন্ত্রী মহোদয় কি দয়া করে স্বীকার করবেন কি বা উত্তর দিবেন কি যে ঐ নৈতিক কারণটা কি? বোধহয়, ইরেগুলার নিযুক্তি, ইরেগুলার বদলীর জন্য। যার মধ্যে ১৫ জনকে মাধ্যমিক বিদ্যালয়ে নিযুক্তিও দেওয়া হয়েছে।

ঃঃ গণ্ডগুল ঃঃ

আমি প্রথমেই প্রশ্ন করেছি। তারপর ডি ই ও একটা সার্কুলার ইস্যু করেছিল, D.I.S. Letter No. A.11/Hojai/87/7466 dtd. 09-11-87 সেই সার্কুলার পাওয়া সত্বেও হোজাইর ডি.আই. সেই সার্কুলার ডিস-অনার করেছে। এটা কি সত্য যে ডি আই স্কুল হোজাই এই সার্কুলাৰ অবজ্ঞা করে ১৯ জন শিক্ষকের নিযুক্তি রেগুলারাইজ করেছে? যদি এটা সত্য হয় তাহলে এর কোন ব্যবস্থা মন্ত্রী মহোদয় নিবেন কি?

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ স্যার, আমি প্রফেসার বরকটকীর সঙ্গে দেখা করেছিলাম। তিনি পুনঃরায় যোগ দিবেন না বলে জানিয়েছেন। তারপর শিক্ষা মন্ত্রী মহোদয় একখানা চিঠি দিয়ে ওনাকে জয়েন করার জন্য অনুরোধ করেছেন বলে শুনেছি। এই কথা কি ঠিক?

**Mr. Spear :** Now, Starred Question No. 493, Hon'ble Member Shri Bhaben Baruah.

**বিষয় ঃ উচ্চ ইংৰাজী বিদ্যালয়ত (তদৰ্থ) শিক্ষক নিযুক্তি।**

**শ্ৰী ভবেন বৰুৱাই সুধিছে ঃ**

---

* Speech not corrected

* ৪৯৩। শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৮৩-৮৪ চনতে ডিব্ৰুগড় জিলাৰ বিভিন্ন উচ্চ ইংৰাজী বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কোনো নীতি নিয়ম নোহোৱাকৈ কিমান শিক্ষক-শিক্ষয়িত্ৰীক (তদৰ্থ) নিযুক্তি দিয়া হৈছে জনাবনে?

(খ) এই শিক্ষক-শিক্ষয়িত্ৰী সকলক নিয়মীয়া কৰাৰ ব্যৱস্থা লৈছে নেকি?

(গ) যদি লোৱা নাই, তৎকালীন ভাবে উক্ত শিক্ষক-শিক্ষয়িত্ৰী সমূহক চাকৰীৰ পৰা আজৰাই দিয়া ব্যৱস্থা লবনে?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৮৬ জনক তদৰ্থ নিযুক্তি দিয়া হৈছিল।

(খ) আৰু (গ) বিষয়টো ডিব্ৰুগড় জিলাৰ জিলা ভিত্তিৰ বাছনি কমিটিৰ বিবেচনাধীন হৈ আছে।

* শ্ৰী ভবেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমান জন শিক্ষকক তদৰ্থ নিযুক্তি দিয়া হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৮৬ জনক তদৰ্থ নিযুক্তি দিয়া হৈছিল।

* শ্ৰী ভবেন বৰুৱা ঃ কোনো নীতি নিয়ম নোহোৱাকৈ এই ৮৬ জন শিক্ষক-শিক্ষয়িত্ৰীক কিয় নিযুক্তি দিয়া হৈছিল আৰু এই সম্পৰ্কত বাছনি কমিটিয়ে উক্ত শিক্ষক সকলক যিহেতু লোৱা নাই সেয়ে তেওঁলোকৰ নিযুক্তি নাকচ কৰিব নেকি?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই কৈছো যে তদৰ্থ নিযুক্তি সাময়িক নিযুক্তিহে, এনে নিযুক্তিক নিয়মীয়া বুলি কব নোৱাৰি। নীতিমতে তদৰ্থ নিযুক্তি পোৱা শিক্ষক সকলে পদ সমূহ পূৰণৰ বাবে বিজ্ঞাপন দিয়াৰ সময়ত দৰ্খাস্ত কৰিব লাগে। বাচনি কমিটিয়ে যদি অন্যান্য দৰ্খাস্তকাৰীৰ লগত তেনে তদৰ্থ নিযুক্তিত কাম কৰি থকা শিক্ষক-শিক্ষয়িত্ৰীকো বাছনিৰ তালিকাত অন্তৰ্ভূক্ত কৰে তেতিয়াহে সেই তদৰ্থ নিযুক্তি নিয়মীয়া কৰিব পৰা যায়। যদি কোনোৱা তদৰ্থ শিক্ষক-শিক্ষয়িত্ৰীয়ে পদৰ বিজ্ঞাপনৰ বিপৰীতে দৰ্খাস্ত নকৰে বা বাছনি কমিটিৰ দ্বাৰা নিৰ্বাচিত নহয় তেতিয়াহলে তেওঁৰ চাকৰি নিয়মীয়া কৰিব নোৱাৰি।

---

* Speech not corrected

* শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, সমগ্ৰ অসমত ১৯৮৩-৮৪-৮৫ চনত যি সকলক তদৰ্থ শিক্ষক-শিক্ষয়িত্ৰী হিচাবে নিয়োগ কৰা হৈছিল, তেখেতসকলে বিজ্ঞাপনৰ বিপৰীতে নতুনকৈ আবেদন কৰা নাই বা বাছনি দিয়া নাই আৰু বাছনি কমিটিৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই সেই সকল শিক্ষক-শিক্ষয়িত্ৰীক চাকৰিৰ পৰা টাৰমিনেট কৰিব নে নকৰে?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তদৰ্থ নিযুক্তি সাময়িক নিযুক্তি, এনে নিযুক্তি নিয়মীয়া বুলি কব নোৱাৰি। এই কথাটো মই আগতেই কৈছো।

* শ্ৰী ভৱেন বৰুৱা ঃ যিহেতু ইতিমধ্যে ৮৬ জন শিক্ষকক তদৰ্থ দিয়া হৈছে তাৰোপৰি নতুনকৈ আৰু শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। তেনেহলে, এই তদৰ্থ ৮৬ জন শিক্ষকৰ নিযুক্তি বাতিল কৰা হব নেকি?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, স্থায়ী নিযুক্তিৰ কাৰণে আমি বিজ্ঞাপন দিছিলো আৰু আবেদন কৰিছিলো আৰু এই কথা তদৰ্থ সকলোকো জনাইছিলো, যি সকল তদৰ্থ শিক্ষক হিচাবে কাম কৰি আছে আৰু তেওঁলোকৰ যি সকলে বাছনি কমিটিৰ বাছনি তালিকাতে অন্তৰ্ভুক্ত হৈছে তেখেত সকলে নিয়মীয়াকৈ নিযুক্তি পোৱাৰ বিবেচনা হ'ব।

* শ্ৰী জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বাৰে বাৰে এটা কথা এৰাই চলিব বিচাৰিছে, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চিলেকশন কমিটি পাতিছে। গতিকে এই চিলেকশনৰ চাকৰি নাকচ কৰিব নে নকৰে সেইটো জনাব লাগে। মই এ কথাটো এই কাৰণেই কৈছো যে পূৰ্ব্বৰ শিক্ষা মন্ত্ৰীৰ সম্পৰ্কীয় মীৰা শৰ্ম্মা নামৰ এগৰাকী শিক্ষয়িত্ৰীক একে দিনাই তিনি বছৰ বয়স কমাই মঙ্গলদৈ চৰকাৰী উচ্চতৰ বিদ্যালয়ত নিযুক্তি দিছে। প্ৰিন্সিপালে উক্ত শিক্ষয়িত্ৰীৰ পৰা যাৱতীয় প্ৰমাণ পত্ৰ বিচৰাত সেই প্ৰমাণ পত্ৰ আজিয়ো দিব পৰা নাই। এই শিক্ষয়িত্ৰী গৰাকী আমাৰ কোনোবা আগৰ শৰ্ম্মা নামৰ শিক্ষা মন্ত্ৰীৰ। গতিকে, এড-হক এপইন্টমেন্ট বিলাক বাতিল কৰিব লাগে।

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে মই প্ৰশ্নটো এৰাই যাব খোজা নাই। আগতেই মই স্পষ্ট ভাবে কৈছো যে তদৰ্থ নিযুক্তি সাময়িক নিযুক্তি, এই তদৰ্থ শিক্ষক সকলে বিজ্ঞাপন দিয়াৰ সময়ত

* Speech not corrected

যদি দর্খাস্ত নকৰে বা চিলেকশন কমিটিৰ দ্বাৰা নিৰ্ব্বাচিত নহয়, তেতিয়াহলে তেওঁলোকৰ চাকৰি নিয়মীয়া কৰিব নোৱাৰি।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, তদৰ্থ শিক্ষক সকলৰ নিযুক্তি বাতিল কৰিব নে নকৰে?

* **জয়নাথ শৰ্ম্মা ঃ** ১৯৮৩-৮৪ চনত যি সকল লোকক ৰাজনৈতিক ভাৱে এড-হক শিক্ষক নিযুক্তি দিয়া হৈছিল তেওঁলোক চিলেকশন কমিটিত নুঠিলে তেওঁলোকক বৰ্খাস্ত কৰা হ'ব নেকি?

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তদৰ্থ বিজ্ঞাপন দিয়াৰ সময়ত যদি বৰ্খাস্ত নকৰে বা চিলেকশন কমিটিৰ দ্বাৰা নিৰ্ব্বাচিত নহয় তেতিয়াহলে তেওঁলোকৰ চাকৰি নিয়মীয়া হৈছে বুলি ক'ব নোৱাৰি।

**Mr. Speaker :** Now, Starred Question NO. 494, Hon'ble Members, Shri Kushumber Tairai Gogoi.

## বিষয় ঃ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ উন্নতি।

**শ্ৰী কুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ**

* ৪৯৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ অন্যতম শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ তীৰ্থস্থান সদৃশ যোৰহাট নৰ্মালৰ উন্নতি আৰু বিদ্যালয় নিৰ্মাণৰ বাবে অনুদান আজি কেবা বছৰো ধৰি নিদিয়াটো সত্য নে?

(খ) যদি দিছে, কেনে ধৰণৰ অনুদান আগবঢ়াইছে, অনুগ্ৰহ কৰি জনাবনে?

(গ) যোৰহাট নৰ্মালৰ অন্তৰ্গত কেইখন অত্যাসন বিদ্যালয় আছে আৰু উক্ত বিদ্যালয় সমূহত কিমানকৈ ছাত্ৰ-ছাত্ৰী আছে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সত্য নহয়।

(খ) যোৰহাট নৰ্মাল স্কুলক দিয়া অনুমোদন এনে ধৰণৰ -

(ৱ) প্ৰসাৰগাৰ নিৰ্মাণৰ বাবে ৩,০০০.০০ টকা, নাদ নিৰ্মাণৰ বাবে ৫.০০০.০০ টকা আৰু নৰ্মাল স্কুলৰ চৌহদত মাটি পুৰাবৰ বাবে ৭,০০০.০০ টকাৰ অনুদান ১৯৮৫-৮৬ চনত দিয়া হৈছিল।

---

* Speech not corrected

(চ) নৰ্মাল স্কুলৰ আচবাবৰ বাবে পৰিকল্পনা শিতানত ২৫,০০০.০০ টকা, নগা ছাত্ৰ নিবাসৰ মেৰামতিৰ বাবে ৪,৫০০.০০ টকা আৰু নাদ নিৰ্মানৰ কাৰণে ২০,০০০.০০ টকা স্বাভাৱিক শিতানৰ পৰা ১৯৮৬-৮৭ চনত চৰকাৰী অনুদান দিয়া হৈছিল।

(ছ) ১৯৮৭-৮৮ চনত নৰ্মাল স্কুলৰ চৌহদত থকা দ ঠাইবোৰত মাটি পুৰোৱাৰ বাবে পুনৰ ৪,০০০.০০ টকা অনুদান দিয়া হৈছিল।

(গ) যোৰহাট নৰ্মাল স্কুলত মুঠ ৪ খন অভ্যাসন বিদ্যালয় আছে। ১ নং অভ্যাসন বিদ্যালয়ত ৪০ জন, ২ নং অভ্যাসন বিদ্যালয়ত ৩২, ৩ নং অভ্যাসন বিদ্যালয়ত ৬১ জন আৰু ৪ নং অভ্যাসন বিদ্যালয়ত ২৯ জন ছাত্ৰী-ছাত্ৰী আছে।

* শ্ৰী কুসুম্বৰ টাইৰাই (গঁগে) ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো প্ৰশ্ন আছিল সেইটো অসমৰ অন্যতম শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰক তীৰ্থস্থান সদৃশ বুলি কোৱা হৈছে। এই কাৰণেই তাত অসমৰ লব্ধপ্ৰতিষ্ঠিত শিক্ষক সকলে প্ৰশিক্ষণ লৈছিল। কিন্তু এতিয়া তাত যি সকল শিক্ষকে ট্ৰেইনিং লবলৈ আহে তেওঁলোকক শিক্ষাদান কৰা শিক্ষক সকল প্ৰশিক্ষণপ্ৰাপ্ত হয় নে নহয়। ১০ বছৰ আগৰ কথা, এই স্কুলৰ মেৰামতিৰ কাৰণে যিখিনি সাহায্য আগবঢ়াইছিল তাৰ বাহিৰে আৰু দিয়া হোৱা নাই। মই অনুৰোধ জনাইছো সাহায্য আগবঢ়াব লাগে। আৰু 'গ' প্ৰশ্ন মতে এই অভ্যাসন বিদ্যালয় যি কেইখন আছে তাত থকা শিক্ষক সকলক প্ৰশিক্ষণপ্ৰাপ্ত হয় নে নহয়?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট নৰ্মাল স্কুলত থকা ৪ খন অভ্যাসন বিদ্যালয়ৰ ভিতৰত ১ নং আৰু ২ নং বিদ্যালয় দুখন গ্ৰাণ্ট পৰ্য্যায়ৰ। সেই স্কুল দুখনত মুঠ ৪ জন শিক্ষক আছে। আনহাতে ৩ নং ৪ নং অভ্যাসন বিদ্যালয় দুখন মজলীয়া পৰ্য্যায়ৰ আৰু সেই দুখন বিদ্যালয়ত ১০ জন শিক্ষক আছে। এই গোটেই শিক্ষকখিনি প্ৰশিক্ষণপ্ৰাপ্ত হয় নে নহয় এই তথ্য মোৰ হাতত নাই।

* শ্ৰী কুসুম্বৰ টাইৰাই (গঁগে) ঃ যোৰহাট নৰ্মালৰ অন্তৰ্গত কেইখন অভ্যাসন বিদ্যালয় আছে। তাত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আছে নে নাই?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশিক্ষণৰ কাৰণে যি সকল

* Speech not corrected

তালৈ আহে সেই সকলক নৰ্ম্মাল প্ৰেকৃটিচিং স্কুলত প্ৰশিক্ষণ দিয়া হয়।

* **শ্ৰী কুসুম্বৰ টাইৰাই (গগৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু অসমৰ বিভিন্ন ঠাইৰ পৰা ১০/২০ বছৰ অভিজ্ঞতা থকা শিক্ষক সকল এই যোৰহাটনৰ্ম্মালৰ অন্তৰ্গত অত্যাসন বিদ্যালয়লৈ প্ৰশিক্ষণ লবলৈ আহে অথচ সেই বিদ্যালয়ত থকা প্ৰশিক্ষণ দিয়া শিক্ষক সকল প্ৰশিক্ষণ প্ৰাপ্ত নহয়। এইটো কেনে বিসঙ্গতিপূৰ্ণ কথা? গতিকে এই শিক্ষক সকলকো সম্পূৰ্ণ প্ৰশিক্ষণ দিয়াৰ কাৰণে অনুৰোধ জনাইছো আৰু এই উৰলি যোৰা নৰ্ম্মাল বিদ্যালয় খনৰ ঘৰ দুৱাৰ নিৰ্ম্মানৰ কাৰণে সাহাৰ্য্য আগবঢ়াবলৈ অনুৰোধ জনাইছো।

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত ৬০ হাজাৰতকৈও অধিক শিক্ষক আছে। তেওঁলোক সকলোৱে প্ৰশিক্ষণপ্ৰাপ্ত নহয় আৰু সেই কাৰণেই ৰাষ্ট্ৰীয় পৰ্য্যায়ত আমাৰ সমগ্ৰ ৰাজ্যখনেই শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি আছে। এতিয়া পৰ্য্যায়ক্ৰমে সকলো শিক্ষকে প্ৰশিক্ষণ দিয়াৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। আন এটা ব্যৱস্থা কৰা হৈছে সেইটো হ'ল উদৰবন্ধ আৰু চামুগুৰিত যি প্ৰশিক্ষণ দিয়া অনুস্থান আছে তাৰো উন্নতি-কৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে নৰ্ম্মাল স্কুলৰ এই উন্নয়নৰ কাৰণে ব্যৱস্থা লোৱা হ'ব। অৱশ্যে এই ব্যৱস্থা পূজিৰ সাপেক্ষেহে কৰা হ'ব।

## Re. : Up-gradation of Schools.

**Shri Ramendra Dey** asked :

* 495. Will the Minister, Education be pleased to state :

(a) Whether Bhanga Public School and Mahadev High School under Karimganj District will be up-graded as Higher Secondary?

(b) The percentage of O.B.C. and Scheduled Caste students reading in Bhanga High School at present?

(c) What is the percentage of O.B.C. and Scheduled Caste students reading in Mahadev High School?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

---

* Speech not corrected

(ক) সম্প্ৰতি এনে কোনো প্ৰস্তাৱ নাই।

(খ) প্ৰাপ্ত তথ্য মতে ভাঙ্গা পাব্লিক হাইস্কুলত অন্যান্য পিচপৰা জাতি আৰু অনসূচিত জাতিৰ ছাত্ৰৰ সংখ্যা ক্ৰমে ৫৫ আৰু ৫৫ শতাংশ।

(গ) প্ৰাপ্য তথ্যমতে মহাদেৱ হাইস্কুলত অন্যান্য পিচপৰা জাতি আৰু অনুসূচিত জাতিৰ ছাত্ৰীৰ সংখ্যা ক্ৰমে ২৬.১ শতাংশ।

* শ্ৰী ৰমেন্দ্ৰ দে ঃ স্যার, মহাকাল ডেভলপমেন্ট কাকই বোধহয় আসামের একমাত্র ব্লক যেখানে কোন হাইস্কুলই আজ পর্য্যন্ত হাইয়ার সেকেণ্ডারী স্কুল হিসাবে উন্নতি হয় নি। এই ব্লকের ভাঙ্গা হাইস্কলে পিচপরা জাতি এবং অনুসূচিত জাতির ছাত্র-ছাত্রীর সংখ্যা প্রায় শতকরা ৭৩ ভাগ এবং মহাদেব হাইস্কুলে শতকরা ৭ জন ছাত্র-ছাত্রীও ঐ সম্প্রদায়ভূক্ত। সুতরাং অনুন্নত শ্রেণীর ছাত্রদের কথা বিবেচনা করে ভাঙ্গা এবং মহাদেব হাইস্কুলকে হাইয়ার সেকেণ্ডারী স্কুল হিসাবে আপগ্রেড করার ব্যবস্থা করবেন কি?

* শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়, পুঁজিৰ অভাবৰ বাবে ১৯৮৭-৮৮ চনৰ বিভিন্ন বছৰত কোনো হাইস্কুল উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিব পৰা নগ'ল। চলিত বিত্তীয় বছৰতো পুঁজিৰ অভাৱত তেনে কোনো আঁচনি লব পৰাৰ আশা কম। পুঁজিৰ অভাব আৰু শিক্ষকৰ অভাৱৰ কাৰণে এই দুটা কাৰণত আমি উচ্চতৰ মাধ্যমিক স্কুললৈ উন্নিতকৰণ কৰিবলৈ সদ্যহতে অসুবিধা হৈছে কাৰণেই কোনো ব্যৱস্থা লব পৰা নাই। অৱশ্যে জুনিয়ৰ কলেজৰ দুবছৰীয়া পাঠ্যক্ৰম কৰিব খোজোতা ইতিমধ্যে কেতবোৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা হৈছে আৰু হাইস্কুল উচ্চতৰ মাধ্যমিক স্কুললৈ উন্নিতকৰণ কৰা ক্ষেত্ৰত এটা পৰিকল্পিত ব্যৱস্থা আৰু চিন্তাৰে কৰিলে ভাল হ'ব। সেই কাৰণে ফিফ্থ এডুকেশন চাৰ্ভে এটা নীতি নিৰ্ধাৰণ চলি আছে সমগ্ৰ অসমৰ স্কুল বিলাকৰ এটা চাৰ্ভে হৈ আছে। এই চাৰ্ভেতো সম্পূৰ্ণ হোৱাৰ পাচত এই বিষয় বিলাক আমি পৰিকল্পিত ভাৱে লব পাৰিম আৰু মাননীয় সদস্য গৰাকীয়ে কৰা প্ৰশ্নটো বিবেচনা কৰা হ'ব।

* শ্ৰী ৰমেন্দ্ৰ দে ঃ ভাঙ্গা হাইস্কুলে ৪ টি বিষয়ে কোয়ালিফাইট টিচার রয়েছে। হাইয়ার সেকেণ্ডারী স্কুলের যে একটা বিরাট গেপ রয়েছে যেমন করিমগঞ্জ নর্থে ৬ টি,

* Speech not corrected

সাইথে ৫ টি যদিও আরো প্রয়োজন আছে, রামকৃষ্ণ নগরে ২টি (আরও প্রয়োজন আছে) এবং পাথারকান্দিতে ২টি হাইয়ার সেকেণ্ডারী স্কুল রয়েছে। কিন্তু বদরপুরে একটিও হাইয়ার সেকেণ্ডারী স্কুল থাকবে না এটা কেমন কথা? সুতরাং এ বিষয়ে বিবেচনা করবেন বলে আশা করছি।

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ লগত মইও একমত যে পৰিকল্পনাত স্কুলবিলাক উচ্চতৰ মাধ্যম কৰা নাই। একে বছৰতে ১১৯ খন স্কুল উচ্চতৰ মাধ্যমলৈ নিয়া হোৱা নাছিল। ফলস্বৰূপে এই বিদ্যালয় সমূহ বঞ্চিত হৈছে। ইংৰাজী মাধ্যমত ৯৪ জন প্ৰাৰ্থীৰ প্ৰয়োজন। ১৬৩ জন মজলীয়া শিক্ষক লাগে। এই ক্ষেত্ৰত প্ৰয়োজনত পিচ পৰি আছে। মাননীয় সদস্য গৰাকীয়ে শিক্ষক আছে বুলি কৈছে। এখন বিদ্যালয়ত চায়েন্স হ'ব নে আৰ্টচ হ'ব সেইটো চাব লাগিব। এই গোটেই বিলাক কথা সামগ্ৰীক ভাৱে চাব লাগিব।

* **শ্ৰী দূৰ্গা দাস বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ দে ডাঙৰীয়াৰ দৰে মইও দুৰ্ভগীয়া। কাৰণ, মোৰ তাত হায়াৰ চেকেণ্ডাৰী স্কুল নাই। আগৰ চৰকাৰে দৰদ দেখুৱাইছিল। এখন হায়াৰ চেকেণ্ডাৰী স্কুল দিয়াৰ প্ৰয়োজনীয়তা বোধ নকৰিলে। সেইটো সম্পূৰ্ণ জনজাতীয় অঞ্চল। আজি আঢ়ৈ বছৰেও চৰকাৰে সেইটো চিন্তা নকৰিলে। দ্বিতীয়তঃ অসমৰ বহুত ঠাইত হাইয়াৰ চেকেণ্ডাৰী স্কুল দিয়া হৈছে। সেইবিলাকত হায়াৰ চেকেণ্ডাৰী স্কুল হোৱাৰ উপযুক্ত পৰিবেশ নাই। আজিলৈকে কলেজ খুলিব পৰা নাই। এইক্ষেত্ৰত চৰকাৰে দৰদ দিব নেকি?

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এতিয়া দৰদ দি মই লৰা-ছোৱালীৰ অসুবিধাৰ সৃষ্টি নকৰো। স্কুল বিলাকত বিল্ডিং, লেব'ৰেটৰি আদি দিব পৰা নাই। সেইবিলাক কৰাৰ পিচতহে ব্যৱস্থা লব পাৰিম।

**Mr. Speaker :** Starred Question No 496, Hon'ble Member Shri Abdul Jabbar.

**বিষয় ঃ চাউলখোৱাত হত্যাকাণ্ড।**

**শ্ৰী আব্দুল জব্বৰে সুধিছে ঃ**

* ৪৯৬। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাউলখোৱাৰ সামপ্ৰতিক হত্যাকাণ্ডৰ সন্দৰ্ভত ভাৰতৰ গৃহ মন্ত্ৰীলৈ চৈয়দ

---

* Speech not corrected

ছাহাবুদ্দিনৰ চিঠি - এই শিৰোনামাত ১২-১৮ ফেব্ৰুৱাৰী, ১৯৮৮ সাপ্তাহিক মুজাহিতত প্ৰকাশ পোৱা চিঠিৰ মৰ্মে ভাৰত চৰকাৰে অসম চৰকাৰক কিবা নিৰ্দ্দেশ দিছে নেকি?

(খ) যদি দিছে কি নিৰ্দ্দেশ দিছে?

(গ) যদি দিয়া নাই এই সন্দৰ্ভত অসম চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

শ্ৰী ভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) তেনে কোনো নিৰ্দ্দেশ দৃষ্টিগোচৰ হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) এই বিষয়টো তদন্ত কৰিবৰ বাবে আৰক্ষী (অপৰাধ অনুসন্ধান) বিভাগক নিৰ্দ্দেশ দিয়া হৈছে। আৰু সেই অঞ্চলত আইন শৃংখলা ৰক্ষাৰ কাৰণে সকলো ব্যৱস্থা ল'বলৈ উপায়ুক্তক কোৱা হৈছে।

* শ্ৰী আব্দুল জব্বৰ ঃ অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল এই বিষয়ৰ ওপৰত যি অসুবিধা হ'ব প্ৰশ্ন বুজিবলৈও অসুবিধা হ'ব।

**Mr. Speaker :** Not allowed, only you can ask supplementaries.

* **শ্ৰী আব্দুল জব্বৰ** ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে অনুসন্ধান কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু নিৰাপত্তাৰ খাতিৰত উপায়ুক্তক জনোৱা হৈছে। মই প্ৰশ্ন কৰিব খোজো যে এই চিঠিত চৈয়দ চাহাবুদ্দিন হত্যাকাণ্ডত জৰিত হৈ আছে। পুলিচ বিভাগে অনুসন্ধান কৰিবনে? ডি.চি.ক দিয়াটো বহুত দিন হৈছে। ডি.চিয়ে ব্যৱস্থা লৈছে নে নাই? যদি লোৱা নাই চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা ল'ব নে? অনুসন্ধাৰ কাৰণে চি.বি.আই.ৰ ব্যৱস্থা কৰিব নেকি?

* শ্ৰী ভৃগু **কুমাৰ ফুকন** (গৃহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, চাউলখোৱা চাপৰিৰ গোটেইখিনি কৃষি উপযোগী মাটি। দৰং জিলাৰ বিভিন্ন অঞ্চলৰ বিভিন্ন সম্প্ৰদায়ৰ শিক্ষিত নিবনুৱা যুৱকে যোৱা ১৯৮৬ চনৰ শেষ ভাগত সংগঠিত হৈ অসমী কৃষি সমবায় নামাকৰণেৰে এখন সমবায় সমিতি গঠন কৰি উক্ত চৰ অঞ্চলৰ পতিত মাটিৰ খেতি কৰিছিল। সমিতিৰ সদস্য সকলে সমিতিৰ উৎপাদন বৃদ্ধিৰ বাবে বেছি কৃষি উপযোগী পতিত মাটিত খেতি কৰাৰ পৰিকল্পনা কৰিছিল। তেওঁলোকে মঙ্গলদৈ থানাৰ অন্তৰ্গত খেৰাতলি (ঢাৰিয়াখাইটি) গাৱঁৰ সত্য মেধি নামৰ এজন খেতিয়কৰ

* Speech not corrected

এটুকুৰা পতিত মাটিত খেতি কৰাৰ উদ্দেশ্যে তাত প্ৰথমে দুটা খেৰৰ ঘৰ তৈয়াৰ কাম হাতত লৈছিল।

যোৱা ২৪-১-৮৮ ইং তাৰিখে প্ৰায় ১১-৩০ বজাত উক্ত সমবায় সমিতিৰ প্ৰায় ৪০ জন মান সদস্যই উক্ত মাটি টুকুৰাত দুটা ঘৰ উঠোৱা কাম কৰি থাকোতে বহুসংখ্যক প্ৰব্ৰজনকাৰী মুছলমান সম্প্ৰদায়ৰ লোকে ধনুকাৰ, দাও আদিৰ নিচিনা মাৰাত্মক অস্ত্ৰেৰে সজ্জিত হৈ ঘৰ তৈয়াৰ কৰা কাৰ্য্যত বাধা প্ৰদান কৰাৰ উদ্দেশ্যে আক্ৰমন কৰিছিল। তেওঁলোকে মাটি টুকুৰা তেওঁলোকৰ বুলি দাবী কৰিছিল যদিও কোনো প্ৰমান পত্ৰ দিব পৰা নাছিল। উক্ত ঘটনাৰ খবৰ পাই নিকটবৰ্ত্তী অতিৰিক্ত পুলিচ চকীৰ পৰা পুলিচ বাহিনী ঘটনাস্থলীত উপস্থিত হৈছিল আৰু দুয়োটা দলকে খেদি পঠিয়াইছিল।

উক্ত ঘটনাক কেন্দ্ৰ কৰি গোটেই অঞ্চলটোৱে মানুহেৰে ভৰি পৰিছিল আৰু এটা অৰাজক অৱস্থাৰ সৃষ্টি হৈছিল। তেতিয়াই খগেন বড়া এজন চিপাহীয়ে তেওঁৰ পিঠিত এটা গধুৰ বস্তুৰ আঘাত পাইছিল। যেতিয়া পুলিচে জনতা দলটোক খেদি পঠিয়াবলৈ চেষ্টা কৰিছিল তেতিয়াই কিছুমান দুস্কৃতিকাৰীয়ে সাম্প্ৰদায়িক সংঘৰ্ষ লগোৱাৰ উদ্দেশ্যে তিনিটা বন্দুকৰ গুলি ফুটাইছিল। উন্মত্ত জনতাক শান্ত কৰাৰ পিচত পুলিচে ১৯ নং চাউলখোৱা গাৱঁৰ অনিল। পিতা জয়নাল আবেদিন আৰু নাহাৰ আলি, পিতা কামাৰুদ্দিন নামৰ দুজন লোকৰ জখম হোৱা অৱস্থাত পাইছিল।

পাচত চাউলখোৱাত থকা কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনী শিবিৰত ঘটনাটো সম্পৰ্কে জনোৱা হৈছিল আৰু পৰিস্থিতি আয়ত্বাধীন কৰিবলৈ কোৱা হৈছিল। আহতলোক দুজনক চিকিৎসাৰ বাবে মঙ্গলদৈ অসামৰিক চিকিৎসালয়লৈ অনা হৈছিল আৰু এজনক প্ৰাথমিক চিকিৎসা কৰি যাবলৈ দিয়া হৈছিল। অনিল বৰাক গুৱাহাটী মেডিকেল কলেজলৈ চিকিৎসাৰ বাবে পঠিওৱা হৈছিল আৰু যোৱা ২৪-১-৮৮ ইং তাৰিখে তেওঁৰ মৃত্যু হৈছিল।

ঘটনাটোৰ অনুসন্ধানৰ বাবে জিলাখনৰ উচ্চপৰ্যায়ৰ বিষয়াসকল ঘটনাস্থলীলৈ গৈছিল। উক্ত ঘটনাৰ সম্পৰ্কত মঙ্গলদৈ থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৭/১৪৮/১৪৯/৩২৪/৩০২ ধাৰাত ৭/৮৮ মোকৰ্দমা এটা পঞ্জীভূক্ত কৰা হৈছিল আৰু ঘটনা তদন্ত কৰা হৈছিল। তদন্তত এইটো প্ৰকাশ পাইছিল চাউলখোৱা অঞ্চলত

* Speech not corrected

সাম্প্রদায়িক অশান্তি সৃষ্টি কৰাৰ কিছুমান অসামাজিক শক্তি সক্রিয় হৈ উঠিছে। আগলৈ যাতে তেনেকুৱা অশান্তিৰ সৃষ্টি হ'ব নোৱাৰে তাৰ বাবে জিলা কর্তৃপক্ষই দুয়োটা দলকে মাটি টুকুৰাত প্রবেশ কৰাত বাধা আৰোপ কৰিছে। যিকিনহওক ভৱিষ্যতে যাতে এনেকুৱা ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে লবলগীয়া সকলো ব্যৱস্থা লোৱা হৈছে।

চাউলখোৱা চৰ অঞ্চলটো ৰাজনৈতিক কার্য্যকলাপৰ বাবে এখন উত্তপ্ত মঞ্চ হৈ পৰিছে। ৰাজনৈতিক দলবোৰে বিশেষকৈ সংযুক্ত সংখ্যালঘু মর্চা আৰু কংগ্রেছ (আই) যে চৰ অঞ্চলৰ ঘটনাটোক কমবেছি পৰিমানে তেওঁলোকৰ ৰাজনৈতিক লাভৰ বাবে ব্যৱহাৰ কৰিছে। তেওঁলোকে সংখ্যালঘু সম্প্রদায়ক সংখ্যাগৰিষ্ঠ সম্প্রদায়ৰ বিৰূদ্ধে উচটাইছে।

উক্ত ঘটনাৰ পৰা দেখা যায় যে শ্রী চৈয়দ চাহাবুদ্দিনে পুলিচৰ সহায়ত অসমীয়া যুৱকে সংখ্যালঘু সম্প্রদায়ৰ আক্রমণ কৰা বুলি দিয়া অভিযোগ পত্রখন সম্পূর্ণ ভিত্তিহীন।

**Mr. Speaker :** Starred Question No. 497, Hon'ble Member Shri A.F. Golam Osmani.

## Sub : Post Graduate Degree in Colleges

**Shri A.F. Golam Osmani** asked :

* 497. Will the Minister, Education be please to state :

(a) The description of Colleges imparting under Graduate and post Graduate degrees who were given lump sum grants in 1986-87?

(b) The description of the colleges imparting graduate and post-graduate degrees that received building grants in 1986-87 and 1987-88?

(Please state the sums received by the colleges respectively)

**শ্রী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত থুলমুল অনুদান দিয়া মহাবিদ্যালয় সমূহৰ

---

* Speech not corrected

তালিকা সদনৰ মেজত দিয়া হৈছে। টকাৰ সংখ্যাও তাতে দেখুৱা হৈছে। (See Annexure-I)

(খ) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত গৃহ নিৰ্ম্মাণ অনুদান (Building Grant) দিয়া মহাবিদ্যালয় সমূহৰ নাম সদনৰ মেজত দিয়া হৈছে। টকাৰ সংখ্যাও তালিকাত দেখুৱা হৈছে। (See Annexure-II)

* **Shri A.F. Golam Osmani :** May I know from the Hon'ble Minister at what level, at whose suggestions these selections are made?

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ গৃহ নিৰ্ম্মাণৰ গ্ৰেন্ট বিলাক দিওঁতে বিভাগীয় ভাবে বিবেচনা কৰি দিয়া হৈছে। প্ৰত্যেক খন মহাবিদ্যালয়কে ৫০ হেজাৰ টকা দিয়া হৈছে। কোনো মহাবিদ্যালয়কে বাদ দিয়া হোৱা নাই। সেই টকা বিলাক বিভাগীয় ভাবে পৰ্য্যালোচনা কৰি অনুসন্ধান কৰা হ'ব।

* **Shri A.F. Golam Osmani :** Are we to understand that all these colleges are given the grants at par and universally?

* **শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মহাবিদ্যলায় সমূহত যথেষ্ট অসুবিধা আছে আৰু গোটেই বিলাক মহাবিদ্যালয়ত পূৰণ কৰাটো সম্ভব নহয়। গতিকে তালিকা সমূহ প্ৰস্তুত কৰোতে চায়েন্স গ্ৰেন্টৰ লগতে অন্যান্য সা-সুবিধা যেনে ছাত্ৰাবাস, জিৰণি কোঠা আদি অন্তৰ্ভূক্ত কৰা হৈছে। বিভিন্ন কলেজ সমূহে দিয়া আবেদনৰ ওপৰত বিভাগীয় ভাবে আমি ব্যৱস্থা লম।

(Starred Question No. 498 to 501 could not be taken up for disposal as the question hour was over. However the said questions deemed to have been laid on the table of the House with replies thereto)

## Sub : Adhoc Grants to Schools

**Shri Monilal Goala** asked :

* 498. Will the Minister, Education be pleased to state :

(a) Whether the Govt. proposes to enhance the Adhoc grants of the M.E. and H.E. Schools considering the price hike?

* Speech not corrected

(b) If so, would the Govt. kindly state the proposal rate stagewise in these category of shool?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) এখন বিদ্যালয়ে বিভাগীয় স্বীকৃতি পালে তদৰ্থ মঞ্জুৰী বৃদ্ধি কৰা ব্যৱস্থা চৰকাৰে কৰা নাই।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ অৱহেলিত প্ৰাক প্ৰাথমিক শিক্ষা।**

**শ্ৰী দেবকুমাৰ বৰাই সুধিছে ঃ**

* ৪৯৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাক, প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত অৱহেলিত অৱস্থাৰ বাবে শিক্ষাৰ পৰিবেশ বাধাপ্ৰাপ্ত হৈ আছে বুলি চৰকাৰ অবগতনে?

(খ) যদি অৱগত প্ৰাক্‌প্ৰাথমিক শিক্ষাৰ বিষয়টোৰ বাস্তৱ কাৰ্য্যসূচী গুৰুত্ব সহকাৰে নতুনকৈ চৰকাৰী ভাবে আনুস্থানিক আয়োজন কৰাৰ সম্ভাৱনা আছে নেকি?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাক্‌প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ আশানুৰূপ নোহোৱা কাৰণেই শিকাৰ পৰিবেশ বাধাগ্ৰস্থ হৈছে বুলি কব নোৱাৰি।

(খ) চৰকাৰে এই বিষয়ে সক্ৰিয় বিবেচনা কৰি আছে।

**বিষয় ঃ গোলাঘাটত পানী যোগান।**

**শ্ৰী দেবেশ্বৰ বৰাই সুধিছে ঃ**

* ৪০০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট পৌৰ সভা এলেকাত পানী যোগানৰ বাবে জনস্বাস্থ্য বিভাগত কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, উক্ত আঁচনি কেতিয়াৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা লব আৰু উক্ত আঁচনিৰ ক্ষেত্ৰত কিমান টকাৰ প্ৰাক কলন প্ৰস্তুত কৰিছে?

**শ্ৰী দিগেন চন্দ্ৰ বৰা** (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, এখন আঁচনি বিবেচনাধীন হৈ আছে।

---

* Speech not corrected

(খ) প্ৰশাসনিক অনুমোদন আৰু পুঁজি আৱন্তন পোৱাৰ পিছত আঁচনিখন কাৰ্য্যকৰি কৰিব পৰা হ'ব। প্ৰাক্ কলন মূল্য ৪.১৮ কৌটি টকা।

**বিষয় ঃ প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি।**

**শ্ৰী ৰত্নেশ্বৰ সৰকাৰে** সুধিছে ঃ

* ৫০১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত চলি থকা প্ৰাপ্ত বয়স্ত শিক্ষা আঁচনিখন অসম চৰকাৰৰ নে কেন্দ্ৰীয় চৰকাৰৰ?

(খ) উক্ত শিক্ষা আঁচনিৰ অধীনস্থ পৰ্য্যবেক্ষক সকলৰ দৰমহাৰ নিৰিখ কি?

**শ্ৰী বৃন্দাবন গোস্বামী** (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ দুয়োৰে আঁচনি চলি আছে।

(খ) প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনিৰ অধীনত কাম কৰা পৰ্য্যবেক্ষক সকলে মাহে ৫০০ (পাচশ) টকা নিৰ্দ্ধাৰিত দৰমহা আৰু ১৫০ (একশ পঞ্চাশ) টকাকৈ নিৰ্দ্ধাৰিত ভ্ৰমন বান পায়।

## UNSTARRED
## QUESTON AND ANSWERS

### Subject : Number of Excise Superintendent

**Shri Abul Rob Laskar** asked :

943. Will the Minister, Excise be pleased to state :

(a) Total number of posts of Excise Superintendent in the State of Assam?

(b) The number of posts of Superintendent of Excise are vacant in the State and since when?

(c) Steps taken by the Govt. for filling up those vacant posts of Superintendent?

**শ্ৰী ভৃগু কুমাৰ ফুকন** (আৱকাৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৭ টা

(খ) ১০ টা। প্ৰতিটোপদ খালি হোৱাৰ তাৰিখ দেখুৱাই এখন প্ৰাবিকবন সদনত

দাখিল কৰিবলৈ গাঠি দিয়া হ'ল। (See Annexure-III)

(গ) খালি পদ সমূহ পূৰণৰ কাৰণে আৱকাৰী বিভাগে ব্যৱস্থা লৈ আছে।

**বিষয় ঃ ইটাৰ ভাটা খোলাৰ অনুমতি**

**শ্ৰী মচিৰউদ্দিন শ্বেখে সুধিছে ঃ**

৯৪৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কেবাটাও ইটাৰ ভাটা খুলিবলৈ জিলা কৰ্তৃপক্ষই অনুমতি প্ৰদান কৰাটো সচানে?

(খ) যদি সচা চৰকাৰে উক্ত ভাটাবোৰৰ পৰা ওলোৱা ধোৱাৰ দ্বাৰা দূষিত কৰণ হোৱা বায়ুৰ পৰা ওচৰৰ ঘন বসতিপূৰ্ণ এলেকাৰ লোকৰ অস্বাস্থ্যকৰ পৰিবেশৰ পৰা ৰক্ষাৰ হেতু উক্ত ইটা ভাটাবোৰ বন্ধ কৰি দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী দীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গৌৰীপুৰ চহৰৰ ২য় খণ্ডত জিলা কৰ্তৃপক্ষই কোনো ধৰণৰ ইটা ভাটা খুলিবৰ কাৰণে অনুমতি দিয়া নাই।

(খ) ইটা ভাটাবোৰত কাঠৰ পৰিবৰ্তে কয়লা ব্যৱহাৰ কৰি নগৰৰ জলবায়ু দূষিত কৰণ কৰাৰ বাবে আপত্তি অহাত জিলা কৰ্তৃপক্ষই (উপায়ুক্ত) গৌৰীপুৰ টাউন কমিটিক ৩১-৩-৮৮ ৰ পৰা ইটাৰ ভাটাৰ অনুমতি পত্ৰ নবীকৰণ নকৰাৰ নিৰ্দেশ দিছিল।

**বিষয় ঃ পানী যোগান আঁচনি**

**শ্ৰী ইউছুফ আলী আহমেদে সুধিছে ঃ**

৯৪৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিলাসীপাৰা উপ-সংমণ্ডল (পি, এইচ, চি) অন্তৰ্গত কিমানটা পানী যোগান আঁচনি আজিলৈকে গ্ৰহণ কৰিছে আৰু কোন কোন ঠাইত?

(খ) তাৰ ভিতৰত কেইটা আঁচনি সম্পূৰ্ণ হৈছে।?

(গ) যদি লোৱা হোৱা নাই, তেনেহলে অহা ১৯৮৮-৮৯ চনৰ বিত্ৰীয় বছৰত অন্তত এটাকৈ আঁচনিলৈ চৰ অঞ্চলৰ গাওঁৰ পানী যোগানৰ বিশেষ আঁচনি লব নেকি?

**শ্ৰী দীগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) তলত উল্লেখ কৰা ঠাইবোৰত ৪১ টা পাইপ পানী যোগান আঁচনি গ্ৰহণ কৰা হৈছে।

১) বগৰী বাৰী, ২) খান বাৰী, ৩) ৰানীগঞ্জ, ৪) মহামায়া, ৫) বাউকীমৰী, ৬) গোবৰ্দ্ধন পাৰা, ৭) অনাগড় কাটা, ৮) লক্ষীগঞ্জ, ৯) সালকোচা, ১০) পূৰাণবাজাৰ, ১১) বহল পুৰ, ১২) শ্ৰীগ্ৰাম, ১৩) হাকামা, ১৪) পলাশগুৰী, ১৫) সত্যপুৰ, ১৬) হাতীপোতা, ১৭) উদমাৰী, ১৮) গৌৰাঙ্গতাৰী, ১৯) ঘুণঘুণীখাতা, ২০) বঙালীপাৰা, ২১) চাপৰ, ২২) ৰৌমাৰী, ২৩) ফলীমাৰী গাওঁ, ২৪) চৈখাৰী হিন্দুপাৰা, ২৫) খৰিদা গোসাই গাওঁ, ২৬) ভকত পাৰা, ২৭) কদমতলা, ২৮) বামুণ পাৰা, ২৯) চোট গিৰি গাওঁ, ৩০) ফকিৰাণীজাৰ, ৩১) শলমাৰী, ৩২) যোগীৰ মহল, ৩৩) নিদানী, ৩৪) হালাগুৰি, ৩৫) নুনমাটি পাৰ্ট-২, ৩৬) লোটাপাৰা, ৩৭) বঙালডুবা পাৰ্ট-১, ৩৮) ধৰম পুৰ, ৩৯) কচুগাওঁ, ৪০) টকাৰা বন্ধা, ৪১) তুলসীজৰা সাগৰ ফেণা।

তদুপৰি এই উপ-সংমণ্ডলৰ অধীনত ১৪০১ টা সাধাৰণ হস্তচালিত নলীনাদ ১২৯ টা প্ৰকীনাদ আৰু ৩৯ টা মাৰ্ক-২ নলীনাদ অনুমোদিত হয়।

(খ) ১৭ টা পাইপ পানীযোগান আঁচনি সম্পূৰ্ণ হৈছে আৰু ১৩৬১ টা হস্তচালিত নলীনাদ, ১২০ টা পকীনাদ, ২৭ টা মাৰ্ক-২ নলীনাদ বহুৱা হৈছে।

(গ) নলীনাদ আঁচনি লোৱা হৈছে।

(ঘ) প্ৰশ্ন নুঠে।

## Subject : F.D.R. Grants Institution

**Shri Mukter Hussain** asked :

946. Will the Minister, Education be pleased to state :

Name and description of educational institutions received F.D.R. grants in 1986-87 and 1987-88 in Barpeta district?

(Please quote the sum received by the respective institutions)

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

১৯৮৭-৮৮ Flood damage repair grants ৰ পৰা এতিয়ালৈকে বৰপেটা জিলাত গোবৰ্দ্ধন উচ্চ মাধ্যমিক বিদ্যালয়ক ১০ হাজাৰ টকা আৰু ভৱানীপুৰ

আঞ্চলিক মহাবিদ্যালয়ক ৪০ হাজাৰ টকা দিয়া হৈছে।

১৯৮৭-৮৮ চনত পোৱা গ্ৰান্টৰ বিতৰণ বাকী আছে।

**বিষয় ঃ শিক্ষকৰ (এক্সটেনডেদ স্কেল)**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৯৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কিছুমান মহকুমা শিক্ষকক (এক্সটেনডেদ স্কেল)ৰ টকা লৱলৈ দি কিছুমানক নিদিয়া ফলত নোপোৱা শিক্ষক সকলৰ পেঞ্চনৰ গ্ৰেটুৱিটিৰ টকাৰ ক্ষেত্ৰত যথেষ্ট ক্ষতিৰ সন্মুখীন হোৱাটো সঁচানে?

(খ) শিক্ষককো আইনৰ সংশোধন কৰি হলেও ক্ষতিগ্ৰস্ত হিচাবে পেঞ্চন দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) এক্সটেনডেদ স্কেল কোন ক্ষেত্ৰত প্ৰযোজ্য এই সম্পৰ্কে দৰমহা আয়োগৰ প্ৰতিবেদনত (R.O.P.) উল্লেখ আছে আৰু বিত্ত বিভাগৰ নিৰ্দ্দেশনাত আছে। সেই ভিত্তিত এক্সটেনডেদ স্কেল দিয়া হয়।

(খ) এই প্ৰশ্নৰ লগত 'ক' প্ৰশ্নৰ সম্বন্ধ নাই। আইন সংশোধনৰ কথা চিন্তা কৰা নাই।

**বিষয় ঃ বশিষ্ঠাশ্ৰমৰ ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৯৪৮। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বশিষ্ঠাশ্ৰম খন ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা চৰকাৰে কৰিছে নেকি?

(খ) যদি কৰিছে কেনে ধৰনৰ?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) আশ্ৰমখনৰ বাবে সংৰক্ষিত হৈ থকা ভুমিৰ চৌহদৰ পৰা বেদখল উচ্ছেদক্ৰমে ৰক্ষণা-বেক্ষণৰ আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**বিষয় ঃ প্ৰাদেশীকৰণ বিদ্যালয়ৰ অডিট্।**

শ্ৰী আব্দুল জলিলে সুধিছে ঃ

৯৪৯। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাদেশীকৰণ উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ বছৰে বছৰে অডিট্ কৰেনে?

(খ) নগাওঁ জিলাৰ লাহৰি ঘাট হাইস্কুলৰ অডিট্ এতিয়ালৈকে কিমান বাৰ হৈছে জনাবনে?

(গ) যদি অডিট্ হোৱা নাই, তেন্তে আগত ২ (দুই) মাহৰ ভিতৰত এই অডিট্ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বছৰে বছৰে অডিট্ কৰাৰ নিয়ম আছে যদিও কাৰ্য্যকৰী হোৱা নাই।

(খ) তদৰ্থ মঞ্জুৰী প্ৰাপ্ত কৰাত এবাৰ হিচাব পৰীক্ষা কৰা হৈছে। প্ৰাদেশিকীকৰণৰ পাচত হোৱা নাই।

(গ) যত্ন কৰা নাই।

## বিষয় ঃ গড়াখহনীয়াত ক্ষতি হোৱা পৰিয়ালৰ বাবে সাহায্য।

শ্ৰী আব্দুল জলিলে সুধিছে ঃ

৯৫০। মাননীয় সাহায্য ও পুণৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ মহকুমাৰ অন্তৰ্গত লাহৰিঘাট ৰাজহ চক্ৰত ১৯৭৮ চনৰ পৰা বৰ্ত্তমানলৈকে কিমান গাওঁ আৰু পৰিয়াল গড়া খহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। (গাওঁ হিচাবে হিচাব দিব)

(খ) কিমান গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক পুণৰ সংস্থাপন চৰকাৰে বৰ্ত্তমানলৈকে দিছে।

(গাওঁ হিচাবে হিচাব দিব)

(গ) এইটো সঁচানে লাহৰিঘাট চক্ৰত পৰ্যাপ্ত পৰিমানৰ চৰকাৰী মাটি থকা সত্বেও বাকী পৰিয়ালক পুণৰ সংস্থাপন দিয়া হোৱা নাই?

(গাওঁ হিচাবে হিচাব দিব)

শ্ৰী থানেশ্বৰ বড়ো (সাহায্য ও পুণৰ সংস্থাপন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক), (খ), (গ) আৱশ্যকীয় তথ্য পাতি মৰিগাওঁ মহকুমাধিপতিৰ পৰা বিচৰা হৈছে, এতিয়ালৈকে তথ্য সমূহ পোৱা হোৱা নাই। তথ্য পালেই উত্তৰ দিব পৰা হব।

## Re. : Free Text Book of Arabic

**Sheikh Abdul Hamid** asked :

951. Will the Minister, Education be pleased to state :

Total number of free text books on Arabic for Class-V, VI & VII provided all over the State by the Government for 1986, 1987 and 1988?

শ্ৰী যতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

সংখ্যা তলত দিয়া ধৰণৰ -

| | V আৰু VI | | | VII | | |
|---|---|---|---|---|---|---|
| ১৯৮৫-৮৬ | অসমীয়া | - | ৭,০০০ | অসমীয়া | - | ৬০০ |
| | বঙালী | - | ৫,০০০ | | | |
| ১৯৮৬-৮৭ | অসমীয়া | - | ১৩,০০০ | অসমীয়া | - | ১৬,০০০ |
| | বঙালী | - | ২,০০০ | | | |
| ১৯৮৭-৮৮ | অসমীয়া | - | ২,২০০ | অসমীয়া | - | ৫,৩৯৫ |
| (এতিয়ালৈকে) | বঙালী | - | ৭,০০০ | | | |

## Re. : Number of B.T.C.

**Shri Ramendra De** asked :

952. Will the Minister, Education be please to state :

(a) The total number of basic Training Centre in the State?

(b) The number of employees working those centre?

(c) Whether the Grade-IV staff has the quarter facility in the respective centres?

(d) If it a fact that there is no drinking water facility and electric light facility in the Basic Training Centre, Kaliganj under Karimganj District for which trainees (teacher) and staff are

facing difficulties?

(e) If so, where Govt. will take steps in this regard?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২৩ খন।

(খ) ৩৪১ জন কৰ্ম্মচাৰী।

(গ) সকলোবোৰ কেন্দ্ৰত আৱাস গৃহৰ ব্যৱস্থা নাই।

(ঘ) খোৱা পানীৰ ব্যৱস্থা নথকাটো সচা নহয়, কিন্তু বিজুলী বাতিৰ ব্যৱস্থা নাই।

(ঙ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

## Re. : O.B.C. Scholarship

**Shri Ramendra De** asked :

952. Will the Minister, Education be pleased to state :

The number of students belonging O.B.C. and M.O.B.C. applied through the Principal, Karimganj College, Rabindra Sadan College and N.C. College under Karimganj District during the year 1986-87 and 1987-88 for O.B.C. scholarship?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত অন্যান্য পিচপৰা সম্প্ৰদায়ৰ জলপানিৰ বাবে কৰিমগঞ্জ জিলাৰ প্ৰশ্নত উল্লেখিত মহাবিদ্যালয় কেইখনৰ অধ্যক্ষৰ যোগে আবেদন কৰা OBC আৰু MOBC শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰাপ্ত তথ্যমতে এনে ধৰণৰ

কৰিমগঞ্জ মহাবিদ্যালয়

| ১৯৮৬-৮৭ | | ১৯৮৭-৮৮ | |
|---|---|---|---|
| OBC | = ৪৭ | OBC | = ৩১ |
| MOBC | = ৭ | MOBC | = ৮ |

ৰবীন্দ্ৰ সদন মহাবিদ্যালয়

| ১৯৮৬-৮৭ | | ১৯৮৭-৮৮ | |
|---|---|---|---|
| OBC | = ১৫ | OBC | = ৭ |

MOBC = নাই

এন চি মহাবিদ্যালয়

১৯৮৬-৮৭

OBC = ৮

MOBC = ৬

MOBC = নাই

১৯৮৭-৮৮

OBC = ৭

MOBC = ১

## Re. : Visit of G.N.L.F Leader

**Shri Ramendra De asked :**

954. Will the Minister, Home be pleased to state :

(a) Whether G.N.L.F. leader Mr. Subhas Ghising has visited Assam and stayed in a Hotel of Guwahati in the last part of February, 1986?

(b) If so, whether Govt. is aware above the purpose of his Assam visit?

(c) Whether during his visit he met some Union Minister who came to Guwahati to attend Congress Seminer which was held on 24th to 27th February, 1988?

(d) Whether Govt. is aware that Mr. Ghishing attended the Congress Seminer during his visit?

**শ্ৰী ভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৬ চনৰ ফেব্ৰুৱাৰী মাহত জি, এন, এল, এফ, নেতা শ্ৰী সুভাষ ঘিচিঙে অসম ভ্ৰমণ কৰা বাতৰি অসমৰ চৰকাৰৰ হাতত নাই, কিন্তু ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহৰ শেষৰ ভাগত তেখেত গুৱাহাটীলৈ আহিছিল।

(খ) নাজানে।

(গ) (ঘ) তেনে খবৰ চৰকাৰৰ লগত নাই।

## Re. : Registration of criminal cases in the Badarpur Police station.

**Shri Ramendra De asked :**

955. Will the Minister, Home be pleased to state :

(a) The total number criminal case registered in the Badarpur Police station during the year 1985 to 1988? (Show the cases Yearwise)

(b) Total number of cases forwarded to the court?

(c) Total number of criminals convicted by the court?

শ্ৰী ভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বদৰপুৰ আৰক্ষী থানাত ১৯৮৫ চনত ২০১ টা, ১৯৮৬ চনত ২১১ টা, ১৯৮৭ চনত ১৬৬ টা আৰু ১৯৮৮ চনত ৪২ টা গোচৰ ৰুজু কৰা হৈছে।

(খ) উক্ত গোচৰ সমূহৰ ভিতৰত ১৯৮৫ চনত ১০০ টা, ১৯৮৬ চনত ৮১ টা, ১৯৮৭ চনত ৭২ টা আৰু ১৯৮৮ চনত ১০ টা গোচৰৰ অভিযোগ পত্ৰ আদালতত দাখিল কৰা হৈছে।

(গ) ১৯৮৫ চনত দুজনক আৰু ১৯৮৬ চনত এজনক আদালতে দোষী প্ৰমানিত হোৱাৰ শাস্তি বিহিছে।

## Re. : Number of Gun lincences

**Shri Abdul Jabbar** asked :

956. Will the Minister, Home be pleased to state :

(a) How many gun licences were issued in Darrang District in 1986-87 and 1987-88?

(b) How many of them were issued to the religious and linguistic minority communities?

শ্ৰী ভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬, ১৯৮৭ আৰু ১৯৮৮ (মাৰ্চ পৰ্য্যন্ত) যথাক্ৰমে ১২৫ খন, ৯২ খন আৰু ২৪ খন আগ্নেয়াস্ত্ৰৰ অনুজ্ঞা পত্ৰ প্ৰদান কৰা হয়।

(খ) ভাষীক সংখ্যালঘু আৰু ধৰ্ম্মীয় সংখ্যালঘুৰ ভিত্তিত অনুজ্ঞা পত্ৰ দিয়া নহয়।

## Re. : Building Grant

**Shri Abdul Jabbar** asked :

957. Will the Minister, Education be pleased to state :

(a) How many L.P. School be pleased to state grants in 1988-89 per constituency?

(b) Whether the list already furnished by the numbers of the Assembly will be given any priority in selecting the schools for awarding building grants?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) (i) ১৯৮৮-৮৯ চনত ৮ম বিত্তীয় আয়োগৰ অনুদানেৰে সাজিব লগা প্ৰাইমাৰী স্কুলৰ সংখ্যা ৭৬৮ খন।

(ii) এনে স্কুল সমষ্টি ভিত্তিত ভাগ কৰিলে প্ৰতিটো সমষ্টিৰ বাবে স্কুলৰ সংখ্যা হব প্ৰায় ৬ খন।

(খ) বিধায়কে দিয়া তালিকা সময়ত বিবেচনা কৰা হ'ব।

**বিষয় ঃ মমৰ পৰিমান সম্পৰ্কে**

শ্ৰী এ, এফ, গোলাম ওছমানীয়ে সুধিছে ঃ

958. Will the Minister, Education be pleased to state :

(a) Total quantity of Paraffin Wax produced in the State and who are the producers?

(b) Total quantity required for domestic and industrial use in the State?

(Please quote the figure of domestic and inudstrial requirement respectively)

(c) Is it a fact that the Govt. of Assam in the Deptt. of industries entered in to an agreement with Indian Oil Corporation?

(d) If so, what are the terms of the agreement and reasons for entering into the agreement?

(e) How the distribution of paraffin wax in presently done in the State?

(f) What is the total requirement of Wax for candle industry

in the State and how many registered firms are there lifting quote of Wax for making candles?

(Please furnish names of firms or individuals allotted wax in 1986-87 and 1987-88.) (See Annexure IV)

শ্ৰী দীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত প্ৰায় ১৪,০৩২ মেট্ৰিক টন মম উৎপাদন হয়। একমাত্ৰ ইণ্ডিয়ান অইল কৰ্পোৰেচন লিমিটেডে অসমত মম উৎপাদন কৰে।

(খ) উদ্যোগিক ক্ষেত্ৰত ৭৭৭৫ মেট্ৰিক টন মমৰ প্ৰয়োজন। ঘৰুৱা ব্যৱহাৰত মমৰ কোনো বন্টন দিয়া নহয়।

(গ) কোনো চুক্তি কৰা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) ৰাজ্যৰ মমবাতি উদ্যোগৰ বাবে মুঠ ৭৬৬৫ মেট্ৰিক টন মমৰ আৱশ্যক। তাৰ বিপৰীতে বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰে তিনিমহীয়া কিস্তিত, প্ৰতিকিস্তিত ৮৫০ মেট্ৰিক টনকৈ মম যোগান ধৰে। অসমত মম বাতি উৎপাদনৰ বাবে ২৩৭ টা পঞ্জীয়ন ভুক্ত উদ্যোগ আছে। ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ বন্টন দিয়া গোট সমূহৰ তালিকা গাঁঠি দিয়া হ'ল।

## Re. : Appointment of Primary School Teachers

**Shri A.F. Golam Osmani** asked :

959. Will the Minister, Education be pleased to state :

(a) The norms onwhich Primary School Teachers are appointed? (If there is a circular to that effect, the same may be placed on the Table of the House)

(b) The Guideline followed in the appointment made at the time of appointment between different categories like S.C., S.T., O.B.C., Political sufferers, Son and daughter of retired/ expired teachers/merit etc?

(c) The number of vacancies for Primary teachers posts occured in 1986-87 and 1987-88 in Barpeta district due to death, retirement, resignation, creation of new posts etc.?

(d) The names and address of Primary Teachers appointed in Barpeta District in 1986-87 and 1987-88?

শ্ৰী যতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ নিৰ্দ্দেশাৱলীৰ প্ৰতিলিপি সদনৰ মেজত ৰখা হৈছে।

(খ) (ক) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা নিৰ্দ্দেশনা মতে নিযুক্তিৰ ব্যৱস্থা লবলৈ কোৱা হৈছে।

(গ) প্ৰাপ্ত তথ্য মতে ১৯৮৬-৮৭ চনত ১২২ টা আৰু ১৯৮৭-৮৮ চনত ৬১ টা।

(ঘ) তালিকা দাখিল কৰা হ'ল। (See Annexure-V)

## Re. : Mini Drinking Water Project

**Shri A.F. Golam Osmani** asked :

960. Will the Minister, Public Health Engineering be pleased to state :

(a) Is it a fact that Darrang and Cachar Districts have been selected for Mini Mission project on Drinking water by Technology Mission on Drinking Water Management of the Department of Rural Development, Union Ministry of Agriculture?

(b) If so, whether the detailed project reports have been drawn up?

(c) If so, what will be total outlay and the period needed to complete the projects?

(d) The objective and implication of Mini Drinking Water Projects?

**Shri Digen Chandra Bora** (Minister Public Health Engineering) replied:

(a) The Cachar District has been selected as Mini Mission District under Technology Mission on Drinking Water in

Village and Related water management by the Department of Rural Development, Ministry of Agriculture, Darrang District, due to its acute iron content in drinking water, has also been suggested to the Govt. of India by the State Govt. for taking up under Technology Mission, The Government of India have directed for undertaking the works both in Darrang and Cachar Districts particularly relating to Scientific source finding, Water quality monitoring, installation of iron removal plants etc. Other works will be under taken only after the detailed projects reports are approved by the Government of India.

(b) Feasibility reports for Mini Mission for Cachar and Darrang Districts have already been submitted to Government of India. Detailed Project Report will be prepared after the approval of the feasibility report.

(c) Rs. 32446 lakhs have been proposed as total outlay under Technology Mission as per feasibility report. The projects are proposed to be completed by 1990.

(d) There is nothing like Mini Drinking water project.

## Subject : Post of Classical Teachers

**Shri A.F. Golam Osmani** asked :

961. Will the Minister, Education be pleased to state :

(a) The number of Sanctioned posts of Classical Teachers are lying vacant from 1984-85 to 1986-87 in the State?

(b) How many posts lying vacant in the following subjects in the State : (a) Arabic (b) Persian (c) Sanskrit?

(c) The number of posts of subject teachers lying vacant in Barpeta District in the current academic year 1987-88?

(Pleased mention figurs as against Persian, Arabic and Sanskrit subject)

(d) The number of teachers appointed in Arabic, Persian and Sanskrit in Barpeta District in 1985-86, 1987-88?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

তথ্য বিচাৰি পঠোৱা হৈছে। পালে দিব পৰা হব।

## Subject : Prohibition of Illicit Liquor

**Shri Manilal Gowala** asked :

962. Will the Minister, Excise be pleased to state :

(a) Whether the Govt. is aware that illicit liquor is highly prevelent in the tea gardens of Assam?

(b) If so, what steps do the Govt. take for its Prohibition?

শ্ৰী ভৃগু কুমাৰ ফুকন (আৱকাৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ চাহ বাগিছা সমূহত "চুলাই মদৰ" প্ৰচলন হৈ থকাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

(খ) চাহ বাগিছা সমুহত "চুলাই মদৰ" প্ৰচলন বন্ধ কৰিবলৈ আৱকাৰী বিভাগে "অসম মদ নিৱাৰনী" আইনৰ অধীনত যথাসম্ভৱ সকলো ব্যৱস্থা লৈ আছে।

## বিষয় ঃ বৃত্তি মূলক শিক্ষা প্ৰসাৰতাৰ বাবে আঁচনি।

**শ্ৰী দেবেশ্বৰ বৰাই** সুধিছে ঃ

৯৬৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৃত্তি মূলক শিক্ষা প্ৰসাৰতাৰ বাবে চৰকাৰে কি আঁচনি গ্ৰহণ কৰিছে?

(খ) ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনৰ কিমান খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বৃত্তি মূলক পাঠ্যক্ৰম প্ৰৱৰ্ত্তনৰ ব্যৱস্থা লৈছে?

(গ) উক্ত বিদ্যালয় সমূহৰ নাম আৰু কি কি পাঠ্যক্ৰম ব্যৱস্থা লৈছে?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মাধ্যমিক শিক্ষা +২ পৰ্য্যায়ত ১৯৮৩-৮৪ চনৰ বিত্তীয় বছৰৰ পৰা বৃত্তিমূলক শিক্ষা আঁচনি প্ৰৱৰ্ত্তন কৰা হৈছে।

(খ) ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰৰ ৬ (ছয়) খন আৰু ১৯৮৮-৮৯ চনৰ বিত্তীয়

বছ্ৰত ১০(দহ) খন উচ্চতৰ মাধ্যমিক বৃত্তিমূলক পাঠ্যক্ৰম প্ৰবৰ্ত্তনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(গ) ১৯৮৭-৮৮ চনৰ বিত্তীয় বছ্ৰত বৃত্তিমূলক পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা বিদ্যালয় সমূহ আৰু পাঠ্যক্ৰমৰ বিষয় সমূহ এনে ধৰণৰ ঃ

| | |
|---|---|
| ১। কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী | ক) ইলেকট্ৰিকেলএপ্লামেন্স<br>খ) অটোমবাইল মেইনটেনেন্স<br>গ) ওৱাৰ্কচপ প্ৰেক্টিচ |
| ২। টি,চি, ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী | ক) চেৰিকালচাৰ<br>খ) ব্লিচিং ডাইং এন্ড পিন্টিং<br>গ) ক্লথিং এন্ড এমব্ৰইডাৰী |
| ৩। যোৰহাট ল'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, যোৰহাট | ক) ইলেকট্ৰিকেল এপ্লামেন্স<br>খ) অটোমবাইল মেইনটেনেন্স<br>গ) ওৱাৰ্কচপ প্ৰেক্টিচ |
| ৪। তেজপুৰ চৰকাৰী লৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, তেজপুৰ | ক) ইলেকট্ৰিকেল এপ্লামেন্স<br>খ) অটোমবাইল মেইনটেনেন্স<br>গ) ওৱাৰ্কচপ প্ৰেক্টিচ |
| ৫। চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়, তিনিচুকীয়া | ক) ইলেকট্ৰিকেল এপ্লামেন্স<br>খ) অটোমবাইল মেইনটেনেন্স<br>গ) ওৱাৰ্কচপ প্ৰেক্টিচ |
| ৬। কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, কোকৰাঝাৰ | ক) ইলেকট্ৰিকেল এপ্লামেন্স<br>খ) অটোমবাইল মেইনটেনেন্স<br>গ) ওৱাৰ্কচপ প্ৰেক্টিচ |

১৯৮৮-৮৯ বিত্তীয় বছ্ৰৰ বাবে স্কুলৰ তালিকা প্ৰস্তুত কৰি থকা হৈছে।

## বিষয় ঃ ছাত্ৰাবাস নিৰ্ম্মাণৰ বাবে মঞ্জুৰী

**শ্ৰী দেবেশ্বৰ বৰাই সুধিছে ঃ**

৯৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৫-৮৬, ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ বিত্তীয় বছ্ৰৰ গৃহ নিৰ্ম্মান ও প্ৰেক্ষা গৃহ নিৰ্ম্মান শিতানত অসমত কোন কোন উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰ্থিক মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিছে?

(জিলা ভিত্তিত তালিকা খন দাখিল কৰিব)

(খ) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত এনে অনুদান কিমান খন স্কুলক মঞ্জুৰী দিব?

**শ্ৰী দেবেশ্বৰ বৰাই সুধিছে ঃ**

৯৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮৫-৮৬ আৰু ১৯৮৬-৮৭, ১৯৮৭-৮৮ চনত গৃহ আৰু প্ৰক্ষা গৃহ নিৰ্ম্মনৰ বাবে অনুদান দিয়া বিদ্যালয় সমূহৰ তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See Annexure-VI)

(খ) এতিয়াও তালিকা কৰা নাই।

## বিষয় ঃ ১৯৮৩ চনৰ হিংসাত্মক ঘটনাত মৃত্যু

**শ্ৰী ৰত্নেশ্বৰ চৰকাৰে সুধিছে ঃ**

৯৬৫। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১৯৮৩ হিংসাত্মক ঘটনাত উত্তৰ শালমাৰা মহকুমাৰ কোন কোন গাওঁৰ কিমানজন মানুহৰ মৃত্যু হৈছে? (নাম আৰু ঠিকনা সহ তালিকাখন সদনত দাঙি ধৰিব)

(খ) উক্ত মৃত্যু হোৱা ব্যক্তি সকলৰ মাজৰ পৰা কিমানজনক শ্বহীদ বুলি ঘোষণা কৰা হৈছে? (অনুগ্ৰহ কৰি নাম আৰু ঠিকনা সহ তালিকা খন দিব)

(গ) মৃত্যু হোৱা বাকী ব্যক্তি সকলক কিয় শ্বহীদ বুলি ঘোষণা কৰা নহল?

**শ্ৰী থানেশ্বৰ বড়ো (সাহায্য আৰু পুনৰ সংস্থাপন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৩ চনৰ হিংসাত্মক ঘটনাত মুঠ ৫৩ জন মানুহৰ উত্তৰ শালমাৰা মহকুমাত মৃত্যু হৈছিল। (নাম আৰু ঠিকনা সহ তালিকাখন সংলগ্ন কৰি দিয়া হ'ল।)

(খ) উক্ত মৃত্যু হোৱা লোক সকলৰ মাজৰ পৰা মুঠ ১৯ জন লোকক শ্বহীদ বুলি ঘোষণা কৰা হৈছে। (নাম আৰু ঠিকনা সহ তালিকাখন সংলগ্ন কৰি দিয়া হ'ল) (See Annexure-VII)

(গ) অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ সন্দৰ্ভত সৃষ্টি হোৱা অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ কাৰ্য্য সূচীত প্ৰতক্ষ্যভাৱে অংশগ্ৰহণ কৰি যি সকল ব্যক্তিয়ে আত্ম বলিদান দিছিল সেই সকল ব্যক্তিক শ্বহীদ বুলি গণ্য কৰা হৈছে। গতিকে আন্দোলনৰ সময়ত মৃত্যু হোৱা সকলো ব্যক্তিক শ্বহীদ বুলি গন্য কৰাৰ প্ৰশ্ন

নুঠে।

**বিষয় ঃ ধনতোলা বন্নিপাৰা প্ৰাথমিক বিদ্যালয়**

**শ্ৰী ৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

৯৮৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ অভয়াপুৰী দক্ষিণ সমষ্টিৰ বইটামাৰী শিক্ষা মণ্ডলৰ অন্তৰ্গত ধনতোলা বান্নিপাৰা প্ৰাথমিক বিদ্যালয় খন ১৯৮৩-৮৪ চনত (NREP) আঁচনিত গৃহ নিৰ্মান হোৱা কথা চৰকাৰৰ অৱগত নে?

(খ) যদি অবগত তেতিয়া হলে উক্ত স্কুলক আকৌ ৬১,০০০ হেজাৰৰ অধিক টকা মঞ্জুৰী দিয়াৰ কাৰণ কি?

(গ) উক্ত মঞ্জুৰী টকাৰে কি কাম কৰা হ'ব।

**শ্ৰী যতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) স্কুলখনলৈ শিক্ষা বিভাগে ১৬,০৬৫ টকা মঞ্জুৰী দিয়াৰ পাচতহে, আৰু ১৯৮৩-৮৪ চনত NREP আঁচনিৰ অধীনত এই স্কুল খনে টকা পোৱা

(খ) কথাটো দৃষ্টিগোচৰ হয়।

(গ) শিক্ষা বিভাগৰ মঞ্জুৰী দিয়া টকাৰ কি টকা খৰছ কৰিছে আৰু কি কাম হৈছে এই সম্পৰ্কে বিতং তথ্য বিচাৰি পঠিওৱা হৈছে। তদন্ত প্ৰতিবেদন পৰীক্ষা কৰি বিহিত ব্যৱস্থা লোৱা হব।

**বিষয় ঃ অগ্ৰদুত কাকতত প্ৰকাশিত বাতৰি**

**শ্ৰী ৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

৯৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৮ চনৰ ১৭-২০ জানুৱাৰী তাৰিখৰ "অগ্ৰদুত" কাকতৰ "স্বজনপ্ৰীতি" দুৰ্নীতিৰ শাৰীত নপৰে নেকি শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে?

(খ) যদি হৈছে তেন্তে উক্ত প্ৰকাশিত বাতৰি অনুসৰি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(গ) বাতৰিত প্ৰকাশ কৰাৰ দৰে উক্ত ঘটনাৰ বাবে জিলা প্ৰাথমিক শিক্ষা বিষয়া দায়ী হবনে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হৈছে।

(খ) তদন্ত কৰা হৈছে। তদন্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ব্যৱস্থা লোৱা হব।

(গ) তদন্তৰ পাচতহে কোন দায়ী এই বিষয়ে নিৰ্দ্ধাৰণ কৰিব পৰা হব।

**বিষয় ঃ শিক্ষা বিষয়াৰ বিৰূদ্ধে দুৰ্নীতিৰ অভিযোগ**

**শ্ৰী ৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

৯৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ বিৰূদ্ধে দুৰ্নীতিৰ অভিযোগত গোৱালপাৰা জিলাৰ ৰাইজ তথা ৰাইজৰ প্ৰতিনিধি বিলাকৰ পৰা লিখিত অভিযোগ পাইছিলনে?

(খ) যদি পাইছিল এই বিষয়ত কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) স্থানীয় বিধায়কৰ পৰা পোৱা হৈছে।

(খ) প্ৰাথমিক শিক্ষা সঞ্চালকক তদন্ত কৰিবলৈ দিয়া হৈছে। তদন্তৰ প্ৰতিবেদন পালে বিধিমতে ব্যৱস্থা লোৱা হব।

**Subject : Regarding promotion to Asstt. Inspector of Excise**

**Shri Abdul Rob Laskar** asked :

969. Will the Minister, Excise be pleased to state :

(a) Total number of Asstt. Inspector of Excise has been promoted to the rank of Inspector of Excise within 12 years from the department like police or other sister Department?

**শ্ৰী ভৃগু কুমাৰ ফুকন (আৱকাৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১২ (বাৰ) বছৰৰ ভিতৰত মুঠ ১৮ জন আৱকাৰী সহঃ পৰিদৰ্শকক আৱকাৰী পৰিদৰ্শক পদলৈ পদোন্নতি দিয়া হৈছে।

**Subject : Regarding promotion to Inspector of Excise**

**Shri Abdul Rob Laskar** asked :

970. Will the Minister, Excise be pleased to state :

(a) Total number of post of Inspector of Excise lying vacant

in the state of Assam and since when?

(b) Whether the Govt. is aware that the Akbari Karmachari Sangha demanded 50% promotion from the rank of Asstt. Inspector of Excise?

(c) Whether there is any provision to give 50% promotion?

(d) If so, the step taken by the Govt. in this behalf?

**শ্ৰী ভৃগু কুমাৰ ফুকন (আৱকাৰী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মুঠ ৩১ টা। ১৯৭৫ ইং পৰা এই পদ সমূহ খালি হোৱা হিচাব দেখুৱাই এটি প্ৰতিবিবৰণ সদনত দাখিল কৰিবলৈ গাঠি দিয়া হ'ল। (See Annexure-VIII)

(খ) হয়।

(গ) বৰ্ত্তমান নাই।

(ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ ৰাজহ শিতানৰ পৰা শিক্ষা বিভাগৰ টকা মঞ্জুৰী।**

**শ্ৰী ইউছুফ আলী আহমেদে সুধিছে ঃ**

৯৭১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৭-৮৮ চনৰ ভাদহ শিতানৰ পৰা এফ, ডি, আৰ হিচাবে শিক্ষা বিভাগক কিমান টকা মঞ্জুৰী দিছে?

(খ) উক্ত এফ, ডি, আৰ,ৰ টকা জিলা মহকুমা ভিত্তিত আৱন্টন দিয়া হৈছেনে?

(গ) যদি আৱন্টন দিয়া হৈছে তেনেহলে কি ভিত্তিত আৰু কিমান টকাকৈ প্ৰত্যেক খন বিদ্যালয়ক মেৰামতি কৰাৰ বাবে দিয়া হৈছে?

(ঘ) এই বিদ্যালয় সমূহৰ তালিকা প্ৰস্তুত কৰোতে স্থানীয় বিধায়ক সকলোৰ পৰামৰ্শ লোৱা হৈছেনে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২৩ (তেইশ) লাখ টকা।

(খ) নাই হোৱা।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ প্ৰাথমিক শিক্ষা সমিতিৰ সদস্য।**

**শ্ৰী ইউছুফ আলি আহমেদে সুধিছে ঃ**

৯৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী মহকুমাৰ প্ৰাথমিক শিক্ষা উপদেষ্টা সমিতিত বিলাসীপাৰা পশ্চিম সমষ্টিৰ কোনো সদস্য আছেনে?

(খ) যদি লোৱা হোৱা নাই নতুনকৈ সদস্য অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিছে নে?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) নাই।

(খ) কৰা নাই।

**Subject : F.D.R. Grant to Schools.**

**Shri Altaf Hussain Mazumdar** asked :

973. Will the Minister, Education be pleased to state :

(a) On whose recommendation and report flood damage grants for 1986 flood affected Schools were given by the office of the Inspector of School?

(b) Names of the Schools, viz. High Schools, Higher Secondary Schools under the jurisdiction and administrative control of Inspector of Schools of Silchar received flood damaged grants during 1986 alongwith amounts against each School alongwith the date of draft and date of handing over the drafts to Head Teacher?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ক্ষেত্ৰ বিষয়াৰ পৰা পোৱা আৰু চৰকাৰে অনুমোদন জনোৱা তালিকা মতে স্কুল পৰিদৰ্শকে চৰকাৰে মঞ্জুৰী দিয়া অনুদান বিতৰণ কৰে।

(খ) কাছাৰ জিলাৰ অন্তৰ্গত ৭৮ খন বিদ্যালয়লৈ মুঠ ৭ (সাত) লাখ ২৫ হাজাৰ টকাৰ বেংক ড্ৰাফট বিতৰণৰ বাবে স্কুল পৰিদৰ্শকলৈ পঠোৱা হৈছিল। (৬৭

খন স্কুলক ১০ হাজাৰকৈ আৰু ১১ খন স্কুলক ৫ হাজাৰকৈ) স্কুলৰ তালিকা সদনৰ মেজত দিয়া হ'ল। (See Annexure - IX) ৭ লাখ ২৫ হাজাৰ টকাৰ বেংক ড্ৰাফট (নম্বৰ টি এল - এ- ৬৬৫৬৪৪১ তাং ২৮-৮০৮৭) মাধ্যমিক শিক্ষা সঞ্চালকে তেখেতৰ ১৯-৯-৮৭ তাৰিখত জি, এন, এচ - ২-৮৭-১০১ নং চিঠি যোগে কাছাৰৰ বিদ্যালয় পৰিদৰ্শকলৈ পঠিয়ায়।

বিদ্যালয় পৰিদৰ্শকে কেতিয়া-কোনদিনা কিমান তাৰিখৰ ড্ৰাফট যোগে বিদ্যালয় সমূহৰ প্ৰধান শিক্ষক-অধ্যক্ষক সেই ড্ৰাফট অৰ্পন কৰিছে সেই তথ্য ক্ষেত্ৰ বিষয়াৰ পৰা বিচৰা হৈছে। পালে দিয়া হব।

**Subject : Grant in aid to Madrassa.**

**Shri Altaf Hussain Mazumdar** asked :

974. Will the Minister, Education be pleased to state :

(a) Is it a fact that Deputy Director of Madrassa, Education gave proposal for according full grant-in-aid to following five number of Madrassa viz. (1) Nagabandha Senior Madrassa, Nagaon, (ii) Bilasipara Senior Madrassa, Dhubri (iii) Anwarululum Senior Madrassa, Karimganj, (iv) Nayachatra Senior Madrassa, Barpeta (v) Pota Mangaon Senior Madrassa to the Director of Public Instruction?

(b) If so, have these Madrassa, accorded full gant-in-aid, if not why and will it be done, if so, within what time?

**শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়। মাদ্ৰাছা শিক্ষা বিভাগৰ উপ-সঞ্চালকে, শিক্ষাধিকৰ্ত্তালৈ এই বিষয় প্ৰস্তাৱ দাখিল কৰিছিল।

(খ) পৰিকল্পনা শিতানত পুঁজিৰ নাটনিৰ বাবে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব পৰা হোৱা নাই। পুঁজি সাপেক্ষে সময়ত বিবেচনা কৰা হব।

## VOTING ON DEMANDS FOR GRANTS

**Mr. Speaker :** Now item No.2 The Hon'ble Minister will give his reply at 11.40 A.M. Now Hon'ble Shri Debeswar Bora will continue his speech.

* শ্ৰী দেৱেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, কালিৰে পৰা সদনত প্ৰাকৃতিক দুৰ্যোগৰ কথা আলোচনা হৈ আহিছে। আমিও মই এই সম্পৰ্কত কৰ বিচাৰিছো। অতি দুৰ্ভাগ্যৰ বিষয় যে কোৱা কালি সদনত প্ৰাকৃতিক দুৰ্যোগৰ কথা আলোচনা কৰি থকাৰ সময়তে মৰিগাৱত এক ভয়ানক অগ্নিকাণ্ড হৈ বহুত বিলাক ঘৰ ভস্মিভূত হয়। তাৰোপৰি নগাৱৰ পৰা আৰম্ভ কৰি গোলাকাটলৈকে ধূৰ্ণী বতাহ হৈ বহুত বিলাক লোকৰ ঘৰ নষ্ট কৰে। আমি এইটো কথা উপলব্ধি কৰিয়েই সদনত ৫ কোটি ২৫ লাখ টকা দিবলৈ ওলাইছো। কিন্তু মই ভবাত এই টকা তেনেই নগন্য। ইয়াত ভাৰত চৰকাৰে চিলিং কৰি দিছে। শতকৰা ৫০ ভাগ ভাৰত চৰকাৰে দিব আৰু শতকৰা ৫০ ভাগ অসম চৰকাৰে দিব লাগিব। এই ক্ষেত্ৰতদেখা গৈছে যে চৰকাৰে বিভিন্ন বিভাগত যিখিনি টকা দিছে সেইখিনি টকা সম্পূৰ্ণৰূপে খৰচ কৰিব পৰা নাই। কিন্তু এইবাৰ আমি আশা কৰিছো যে যিখিনি টকা দিয়া হৈছে সেইখিনি সম্পূৰ্ণ ভাবে খৰচ কৰিব আৰু মৰিগাৱত অগ্নিকাণ্ডত ক্ষতি হোৱা আৰু নগাৱৰ পৰা গোলাঘাটলৈকে ঘূৰ্ণী বতাহত যি ক্ষতি হল সেই সকলক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব।

প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা বহুত বিলাক টকা দিয়াৰ ব্যৱস্থা লোৱা হৈছে। এইটো কথা বিশ্লেষণ কৰিবলৈ যাওঁতে ১৯৮৭ চনত বানপানীয়ে যি ক্ষতি সাধন কৰিলে আৰু সেই সময়ত চৰকাৰে বিভিন্ন বিভাগক যি ধৰণৰ অনুদান দিলে সেই সম্পৰ্কত কথা আলোচনা কৰিব খুজিছোঁ। অৱশ্যে এই বিলাক কথা ৩১ মাৰ্চৰ আগতেই আলোচনা কৰিব লাগিছিল। ৰাজহ বিভাগে বিভিন্ন বিভাগক ৫৬ কোটি ৯১ লাখ ৭০৮ টকা মুকলি কৰি দিছিল। তাৰ ভিতৰত বান নিয়ন্ত্ৰনকেই আটাইতকৈ বেছি টকা, ২৭ কোটি টকা দিছিল। তাৰ পিচতেই যোগান বিভাগক ৭ কোটি, জলসিঞ্চন বিভাগক চাৰে ৩ কোটি টকা দিছিল। কিন্তু এইটো কথা জানিব পৰা হৈছে যে এই কেইটা বিভাগক যি টকা দিয়া হৈছিল সেই টকা সম্পূৰ্ণৰূপে খৰছ কৰিব পৰা নাই। ১৯৮৬-৮৭ চনত বানপানীৰ কাৰণে যি অনুদান দিছিল ভাৰত চৰকাৰৰ তৰফৰ পৰা আৰু অসম চৰকাৰৰ তৰফৰ পৰা সেই টকা সম্পূৰ্ণৰূপে খৰচ কৰা হোৱা নাই। এইটো কথা বৰ দুখেৰে সৈতে কবলগীয়া হৈছে যে বানপানী আদি প্ৰাকৃতিক সময়ত সাহাৰ্য্যৰ কাৰণে দিয়া ৬৬

* Speech not corrected

কোটি ৯৬ হাজাৰ ৫৩৭ টকা উপায়ুক্ত সকলে চাৰেণ্ডাৰ কৰিছে। এই বিলাক ৰাইজক প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সাহাৰ্য্য কৰিবলৈ দিয়া এই দৰে খৰচ নকৰি চাৰেণ্ডাৰ হোৱা কথাটো বৰ দুখজনক কথা। মৰিগাওঁ জিলাত ১২ লাখ ৩৪ হাজাৰ আৰু নগাওঁ জিলাতেই সেই দৰে টকা চাৰেণ্ডাৰ কৰা হৈছে।

যোৱা বছৰ সেইদৰে শিক্ষা বিভাগক যি টকা দিয়া হৈছিল সেই টকাও খৰচ হোৱা নাই। মই ৰাজহ বিভাগক অনুৰোধ কৰিছো যে এটা যাতে সদ্ব্যৱহাৰ হয় তাৰ কাৰণে চকু দিয়ে। ইয়াৰ পিচত আৰু এটা কথা দেখা গল যে যোৱাৰ এম ও ডি বিভাগক কোনো টকা দিয়া হোৱা নাছিল। ৰাজহ বিভাগে এম ও ডি বিভাগৰ ১০ লাখ টকা দিছিল নেকি? এ এ ডিয়ে সেই টকা ঘুৰাই দিছিল নেকি? সেই দৰে যোৱা বছৰ চইল কনজাৰভেচন বিভাগক ১০ লাখ টকা দিয়া হৈছিল। সেই ১০ লাখ টকা চইল কনজাৰভেচন বিভাগে কত খৰচ কৰিলে? এইটো জনাব লাগে। সেইদৰে চেয়াৰমেন ও এচ ই বিক ৭০ লাখ টকা দিয়া হৈছিল সেই টকা তেওঁলোকে কত খৰচ কৰিলে সেইটো জনাব লাগে। সেইদৰে ইনলেণ্ড ওৱাটাৰ ট্ৰেন্সপৰ্ট বিভাগক যি টকা দিয়া হৈছিল সেই তেওঁলোকে কত কেনেকৈ খৰচ কৰিলে এই কথাটো আমি এই কাৰণেই কব লগীয়া হৈছো যে যি বিলাক টকা খৰচ কৰিবলৈ দিয়া হৈছিল সেই বিলাক টকা খৰচ কৰিব পৰা নাই। অগ্নি কাণ্ড আৰু ঘূৰ্নী বতাহত ক্ষতিগ্ৰস্ত সকলক যি টকা দিয়া হৈছিল সেই টকা তেনেই নগন্য। মই অনুৰোধ কৰিছো যে ইয়াৰ কাৰণে অধিক টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ লগতে মই আৰু এটা কথা কব বিছাৰিছো যে ১৯৮৩ চনত ভাৰত চৰকাৰে প্ৰায় ৫৬ কোটি টকা অসম চৰকাৰক দিছিল। মোৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে এই টকা সম্পূৰ্ণ খৰচ কৰা হৈছে। এই টকা কোন কোন জিলাত কিমানকৈ খৰচ কৰিছে সেইটো কথা মই জানিব বিচাৰিছো। এই কথাটো আজি কেইদিন মানৰ আগত পাৰ্লিয়ামেন্টতো উত্থাপিত হৈছে। এই ৫৬ কোটি টকা খৰচ হৈছে বুলি কৈছে কাৰণেই কোন কোন জিলাত কিমানকৈ খৰচ কৰিলে সেইটো কথা মই জানিব বিচাৰিছো ৰাজহ বিভাগে এইটো কথা জনাব লাগে।

ইয়াৰ পিচত আৰু এটা কথা অধ্যক্ষ মহোদয়, হেলিকপ্টাৰৰ কাৰণে বহু লাখ টকা খৰচ কৰে। এইবাৰ ৫ লাখ টকা হেলিকপ্টাৰৰ খৰচ ধৰিছে। এই দৰে বছৰি টকা পৰি থকাতকৈ মই ভাবো যে ভাৰত বৰ্ষৰ কেইবাখনো ৰাজ্যৰ ৰাজ্য

* Speech not corrected

চৰকাৰে নিজা বৰীয়াকৈ হেলিকপ্টাৰ কিনাৰ দৰে অসম চৰকাৰে নিজা বৰীয়াকৈ হেলিকপ্টাৰ কিনাৰ ব্যৱস্থা কৰিব লাগে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত মুখ্য মন্ত্ৰী বা অন্যান্য মন্ত্ৰী সকল চাবলৈ গলে হেলিকপ্টাৰৰ প্ৰয়োজন হয়। সেই কাৰণে মই অনুৰোধ কৰিছো যে ৰাজহ বিভাগে এখন হেলিকপ্টাৰ কিনাৰ কথা চিন্তা কৰিব লাগে। আমাৰ চৰকাৰে নিজা বৰীয়াকৈ এখন হেলিকপ্টাৰ লৰৰ বাবে অনুৰোধ কৰিছে।

বীজৰ গ্ৰান্ট দিয়া সম্পৰ্কত অলপ কব বিচাৰিছো। উপায়ুক্ত শোণিতপুৰক ২৬ লাখ, দৰঙক ৯ লাখ, নগাওঁক ৮ লাখ, উত্তৰ লক্ষীমপুৰৰ ২৬ লাখ, ধুবুৰীক ২৩ লাখ, গোৱালপাৰাক ৩ লাখ টকা মুঠতে ৭৫ লাখ টকা গ্ৰান্টৰ বাবে দিয়া হৈছিল। যোৱাবাৰ খেতিয়কে এই বীজবিলাক পালে নে নাই তাৰ অনুসন্ধান কৰিব লাগে। এই বিষয়ত মই যোৱাবাৰো বিধানসভাত উত্থাপন কৰিছো। ৰাজহৰ ক্ষেত্ৰত যিটো দাবী মঞ্জুৰী আনিছে তাৰ প্ৰতি সমৰ্থন জনাইছো। এইটোৰ ক্ষেত্ৰত শতকৰা ৫০ ভাগ কেন্দ্ৰীয় চৰকাৰৰ আৰু শতকৰা ৫০ ভাগ ৰাজ্যিক চৰকাৰৰ। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied the Chair.**

* **শ্ৰী ৰমেন্দ্ৰ দে** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গতকাল যখন এই বিভাগের উপর আলোচনা শুরু হয়েছিল তখন আমরা অনুভব করেছিলাম যে আসামে বন্যা থাকবেই, আসামে খরা থাকবেই, আসামে প্রাকৃতিক দুর্য্যেগ থাকবেই এবং সঙ্গে সঙ্গে অনুদানও থাকবে - এই রকম একটা মানসিকতা আমাদের মধ্যে স্থায়ী ভাবে ঢুকে গেছে। এরকম মানসিকতার সঙ্গে আমি একমত হতে পারিনা। কারণ, পৃথিবীর বহু দেশে বন্যা ছিল। ভারতবর্ষের বহু রাজ্যে খরা ছিল, কিন্তু এখন মরুভূমিও সুজলা সুফলা হয়েছে। পৃথিবীৰ বহু দেশে আজ আর বন্যা প্লাবিত দুর্গতদের রিলিফের জন্য অনুদান দিতে হয় না। কারণ এই বিজ্ঞানের যুগে প্রকৃতির সঙ্গে যুদ্ধ করে তারা সফল হয়েছে। মহোদয়, গতকাল গৌহাটী বেতার কেন্দ্র থেকে বিকেল সাড়ে পাঁচটাই একটা অনুষ্ঠান শুনেছিলাম। এতে অংশ গ্রহণ করেছিল ২ জন ছাত্রী ও একজন ছাত্র। এদের নাম হলো মিস জ্যোৎস্না দত্ত চৌধুরী, রেখা ডেকা এবং দীপক চৌধুরী। এই আলোচনাই শুনলাম শ্রী রেখা ডেকা বলেছেন যে আসামের বন্যা আসামের

* Speech not corrected

পদস্ত সরকারী কর্মচারীদের জন্য একটা উৎসব। শ্রী জ্যোৎস্না চৌধুরী বলেছেন যে অনেকে মনে করেন বন্যা আসামের একটা স্থায়ী ব্যাপার। কিন্তু একে নিয়ন্ত্রণ করা সম্ভব। আমার বক্তব্য এই দুটা কথার মধ্যে সীমাবদ্ধ রাখব।

উপাধ্যক্ষ মহোদয়, আসামে বন্যা প্রতিরোধের জন্য ব্রহ্মপুত্র ও বরাক নদীকে নিয়ন্ত্রণের ব্যাপারে সরকার বাস্তব ভূমিকা নিতে পারে নি। যার জন্য আসামে এই বন্যার সমস্যার সৃষ্টি হয়েছে। অবশ্যে আসাম রাজ্যে সারা ভারতের মধ্যে সবচেয়ে যে বেছি বন্যা হয় হয় এ সম্পর্কে আমার কোন দ্বিমত নাই।

মহোদয়, বিগত বন্যায় আমাদের প্রায় ৫০০ কোটি টকার অনুদান ধরা হয়েছে। এটা প্রয়োজনের তুলনায় অত্যন্ত অল্প। গতিকে আমি দাবী করব যে এই ন্যাচারেল ক্যালামিটি হেড-এ বরাদ্দ মঞ্জুরীর আরও বৃদ্ধি করা যেন হয়। বিগত বন্যায় ৭ লক্ষ মানুষ ক্ষতিগ্রস্ত হয়েছে। ২ লক্ষ ২৬ হাজার মানুষ গৃহহারা হয়েছে। ১৮ কোটি টকার বন সম্পদ নষ্ট হয়েছে। মোট ৩৭০ কোটি টাকার সম্পদ নষ্ট হয়েছে। ২০০ কোটি টাকার শালি ধান নষ্ট হয়েছে। সুতরাং এর তুলনায় ৭ কোটি টাকা অতি নগন্য।

মহোদয়, এই বন্যার পরিপ্রেক্ষিতে বলতে চাই যে এই বিভাগের কার্য্য পরিচালনার জন্য সরকার যেন একটা সুস্থ মানসিকতা গ্রহণ করেন। ত্রান কার্য্যের দায়িত্ব পুরোপরুরি পঞ্চায়ত সংগঠনের হাতে ছেড়ে দেন এবং এদেনর সহায়তার জন্য সরকারী প্রশাসনকে ব্যবহার করেন এবং তৎকালীন ব্যবস্থার জন্য জলা প্রশাসনের হাতে যেন অধিকা টাকা এবং ক্ষমতা দেন। আছোড় অতি সত্বর রিলিফ ম্যানুয়েলকে যেন সংশোধন করা হয়। উপাধ্যক্ষ মহোদয়, আমার দেখতে পাই যে বন্যার পরো রিলিফের চাল, আটা বা বীজ দেওয়ার জন্য হাজার লোক লাইন দেয়। বন্যার সময় রিলিফের নিশ্চয়ই প্রয়োজন আছে। কিন্তু বন্যার পরেও যদি আমার এদের কাজ দিতে না পারি, পয়সা দিতে না পারি তাহলে মাসের পর মাস, বছরের পর বছর আমাদের রিলিফ যোগান দিতে হবে। এই ব্যাপারে আমার প্রস্তাব হলো যে ষ্টেটরিলিফ স্কীম, এম এন এন পি, এস আর ভি, ফুড ফর ওয়ার্ক এই প্রগ্রাম গুলি যদি এই ব্যাপারে প্রকৃতভাবে কার্যকরী করতে পারি। এই এস এন পি ভারতের বিভিন্ন রাজ্যে চালু আছে। গতিকে এই সব প্রোগ্রাম যদি আমাদের রাজ্যে চালু থাকে তাহলে ছোট খাটো কাজের মাধ্যমে এই দুর্গত মানুষদের হাতে

---

* Speech not corrected

পয়সা আসবে। তাছাড়া এই গরীব মানুষদেরে রেহাই মূল্যে নিত্য প্রয়োজনীয় সামগ্রী সরবরাহ করতে পারেন। এই ব্যবস্থা হলে আমি মনে করি রিলিফ দেওয়ার ব্যাপারে একটা সঠিক পদক্ষেপ নেওয়া হবে।

মহোদয়, প্রায়েই দেখা যায় যে রিলিফ বন্টনের ব্যাপারে কোনও কোনও অঞ্চল বঞ্চিত হয়। এই ব্যাপারে আমি সরকারের দৃষ্টি আকর্ষণ করে বলতে চাই যে বিভিন্ন জেলায় ক্ষয় ক্ষতির অনুপাতে অত্যন্ত কম পরিমানে অনুদান দেওয়া হয়। কাছাড় ও করিমগঞ্জ জেলায় এই ব্যাপরে উপেক্ষা করা হচ্ছে বলে একটা আওয়াজ বহুদিন দেওয়া হয়। এজিপি সরকার ক্ষমতায় আসার সঙ্গে সঙ্গে বন্যাত্রাণ, রাস্তাঘাট তৈরী প্রত্যেকটা ব্যাপারে উপেক্ষাটা চরমে উঠেছে বলে কাছাড় ও করিমগঞ্জের মানুষের মনে একটা মানসিকতা সৃষ্টি হয়েছে। কারণ সেখানকার মানুষ মনে করে যে এজিপি বিদেশী খেদা আন্দোলনের মাধ্যমে একটা জাতি বিদ্বেষী সংগঠন হিসাবে ক্ষমতায় এসেছে। এই ধারণাটা দিনে দিনে এদের মনে বদ্ধমুল হয়ে যাচ্ছে। কিন্তু উপাধ্যক্ষ মহোদয়, যদি ইতিহাস দেখি তাহলে দেখতে পাই যে ১৯২৯ ইংতে স্যার শাদুল্লার মন্ত্রী সভায় যখন কামিনী সেন রিলিফ মিনিষ্টার ছিলেন তখন থেকেই কাছাড় সিলেকটে বঞ্চনার কথা উত্থাপিত হয়েছে। ১৯৪২ ইংতে যখন বসন্ত দাস বিধানসভার অধ্যক্ষ ছিলেন তখন বদরপুরের এম এল সি রমেশ দাস সেই অঞ্চলকে উপেক্ষা করা হয়েছে বলে অভিযোগ এনেছিলেন। ১৯৭০ এবং ১৯৭২ ইংরাজীতে শিলং বিধান সভায় তারাপদ বাবু, রথীন্দ্র নাথ সেন ঠিক এমনিত অভিযোগ এনেছিলেন। ১৯৮০-৮২-তেও সেই একই অভিযোগ উঠেছিল। এই প্রসঙ্গে আমি বলতে চাই যে অতীতের সেই অভিযোগ মাত্রাকে ছাড়িয়েছে এবারে - কারণ এবারে বঞ্চনার মাত্রা অতীতের সমস্ত ঘটনাকে ছাড়িয়ে গেছে। প্রমাণ হিসাবে বলছি যে বিগত বন্যায় লোক সংখ্যা ১৮,১৪ লাখ। বন্যাক্রান্ত ৯.৪২ লাখ। অপরদিকে নগাওঁতে লোকসংখ্যা ২৬.৯৯ লাখ। বন্যাক্রান্ত হয়েছে ৪.৫৭ লাখ। যেখানে নগাওঁতে বন্যাত্রানের জন্য কোটি কোটি টাকা খরচ করা হয়েছে সেখানে কাছাড়ের জন্য মাত্র ১৯ লক্ষ টাকার অনুদান দেওয়া হয়েছে। তাও সেই টাকা সেখানে বন্টন করা হয়নি এবং ফিরিয়ে আনা হয়েছে। তাই কাছাড় করিমগঞ্জের সর্বস্তরের মানুষ ভাবতে বাধ্য হয়েছেন যে এ জি পি সরকার জাতি শান্তি ও শৃংখলা রক্ষার প্রশ্নে এদেন এই মনোভাব যেন পরিবর্তন করেন।

---

* Speech not corrected

মহোদয়, আমি আরও কিছু তথ্য তুলে ধরার চেষ্টা করব। কাছাড়ে শতকরা ৬০ ভাগ জমির ফসল গত বন্যায় ধ্বংস হয়েছে। নগাওঁতে ফসল নষ্ট হয়েছে ৩৭ ভাগ। সেটা আমার রিপোর্টে নয়। It is a report published by the Government of Assam in "Flood havoc in Assam" এখানে লেখা আছে। সেই যায়গায় কৃষি ক্ষেত্রে অনুদানের পরিমান কি? মাত্র ৩ লক্ষ ৬৭ হাজার।

উপাধ্যক্ষ মহোদয় একটা অনুসন্ধান করার জন্য আমি আবেদন করব। রেভিনিউ বিভাগগে Agricultural imputs to the farmers 32.23 এই সমস্ত ক্ষেত্রে বিভিন্ন বিভাগ থেকে পয়সা দিয়েছে। কেবল কাছাড় করিমগঞ্জে নয়, সারা আসাম ঘটনা অনুমান করা যায়। কারণ কাছাড়তো আবার আসাম থেকে বিচ্ছিন্ন নয়। কারণ আসামের প্রশাসকের মানসিকতার সঙ্গে কাছাড় ও করিমগঞ্জে প্রশাসকের মানসিকতার কোনও তফাৎ নাই। রাস্তাঘাট, ইরিগেশন, গ্রামোন্নয়ন প্রত্যেক ব্যাপারে য টাকার অনুদান দেওয়া হয়েছে কাছাড় ও করিমগঞ্জে তার ১০ ভাগে এক ভাগও খরচ করা হয়নি। একটা রাস্তার কথা বলব। বদরপুর আদরকোনা Employment Generation Programme এফ ডি আরের ১১ লক্ষ টাকা দেওয়া হয়েছিল ভাঙ্গা-ভৈরবনগর রাস্তায়। কিন্তু একটা পয়সাও সেখানে খরচ করা হয়নি। আমরা জানি এই ব্যাপারে বললেও কোনও তদন্ত হবে না কিন্তু তবুও আবেদন করব রিলিফের ব্যাপারে যেন সরকার একটা মানসিকতার পরিবর্তন করেন।

* **শ্ৰী নৰেন তাতী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সাহাৰ্য্য আৰু পুণৰ সংস্থাপন বিভাগৰ মন্ত্ৰীয়ে প্ৰাকৃতিক দুৰ্যোগৰ অৰ্থে যিখিনি টকাৰ মঞ্জুৰী বিচাৰিছে তাত মই সমৰ্থন জনাইছো। এতিয়া কথা হ'ল যে অসমত প্ৰাকৃতিক দুৰ্যোগ হয়। ইয়াত বানপানী হয় ধুমুহা হয়, ডাঙৰ ডাঙৰ অগ্নিকাণ্ডও হ্ব। এই প্ৰাকৃতিক দুৰ্যোগ সমূহত যিবিলাক মানুহ ক্ষতিগ্ৰস্ত হ্ব তেওঁলোকক উদ্ধাৰ কৰিব লাগে। যোৱাবাৰ আমাৰ অসমত তিনিবাৰ বানপানী হৈছিল। এই বানপানীত বহুতো মানুহ ক্ষতিগ্ৰস্ত হৈছে। বিশেষকৈ আমাৰ উজনি অসমত ক্ষতিগ্ৰস্ত হৈছে। যোৰহাট জিলাত মন্ত্ৰী ৰাজখোৱা ডাঙৰীয়া আৰু কেইবাজনো বিধায়ক লগলাগি আমি বহুত কষ্ট কৰি ৰাইজক সাহায্য দিবলৈ সক্ষম হৈছিলো। কিন্তু আমি যিমানখিনি কষ্ট কৰি ৰাইজক সাহাৰ্য্য দিছো তাতকৈ বেচিকৈ দিব পাৰিলে আমাৰ অন্তৰ আত্মাই শান্তি পালেহেতেন। যদিও ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে, তথাপি ইয়াতকৈ আৰু বেচি কৰিব পাৰিলে তেওঁলোকে মনত বেচি

* Speech not corrected

আনন্দ পালেহেঁতেন। এতিয়া কথা হ'ল এই বিভাগে কেনেকৈ কাম বিলাক কৰিছে, কিবা খেলি মেলি কৰিছে নেকি আমাৰ আজিৰ সদনত আলোচনাৰ বিষয় বস্তু হিচাবে প্ৰতিফলিত হৈছে। প্ৰাকৃতিক দুৰ্যোগ বিলাক হওতে আগৰ চৰকাৰে যিমান সাহাৰ্য্য আগবঢ়াইছে তাৰ দুগুণ সাহাৰ্য্য আমাৰ চৰকাৰে আগবঢ়াইছে। তাৰ ভিতৰতো দুই এটা খেলিমেলি থাকিব পাৰে তাৰে আলোচনা আমি কৰিব পাৰো। প্ৰথমতে হ'ল সাহায্য আৰু পূণৰ সংস্থাপন বিভাগৰ মন্ত্ৰীৰ হাতত ধনৰ টোপোলা থাকে আৰু তেখেতেই চাৰিও ফালে ভগাই দিয়ে। শিক্ষা ক্ষেত্ৰত, ৰাস্তাপদুলিৰ ক্ষেত্ৰত এগ্ৰিকালচাৰ বিভাগৰ ক্ষেত্ৰত ইত্যাদিত টকাটো ভগাই দিব লাগে। যেনেই এজন পোষ্ট মাষ্টৰে মানিঅৰ্ডাৰ বিলাক বিভিন্ন ঠাইলৈ ভগাই দিয়ে তেনেকৈ এই বিভাগৰ মন্ত্ৰীয়েও নানা বিভাগলৈ টকা বিলাক ভাগ কৰি দিব লাগে। পি, ডব্লিউ, ডি, এগ্ৰিকালচাৰ, এডুকেচন ইত্যাদি বিভিন্ন বিভাগলৈ টকা বিলাক ভাগ কৰি দিয়ে। কিন্তু কাম কৰিছে নে কৰা নাই তাৰ পৰিপ্ৰেক্ষিতত সাহাৰ্য্য আৰু পুণৰসংস্থাপন বিভাগ মন্ত্ৰীক গালি পাৰিলে নহব। বিভিন্ন বিভাগে কি ধৰণে কাম কৰিছে সেইটো চাব লাগে। আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে মোৰ কথা শুনি আনন্দ পাইছে। যোৰাবাৰ বানপানীত ক্ষতি হোৱাৰ পাছত এ,টি, ৰোডটো ভাল কৰি আছে। কিন্তু ইমান লেহেম গতিত কাম কৰা হৈছে যে এতিয়াও যাতায়াতৰ অসুবিধা হৈ আছে। মই সিদিনা বিধান সভাত উপস্থিত থাকিব নোৱাৰিলো কেৱল ৰাস্তাৰ অসুবিধাৰ কাৰণে। ইমান লেহেম গতিত কি কাৰণে কাম কৰিব লাগে? আগৰ দিনত হোৱা হলে আমি যুদ্ধত হাৰিলো হেতেন। তাহানিৰ লাচিত বৰফুকণৰ দিনত একেৰাতিৰ ভিতৰতে গড় সাজিছিল। কিন্তু আজিৰ দিনত সেই কথা আমি পাহৰি গৈছো। গতিকে কাম বিলাক খৰটকীয়াকৈ কৰিলে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, মাজুলীত কেনেদৰে বানপানী হয় সেই কথাটো সকলোৱে জানে। মাজুলীৰ বাবে মন্ত্ৰী মহোদয়ে ৰিলিফ এণ্ড ৰিহেবিলিটেচনৰ বাবে যি ধৰণে ব্যৱস্থা লব লাগিছিল আৰু যি ধৰণে টকা পইচা মঞ্জুৰী দিব লাগিছিল সেইধৰণে বিশেষ ব্যৱস্থা একোৱে লোৱা নাই। এগ্ৰিকালচাৰৰ ক্ষেত্ৰত দেখা যায়, ৰিলিফ হিচাপে যিবিলাক চিদ দিয়া হয় সেইবিলাক চাহ বাগানৰ মানুহে নেপায়। মাত্ৰ সাধাৰণ গাঁৱৰ মানুহে এইবিলাক সা-সুবিধা পাই আছে। বাগানৰ মানুহক কি কাৰণে দিয়া হোৱা নাই আমি বুজি পোৱা নাই। আজিও চৰকাৰে বাগানৰ মানুহখিনিক ভোট দিয়াৰ সময়তহে বিচৰা যেন অনুমান হয়। কেৱল সাধাৰণ গাঁৱৰ মানুহেই যে ভোট দিছে এনে নহয়, চাহ

* Speech not corrected

বাগানৰ মানুহখিনিৰো ভোটৰ মূল্য থাকে বা আছে। কিন্তু এইবিলাক বৈষম্য কিয়? চাহ বাগানৰ লোক সকলৰো খেতি-বাতি যথেষ্ট নষ্ট হৈছে, সেই খেতি-বাতি বিলাকৰ বাবেও বিভিন্ন ধৰণে সহায় সহযোগ আগবঢ়াব লাগে। এতিয়া কথা হ'ল বানপানীৰ সময়ত তেওঁলোকে 'ৰিলিফ এণ্ড ৰিহেবিলিটেচন' বিভাগৰ পৰা কি পাইছে। যিবা দিয়ে সেয়েও নিচেই সামান্য। আজি আমাৰ চৰকাৰে সকলোৰে সমান ভাৱে আৰু যুক্তি সংগত ভাৱে যাতে সাহায্য পায় তালৈ লক্ষ্য ৰাখিব লাগে। অৱশ্যে বৰ্ত্তমান চৰকাৰে আগৰ চৰকাৰৰ তুলনাত যথেষ্টখিনি কাম কৰিছে, আৰু দুগুন উৎসাহেৰে কেনেকৈ কাম কৰিব পাৰি তালৈ মনোযোগ দিয়া উচিত। আজি যি টকা মাননীয় মন্ত্ৰী মহোদয়ে মঞ্জুৰী হিচাবে বিচাৰিছে সি নিচেই নগন্য। শেষত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ বাবে অনুৰোধ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰী আব্দুল হামিদ : মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্য্যোগৰ ক্ষেত্ৰত ৰাজহ মন্ত্ৰী মহোদয়ে কৰা দাবীত প্ৰস্তাৱৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে, এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি দু-আষাৰ কবলৈ ঠিয় হৈছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি জানো যে প্ৰত্যেক বছৰতে অসমত প্ৰাকৃতিক দুৰ্য্যোগত যথেষ্ট ক্ষয় ক্ষতি হয়। সেই বিলাক সাধাৰণতে বানপানী, খৰাং বতৰ, ধুমুহা আৰু অগ্নিকাণ্ডৰ ফলত হয়। বানপানীৰ সময়ত অসম চৰকাৰে লব লগা ব্যৱস্থা বিলাক ত্ৰুটিপুৰ্ণ হোৱা কাৰণে সাধাৰণতে বানপানীৰ পৰা বেচি ক্ষতি হোৱা দেখা গৈছে। কাৰণ বানপানীৰ প্ৰতিৰোধৰ বাবে স্থায়ী ব্যবস্থা এতিয়াও কৰা হোৱা নাই আৰু যেতিয়ালৈকে স্থায়ী ব্যৱস্থা পোৱা নাযায় তেতিয়ালৈকে ব্যাপক হাৰত প্ৰতি বছৰে সা-সম্পত্তি ধ্বংশ হৈ থাকিব, ক্ষতি হৈ থাকিব। গতিকে এটা স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা সোণকালে কৰিব লাগে। অতি গুৰুত্ব সহকাৰে এই ব্যৱস্থা হাতত লোৱা উচিত। দ্বিতীয়তে অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত অসমত প্ৰতি বছৰে যি ক্ষয়-ক্ষতি হয় তাক তুলনা কৰিব নোৱাৰি। প্ৰতি বছৰে বানপানীয়ে ৰাস্তা ঘাট, দলং ঘৰবাৰী, গৰু মহ আদি উঠাই লৈ যায়। আনকি মানুহো মৃত্যুৰ মুখত পৰে। ইয়াৰ প্ৰতিৰোধৰ বাবে নাওঁৰ ব্যৱস্থা কৰিব লাগে আৰু ওখ ঠাই সজাই ৰাখিব লাগে, যাতে বানপানী হলে ওখ ঠাইত আশ্ৰয় লব পাৰে। তেতিয়াহলে মানুহে প্ৰাণ হেৰুৱাৰ পৰা ৰক্ষা পাব পাৰে। তৃতীয়তে ধুমুহাৰ বাবে যিবোৰ ঘটনা

* Speech not corrected

ঘটে সেইবোৰ অবৰ্ণনীয়। উন্নত দেশ বিলাকত আমি দেখা পাওঁ যে নিজা বতৰৰ বাৰ্ত্তা যোগানৰ দ্বাৰা আগ জাননী দিয়ে তাৰ ফলত মানুহে বিপদৰ পৰা ৰক্ষা পৰে। বিপদাপন্ন ঠাই এৰি অন্য ঠাইলৈ গুচি যায়। গতিকে এনেকুৱা আগজাননীৰ সংকেট বিলাক দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে বানপানীয়েই হওঁক বা ধুমুহাই হওঁক তাৰ পৰা মানুহ বাচি থাকিবলৈ সক্ষম হব পাৰে। এইখিনি পৰামৰ্শ মন্ত্ৰী মহোদয়লৈ আগবঢ়াইছো যাতে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত গোটেই বিলাক ঠাইতে প্ৰতিৰোদমূলক ব্যৱস্থা যথা সময়ত লব পৰা যায়।

মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰাকৃতিক দুৰ্যোগৰ সময়ত যিবিলাক সাহায্য দিয়া হয় সেই বিলাক যাতে সকলোতে, সকলো ঠাইতে সমভাৱে দিয়া হয় তাৰ প্ৰতি নজৰ ৰখাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মহোদয়, মই এটি উদাহৰণ দিব বিচাৰিছো। মন্ত্ৰী মহোদয়ে এইবাৰ বিধান সভাৰ ৩০৬ নং প্ৰশ্নোত্তৰত কৈছে যে বাঘবৰ সমষ্টিৰ কেইখনমান গাঁৱত যেনে, দ'লগাওঁ, দ'লগাওঁ পথাৰ, মথাৰগুা, কাহিবাৰী, গৰলা আদি গাওঁ সমূহ সম্পূৰ্ণ ভাৱে বানপানীয়ে উঠুৱাই নিয়ে। মন্ত্ৰী মহোদয়ে মোৰ উক্ত প্ৰশ্নৰ উত্তৰ স্বীকাৰ কৰি কৈছে যে ৫৮ টা পৰিয়ালৰ ক্ষতি হৈছিল, আৰু তেওঁলোকক ২০০ টকাকৈ সাহায্য দিয়া হৈছিল। Affected people have been shifted to safer places. 3 families, out of 58 families, have already been given financial assistance at the rate of Rs. 200 per family but in respect of other 55 families, the matter is under process. যদি এইটোৱেই হয়, পুণৰ সংস্থাপনৰ ব্যৱস্থা হয় তেনেহলে কেনেকৈ হব। মই ইয়াৰ লিষ্ট উপায়ুক্ত আৰু মন্ত্ৰী মহোদয়কো দিছিলো। প্ৰায় ৫ শ মান পৰিয়াল বানপানীত ক্ষতি হৈছিল আৰু সেইদৰে লিষ্টও দিয়া হৈছিল। কিন্তু ৫৮ টা পৰিয়ালকহে মাত্ৰ সাহায্য দিয়াৰ বাবে ২০০ টকাকৈ দিয়া হ'ল। চৰকাৰে যদি ইমানখিনি ক্ষতিগ্ৰস্ত হোৱাৰ মূৰত মাত্ৰ ২০০ টকা সাহায্য দিয়ে ক্ষান্ত থাকে আৰু অন্য পিচত যদি কৰণীয় নাই বুলি ভাৱে তেতিয়াহলে সেইটো বৰ অন্যায় কৰা হয়। যুক্তিসংগত বাৱে সাহায্য দিয়া উচিত। যদি এইবাৰৰ পৰা তেনেকুৱা সাহায্যই দিয়া তেনেহলে মই মানুখিনিক কৈ দিম তেওঁলোকে এই দুশ টকা লব নেলাগে, নহলেও চলিব পাৰিব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

---

* Speech not corrected

* **Shri Abdul Rob Laskar :** Mr. Deputy Speaker Sir, it is not the first time we are discussing this subject, that is, natural calamities in this House. This subject is coming up for discussion in each and every session of this House. Sir, we have to live with this problem of floods because our country is born with some causes like poverty, increase of population, flood and draught and earthquake. So Sir, to me, probably it is not possible on our part to control flood and other natural calamities. Sir, there are some projects which are being implement and many other works also are going to be done, on the other hand, their is a process of construction, destruction and reconstruction is going on since after independence of our country. We have to spend a lot of money to tackle the natural calamities. This is, of course, non-productive spending. This non-productive spending is, in no way, helping our development. So, I think that we must find out some permanent and long term programme in other to solve this problem of the natural calamities like flood. Sir, not only that the flood is the natural calamities in our State that the people of Assam are victimised year after year and we the members of the House are giving emphasis for controlling this problem, but there are other natural calamities. The earthquake is the most dangerous for us. Sir, whenever a natural calamity befell in the country, since after independence even during the time of Jaharlal Nehru, Smti Indira Gandhi and our present dynamic Prime Minister, Rajib Gandhi, they properly surveyed the area affected by flood and other natural calamities and provided necessary relief fund. There has not been any distinction whether this state is West Bengal, or Assam or Andhra Pradesh or not. Whenever there was any natural calamity in this

* Speech not corrected

States the Central Govt. came forward and provided adequate fund for relief to these people who are effected. But Sir, in the year 1984 in the last part of the year, there was an earthquake in the heart of Sonai and many educational institutions, Govt. offices were damaged. The Sonai R.C.C. bridge, which was the life line of lakhs of people was very badly damaged and even today no vehicle can ply over. As a result of this, not only people are suffering for want to communication, but there has not been any development work on the other side of the bridge because no materials can be taken there. Sir, the Central Govt. provided fund, but Sir, unfortunately, no decision was taken within a period of two years whether the bridge will be constructed or the existing one will be repaired. Central Govt. has provided money at the right time. But Sir far the State Govt. is concerned there is not promptness and two years passed without taking a decision whether the bridge will be constructed afresh. I was very grateful to the Minister P.W.D. for his constructed that the bridge will be constructed afresh. Sir, while giving thanks to the P.W.D. Minister and also the Chief Minister, we request them to look into the matter so that the construction is started immediately for removing the difficulties of more than 3 lakhs of people belonging to not only my constituency but also belonging to other constituencies like Lakhimpur and Dhulai. The Central Govt. giving money but our State Govt. is not distributing the money equally to various parts of the State. Sir, the other day the Hon'ble Revenue Minister admitted on the flood of the House that there was discrimination. However, the Hon'ble Minister after realising the fact has assured that he would take action and I think, for this reason, the Deputy Commissioner

---

* Speech not corrected

was transferred. So far my request to this Govt. is that it should be very clean so far as distribution of the funds so that it can go to the Central Govt. would maintain the same attitude as in other non-Congress State. With these few works and supporting the Cut-motion moved by my Hon'ble friend, Altaf Hussain Mazumdar, I resume my seat.

* শ্রী হলিৰাম টেৰাং ঃ মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্য্যোগৰ শিতানত মন্ত্ৰী মহোদয়ে যি মঞ্জুৰী বিচাৰিছে তাত মই পূৰ্ণ সমৰ্থন জনাইছো। প্ৰাকৃতিক দুৰ্য্যোগ এটা বৰ ডাঙৰ সমস্যা কিন্তু তাৰ কাৰণে যি টকা ধৰা হৈছে অৰ্থাৎ ৭ কোটি ২৫ লাখ টকা নিচেই কম হৈছে বুলিহে মই ভাবো। অসমৰ প্ৰতিখন গাওঁকেই আজি প্ৰাকৃতিক দুৰ্য্যোগে চুই যায়। প্ৰায় প্ৰতিটো অঞ্চলতেই ই ধ্বংস কাৰ্য্য কৰে। আজি আমি এই শিতানত যি টকা পাছ কৰি দিম সেই টকা ৰিলিফ ৰিহেবিলিটেচন বিভাগে বিভিন্ন বিভাগৰ মাজত ভগাই দিয়ে প্ৰাকৃতিক দুৰ্য্যোগৰ ক্ষতিগ্ৰস্ত হোৱা অঞ্চলবোৰত সাহাৰ্য্য কামৰ কাৰণে। আজি অসমত বানপানী, খৰাং বতৰ, ধুমুহাৰ ধ্বংস লীলা সঘণে হৈ থকা হৈছে। কিন্তু এইবোৰ সমস্যা মোকা-বিলা কৰিবৰ কাৰণে এটা বিশেষ প্ৰশাসনিক বিভাগ নাই - এইটো ভাল কথা নহয়। সাধাৰণতে জিলাৰ উপায়ুক্তৰ তলত এখন ৰিলিফ কমিটি গঠন কৰা হয় বিভিন্ন বিভাগৰ বিষয়া সকলক লৈ এটা কথা ঠিক যে যেতিয়া বানপানী আহে তেতিয়া চৰকাৰৰ ফালৰ পৰা যি তৎপৰতাৰে সাহাৰ্য্য আগবঢ়োৱা হয় সি প্ৰশংসনীয়। কিন্তু বানপানী, হোৱাৰ পিচত, খৰাং বতৰ হোৱাৰ পিচত অঞ্চলবোৰত যি পৰিমাণে শস্য, ৰাস্তা, ঘৰ দুৱাৰ ইত্যাদি নষ্ট হয় তাৰ হিচাব বিভাগে ঠিক মতে কৰা দেখা নেযায়। চাউল, দাইল, চেনী, নিমখ টকা ইত্যাদি সাহায্য সামগ্ৰী বিতৰণ কৰিলেই সমস্যাৰ ওৰ নপৰে। আঁচলতে বানে বা খৰাং বতৰে বা ধুমুহাই কিমান শস্য নষ্ট কৰিলে, কিমান ৰাস্তা ঘৰ দুৱাৰ ভাঙিলে ইত্যাদিৰ শুদ্ধ আৰু সঠিক হিচাপ বিভিন্ন বিভাগে ঠিক মতে নিদিয়ে মানে দিয়া দেখা নেযায়। আমাৰ যি সকল বিধায়ক আছে তেখেত সকলেও সকলো সময়তে এইবোৰ চাব নোৱাৰে। যি সকল বিষয়াই এইবোৰ হিচাব দিয়ে তেওঁলোকৰ নিজা নিজা বিভাগৰ দ্বায়িত্বও পালন কৰিব লাগে, সেয়ে তেওঁলোকেও মনপুতি এনেবোৰ কামত ধৰিব নোৱাৰে। সেয়ে মই কওঁ প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে

---

Speech not corrected

এটা নিৰ্দ্দিষ্ট বিভাগ থাকিব লাগে যাৰ দ্বাৰা সকলো কাম কৰিব পৰা হয় সঠিক ভাবে। আমাৰ কাৰ্বিআংলং জিলাত এই বিষয়ত এটা পিকুলিয়াৰ অৱস্থাৰ সৃষ্টি হোৱা দেখা যায়। জিলাৰ ডি, চি বা এচ, ডি, অ'ৰ তলত ৰিলিফ কমিটি গঠন কৰা হয় আৰু তেওঁলোকে তলতীয়া বিষয়া বিশেষকৈ এচ, ডি, চি যাক আমাৰ তাত এ, আৰ, অ বোলা হয় তেওঁলোকে এই কাম কৰে। এ, আ, অ'ই মণ্ডলক পঠাই ক'ত কিমান ৰাস্তা, শষ্য, ঘৰ, দুৱাৰ নষ্ট হৈছে তাৰ প্ৰতিবেদন দিবলৈ কয়। কিন্তু কাৰ্বিআংলং জিলাৰ মণ্ডল সকল ৰাজ্য চৰকাৰৰ কৰ্ম্মচাৰী নহয়। তেওঁলোক জিলা পৰিষদৰ কৰ্ম্মচাৰী। এ, আৰু অ' যদিও এ, চি, এচ বিষয়া তেওঁ কিন্তু জিলা পৰিষদৰ ওচৰতহে জবাবদিহি দিব লাগে। ধুমুহা, বানপানী, বা খৰাং বতৰৰ কাৰণে কিমান লোকৰ কিমান শষ্য নষ্ট হল, ৰাস্তা পদুলি বেয়া হ'ল, ঘৰ দুৱাৰ ভাঙিলে তাৰ প্ৰতিবেদন যদি অশুদ্ধ ভাবেও মণ্ডলে দিয়ে তেন্তে তেওঁৰ ওপৰত অসম চৰকাৰে একো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে যদিহে জিলা পৰিষদ মান্তি নহয়। তেওঁৰ দুস্কাৰ্য্যৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। যোৱা আঠ বছৰে কাৰ্বিআংলং জিলাত যথেষ্ট প্ৰাকৃতিক দুৰ্য্যোগ হৈছে কিন্তু এইবোৰৰ সঠিক ক্ষয় ক্ষতিৰ হিচাব দিয়া হোৱা নাই। খৰাং বতৰত কিমান শষ্য ক্ষতি হ'ল তাৰ শুদ্ধ হিচাব নাই। কপিলি আৰু লাংপি নদীৰ উপত্যকা অঞ্চলত বানে কিমান শষ্য নষ্ট কৰিলে তাৰ শুদ্ধ হিচাব নাই আৰু ইয়াৰ কাৰণে উপায়ুক্ত বা মহকুমাধিপতিয়ে একো ব্যৱস্থা লব নোৱাৰে। আনহাতে এই শিতানত টকা পাছ কৰে অসম বিধান সভাই, অসম চৰকাৰে কিন্তু খৰচ কৰে জিলা পৰিষদে আনহাতে জিলা পৰিষদে এনে টকা পাছ নকৰে। এই প্ৰশাসনিক খেলিমেলিটো চৰকাৰে আতৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ অন্যান্য জিলা সমূহৰ কথা কব নোৱাৰো কিন্তু কাৰ্বিআংলং আৰু উত্তৰ কাছাৰ জিলাত আজি এই ব্যৱস্থা চলি আছে। এনেবোৰ কামৰ এটা লিগেল চিষ্টেম থাকিব লাগে। জবাবদিহি কৰাৰ ব্যৱস্থা থাকিব লাগে।

উপাধ্যক্ষ মহোদয়, মই এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব খুজিছো সেইটো হৈছে - কাৰ্বিআংলং আৰু উত্তৰ কাছাৰ জিলাৰ কাৰণে ৬ষ্ঠ অনুচ্ছেদত ২১ লাখ ১ হেজাৰ টকা ধৰা হৈছে আনহাতে জেনেৰেলত ৭ কোটি ৪ লাখ টকা ধাৰ্য্য কৰিছে। কিছুমান শিতানত জেনেৰেল এৰিয়াৰ কাৰণে এটা বেলেগ ধাৰ্য্য কৰা দেখুৱা হৈছে কিন্তু ৬ষ্ঠ অনুচ্ছেদত উক্ত শিতানবোৰৰ কাৰণে বেলেগে টকা

ধাৰ্য্য কৰা হোৱাই নাই - এই বিসঙ্গতি কি কাৰণে হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে। (সময়ৰ সংকেত) আৰু এটা কথা অসমত প্ৰাকৃতিক দুৰ্য্যোগ হবই কিন্তু ইয়াক আগতীয়া ভাবে জনোৱাত ৰাইজক সতৰ্ক কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ কাৰণে ৰিলিফ ৰিহাবিলিটেচন বিভাগৰ দায়িত্ব আএছ। অকল বানপানীৰ কাৰণেই নহয় অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে মনিটৰিং কৰাৰ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, সময় বৰ কম কাৰণে বেছি নকও ৬ষ্ঠ অনুচ্ছেদৰ কাৰণে ধাৰ্য্য নকৰা টকাখিনি দধ-ধাৰ্য্য কৰিব লাগে আৰু কাৰ্বিআংলংত যিটো পিকুলিয়াৰ চিষ্টেম আছে সেইএটা নোহোৱা কৰি এটা লিগেল চিষ্টেম প্ৰৱৰ্ত্তন কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰী জয়নাথ শৰ্ম্মা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যি সকল মাননীয় সদস্যই নেচাৰেল কেলমিটি গ্ৰান্টৰ বিপৰীতে কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই সকলৰ বিৰোধিতা কৰি মই মাত্ৰ দুটামান দিশত কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। প্ৰথম কথা হ'ল এই ৪১ নং গ্ৰান্টত কেতবোৰ হেড দেখুৱাইছে এই হেড বিলাকৰ ওপৰত ভিত্তি কৰি আমাৰ বিভিন্ন বিভাগত ধৰণে দুৰ্য্যোগত পৰা লোক সকললৈ পইছা দিয়া হয়। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো ইয়াৰ এফোৰেস্টেচনৰ নাম ১৯৮৭ চনত ৫ লাখ টকা ধৰা হৈছিল এই বছৰো ৫ লাখেই ধৰা হৈছে। এই বছৰ ক:ত হব সেইটো বেলেগ কথা কিন্তু যোৱা বছৰ এফোৰেস্টেচনৰ নামত এই টকা ক'ত খৰছ কৰিলে? প্ৰত্যেক হেডতে প্ৰত্যেক বিভাগতে নেচাৰেল কেলামিটিজৰ নামত টকা দিয়া হয় কিন্তু এই টকাৰ দ্বাৰা প্ৰকৃততে দুৰ্গত মানুহবিলাকৰ কিবা উপকাৰ হৈছে নে? ইয়াৰ কিবা বিচাব নিকাচ লোৱা হয় নে? এই মঞ্জুৰীৰ নামত পইচা খৰছ হব কিন্তু কৰোতে প্ৰত্যেক বিভাগৰ পৰা এই বিভাগে কিবা হিচাব লৈছে নে? আমি জানো এফোৰেস্টেচনৰ নামত যি টকা দিয়া হৈছে তাত ৰেভিনিৰেই কাম নকৰে কাম কৰিব ফৰেস্ট বিভাগে। গতিকে ফৰেস্ট বিভাগে এফোৰেস্টেচনৰ এই ৫ লাখ টকা ক'ত খৰচ কৰিলে। মই কথা কব বিচাৰিছো Natural calamities, afforestation, the assistance to the farmers for purchase of agricultural inputs, agricultural input, supply of fodder, veterinary, public health, G.R. General relief, gratuitious relief, beneficiaries, ১৯৮৬-৮৭ চনত প্ৰায় ১ কোটি টকা, ১৯৮৭-৮৮ চনত ১ কোটি টকা আৰু ৮৮-৮৯ চনতো ১ কোটি টকা ধাৰ্য্য কৰা হৈছে। এতিয়া

Speech not corrected

কথা হ'ল ১ কোটি টকা এগ্রিকালচাৰ ইমপুটৰ কাৰণে খৰছ কৰি তাৰ পৰা কৃষক সকলে কিবা পালে নে নাই। টকা খৰছ হ'ল নে নাই? এই মঞ্জুৰীটো ৰাজহ মন্ত্ৰীয়ে পাচ কৰি নিব কিন্তু খৰছ কৰিব দিব কাৰোবাক। গতিকে এই বিভাগৰ হিচাব নিকাচ লোৱাৰ অধিকাৰ আছেনে নাই? মই কেইটামান কথা কব বিচাৰিছো যোগান, পশু চিকিৎসা আদিত টকা দিয়া হৈছে স্বাস্থ্যৰ নাম ১ কোটি ৬ লাখ টকা যোৱা বছৰ দিয়া হৈছিল এইবাৰো ধৰা হৈছে। এই টকাৰে দুৰ্গত মানুহৰ কাৰণে ঔষধ কিনিব লাগে কিন্তু সৎ কামত ব্যৱহাৰ হৈছে নে নাই এইবিলাক কথা চাব লাগে। আমাৰ মনলৈ আহিছে ১৯৮৩ চনত মাননীয় সদস্য শ্ৰী দেবেশ্বৰ বৰাই কথাটো উল্লেখ কৰি কৈছে বহু কোটি টকা জি, আৰৰ নামত দিয়া হ'ল। মই মাননীয় মন্ত্ৰী মহোদক অনুৰোধ কৰিছো ১৯৮৩ চনত চাউলখোৱা চাপৰীত য'ত মানুহ নাই ঘৰবাৰী নাই কোনো মানুহৰ একজিচটেঞ্চ নাই তাত মানুহৰ নাম দি টকা দিছে এনেকৈ প্ৰায় সকলো বিলাক জিলাতে ১৯৮৩ চনত জি, আৰৰ নামত বহু কোটি টকা দিয়া হ'ল তাৰ এটা বিতং তদন্ত হব লাগে। এইটোৰ ইয়াৰ কাৰণেই তদন্ত কৰিব লাগে যে এইটো এটা ৰাজনৈতিক প্ৰশ্ন। এই ৰাজনৈতিক প্ৰশ্নৰ কাৰণেই ১৯৮৩ চনত কেন্দ্ৰীয় চৰকাৰে অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ বিপৰীতে এই কায়দা লৈছিল। ৰাজনৈতিক কাৰণত জি, আৰৰ টকা বিতৰণ কৰি চৰকাৰৰ সমৰ্থন বৃদ্ধি কৰিছিল। আঁচলতে এই টকা পাব লাগিছিল কোনে? গতিকে মই মন্ত্ৰী মহোয়ক অনুৰোধ কৰিছো ১৯৮৩ চনত কোনে কেনেকৈ পইছা দিলে কাক কেনেকৈ কোটি কোটি টকা বিলালে সেইবিলাক টকাৰ অপব্যয় হ'ল নে ভাল ব্যয় হ'ল তাৰ আজি হিচাব নিকাচ কৰাৰ প্ৰয়োজন হৈছে। অসমৰ সৰ্ব্বসাধাৰণ ৰাইজে এইবিলাক কথা আজি জনাৰ প্ৰয়োজন হৈছে। ১৯৮৩ চনৰ নিৰ্ব্বাচনত যি সকল লোকে দুৰ্যোগত পৰিছিল সেই সকল লোকে কিন্তু প্ৰকৃততে পাবলগীয়া সাহায্য নাপালে। মই তাৰ দুটামান উদাহৰণ দিব বিচাৰিছো - ছিপাঝাৰ সমষ্টিৰ যি সকল থলুৱা অসমীয়ালোক যাৰ ঘৰপুড়ি ভস্মীভুত হ'ল তেওঁলোকে ঘৰ জ্বলালে তেওঁলোকে কিন্তু কোনোধৰণৰ সাহায্য নাপালে। আমাৰ চৰকাৰ অহাৰ পিছত মই মন্ত্ৰী মহোদয়ক কৈছিলো তেতিয়া তেখেতে কৈছিল যে বাজেট প্ৰভিজন কৰি দিব পাৰি নেকি চাম, আজি দেৰ বছৰ হ'ল কিন্তু একো নকৰিলে। এতিয়া কথা হ'ল চাউলখোৱা চাপৰীখন এখন পি, জি, আৰ। তাত কোনো মানুহ বা গাওঁ নাই কিন্তু তাত ৫০০ মানুহ থকা বুলি কিছুমান কাল্পনিক মানুহৰ নাম দি লক্ষ্য লক্ষ্য টকাৰ টিনপাত দিয়াৰ ব্যৱস্থা কৰিলে।

* Speech not corrected

অৰ্থাৎ ১৯৮৩ চনত চাউলখোৱা চাপৰিৰ প্ৰত্যেকঘৰ মানুহেই টিনপাত পাইছে। কিন্তু আজি যদি সোধে তেওঁলোকে টিনপাত দেখুৱাব নোৱাৰে। টিনপাত দিয়া মানে প্ৰতিঘৰ মানুহৰ চালত টিনপাত দেখিব লাগিছিল কিন্তু তদন্ত কৰিবলৈ গলে দেখিব কাৰো ঘৰত টিনপাত নাই। গতিকে ইয়াৰ এটা হিচাব নিকাচ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো (সময়ৰ সংকেত) উপাধ্যক্ষ মহোদয় মই সিদিনাও কৈছিলো যে আমি দুৰ্য্যোগত পৰা লোক সকলক ৫০ টকাকৈ বা ২০০ টকাকৈ বা ৩ হেজাৰ টকাকৈ দিয়া হৈছে। কিন্তু আমি যাক দিলো বা যিজন মানুহে পালে সেই মানুহজনৰ যিখিনি ক্ষতি হ'ল সেই ক্ষতি এই টকাৰে পূৰণ হব নে নহয় তাৰ এটা হিচাব ধৰি দৰ্কাৰ হলে এই আইনৰ সংশোধন কৰিব লাগে। ১৯৮৬-৮৭ চনত দৰং জিলাৰ উত্তৰ অঞ্চলত খৰাংবতৰ হোৱাত জিলা ভিত্তিত সাহায্যৰ ব্যৱস্থা লোৱা হৈছিল কিন্তু তাত টকা হিচাবে কাকো দিয়া নাই। দুখীয়া মানুহবিলাকে যাতে ২ টকাত চাউল পায় তাৰ কাৰণে ৬ মাহ ধান কিনি চাউল কৰি খুউওৱ হৈছে। জি, আৰৰ টকা সমবায়ক দি দিয়া হৈছে ৬ মাহ তেওঁলোকক ৰেচন বিলাবলৈ। গতিকে ৬ মাহ তেওঁলোকে ৰিলিফ পালে। গতিকে দুশ টকাকৈ টকা নিদি ২০০ দিনত এক কেজিকৈ চাউল এটকা দামত যি সময়ত চাউলৰ দাম ৪ টকা আছিল সেই খাবলৈ নোপোৱা মানুহখিনিয়ে যথেষ্ট সহাৰি পালে। সেই দুৰ্দ্দশাগ্ৰস্ত লোক সকলৰ যাৰ শালিধানৰ খেতি নাই এতিয়া তেওঁলোকৰ খাবলৈ নাই মই মন্ত্ৰী মহোদয়ক দামত চাউল দিয়াৰ কথা কৈছিলো কিন্তু দুৰ্গত লোক সকলৰ কাৰণে তৎকালীনভাবে সাহায্য দিয়াৰ কথা কৈছিলো কিন্তু তেখেতে চাবচিডিৰ ব্যৱস্থা নাই বুলি কলে বা চাবচিডি নহলে নিদিয়ে। কিন্তু দুৰ্গতি লোক সকলৰ কাৰণে তৎকালীনভাবে সাহায্য দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নোৱাৰে? (সময়ৰ সংকেত) মাননী উপাধ্যক্ষ মহোদয় মই এইখিনিতে এটা কথা সোধৰাই দিব বিচাৰিছো আমাৰ যিবিলাক হেডত টকা দিয়া হয় সেই টকা বিলাকৰ কাৰণে সেই হেড বিলাকে মূল হেডত একাউন্টেবেলিটি হয় নে নহয়? আৰু যদি হয় তেনেহলে তাৰ ব্যৱস্থা আমি কৰি লব লাগে। টকাখিনি সৎ ব্যৱহাৰ কৰিছে নে নাই তাৰ হিচাব নিকাচ বিছৰাৰ আমাৰ অধিকাৰ থকা উচিত। ১৯৮৩ চনত কোটি কোটি টকা কি ধৰণে কাক কেনেকৈ দিয়া হ'ল তাৰ এটা বিতং প্ৰশাসনিক তদন্তৰ প্ৰয়োজন। যোৱা বানপানীত দুৰ্গত লোৱা লোক সকলৰ জীয়াই থাকিবৰ কাৰণে চাউল আটা আৰু ঘেহুৰ দাম অন্ততঃ দুটকাকৈ জি, আৰত কমাই দিয়াৰ পৰামৰ্শ দি মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰী পদ্মনাথ কৈৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে প্ৰাকৃতিক দূৰ্যোগৰ শিতানত ৰাজহ বিভাগৰ যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক সমৰ্থন কৰিছোঁ সেই টকাটো দিব লাগে। কাৰণ অন্য ঠাইত নহলেও অসমত প্ৰায় প্ৰতি বছৰেই আৰু বাৰ মাহেই কিবা নহয় কিবা কাৰণত প্ৰাকৃতিক দূৰ্য্যোগ হৈয়ে থাকে। সেই বিলাকৰ ভিতৰত বানপানী, ধুমুহা, ৰ'দ বা কেতিয়াবা জীৱজন্তুৰ উপদ্ৰৱতো তেনে ধৰণৰ প্ৰাকৃতিক দূৰ্য্যোগ হয়। সেয়ে অসম চৰকাৰে আজি এই দূৰ্য্যোগ বিলাকৰ পৰা মানুহক ৰেহাই দিব কাৰণে আজি এই টকাটো ইয়াত নিছে যাতে আমি মুকলিমূৰীয়া ভাৱে এৰি দিওঁ। আমি এৰি দিম কিন্তু কথা হ'ল এই টকা বিলাকৰ সদ্ব্যৱহাৰ হৈছে নে নাই সেই ক্ষেত্ৰত চৰকাৰ সজাগ হয়নে নহয়। আমি কিছুমান ক্ষেত্ৰত দেখোঁ যত যি কামৰ কাৰণে টকাটো দিয়া হয় সেই টকাটো প্ৰকৃততে থলীত পাইছে নে নাই সেই সম্পৰ্কে চৰকাৰ সজাগ নহয় নেকি? কৰবাত প্ৰাকৃতিক দূৰ্য্যোগ হলে চৰকাৰে সাহায্য দিয়া বুলি কয় কিন্তু আমি নিজে গৈ চালে দেখোঁ প্ৰকৃততে সেই পৰিমাণৰ সাহাৰ্য্য তাত দিয়া হোৱা নাই। বা মানুহে পোৱা নাই। প্ৰাকৃতিক দূৰ্য্যোগৰ ভিতৰত অসমত জুইৰ ঘটনাতো অতি ভয়ানক। যেতিয়া কোনো গাওঁ অঞ্চলত জুই লাগে চৰকাৰৰ যি নিয়ম আছে সাহায্য দিয়াৰ সেই সাহায্য কিন্তু তৎকালীনভাবে দিয়াৰ ব্যৱস্থা নাই। মানুহে দৰ্খাস্ত কৰে কিন্তু ১-২ মাহৰ পিছত হয়তো কিবা পায়। কিন্তু পায় কি। উপায়ুক্তৰ টকা ৭৫ টকা দিয়া হয়। সেইটো সেই মানুহজনৰ জীৱন বা ধ্বংস হৈ যোৱা ঘৰটোৰ বাবে যথেষ্ট নহয়। গতিকে এইটোৰ এটা সময় সীমা বান্ধি দিব লাগে যাতে তৎকালীনভাৱে কিবা ব্যৱস্থা কৰি সাহায্য দিব পৰা যায়। তাৰোপৰি অসমৰ সীমান্ত অঞ্চল বিলাকত হাতীৰ উপদ্ৰৱ হয়, এইটোও আমি প্ৰাকৃতিক দূৰ্য্যোগ বুলিয়েই লব লাগিব। কাৰণ হাতীয়ে মানুহৰ ঘৰ দুৱাৰ ভাঙে, মানুহো মাৰে। সেই ক্ষেত্ৰত কিন্তু সাহায্য দিয়া নহয়। অৱশ্যে মোৰ সমষ্টিত কেইজনমান মানুহৰ প্ৰাণ হানি হওঁতে চৰকাৰে সাহায্য দিছে, সেইটো মই ইয়াত লাগি আছোঁ কাৰণেহে হৈছে। কিন্তু বাকী অন্য ঠাইত পোৱা নাই। মোৰ ওচৰতে বিহালীত হাতীয়ে বহু মানুহৰ ঘৰ ভাঙিলে মানুহ মাৰিলে তেওঁলোকে এতিয়াও পোৱা নাই। আকৌ যোৱা বাৰ হাতীয়ে ৪০০ বিঘামান মাটিৰ ধান একেবাৰে নষ্ট কৰি পেলালে, এই মানুহখিনিৰ এতিয়া খাবলৈ নাই। চৰকাৰৰ পৰা কাগজহে আহিছে হয়তো সাহায্য অহা বছৰহে পাব। এনে ধৰণৰ প্ৰাকৃতিক দূৰ্য্যোগৰ কথা বিলাক অলপ চিন্তা কৰি তৎকালীনভাৱে দিবপৰা যায় নেকি তাৰ

ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা হ'ল বানপানী, বানপানী হলে অন্যৰ ভাল লাগে, শুনাৰ ভাল লাগে চৰকাৰী ধন আত্মসাতৰ বাবে ভাল লাগে। কিন্তু বানপানীৰ সময়ত সাহায্য দিয়া ক্ষেত্ৰত দেখা যায় অৱশ্যে কবলৈ অলপ দুখো লাগে যে কিছুমান বিষয়াৰ সুদৃষ্টি আৰু কুদৃষ্টিৰ ওপৰত কিছু কথা নিৰ্ভৰ কৰে। সুদৃষ্টি নাথাকিলে একো নাপায় আৰু থাকিলে বানপানী নোহোৱা ঠাইতো সাহায্য পায়। কিবা মুখ চাই দিয়ে নেকি? নৈতিক নেতাৰ প্ৰভাৱতো সাহায্য পোৱা দেখা যায়। লাগে বানপানী তাত হওকেই বা নহওকেই। এইবিলাক বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। আজি এই দাবীৰ টকা আমি এৰি দিছোঁ কিন্তু ইয়াৰ প্ৰতিটো পইচাৰ সদ্ব্যৱহাৰ হলে আমি ভাল পাম, অসমৰ ৰাইজেও ভাল পাব। গতিকে মই এই টকাৰ ওপৰত সমৰ্থন জনাইছোঁ আৰু পাৰিলে অলপ বেছিকৈ দিবলৈও কৈছোঁ, এইখিনিতে কৈয়েই মই মোৰ বক্তব্য সামৰণী মাৰিলোঁ।

* **শ্ৰী আব্দুল মুক্তাদিৰ চৌধুৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি দুই এটা কথা কব বিচাৰিছো। প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে সাত কোটি পয়ত্ৰিশ লাখ টকা মঞ্জুৰী মন্ত্ৰী মহোদয়ে বিচাৰিছে। এই মঞ্জুৰী অতি কম বুলি আমি ভাবো। কাৰণ আজি দুমাহৰ আগতে ধুমুহাৰ পিচত কথা কওঁতে মন্ত্ৰী মহোদয়ে এটা পইচাও নাই বুলি কৈছিল। প্ৰাইম মিনিষ্টাৰৰ ৰিলিফ ফাণ্ডৰ পৰাহে এক লাখ টকা আনি দিব পাৰিছে। কৰিমগঞ্জ ধুমুহা হওতে হাতত এটা পাইচাও নাই বুলি মন্ত্ৰী মহোদয়ে কৈছিল। আঁচলতে প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে পইচা হাতত জমা থাকিব লাগে। খৰচ নহলেও কথা নাই কিন্তু পইচা হাতত থাকিব লাগে। আমাৰ ডি, চি, এচ-ডি-অ সকলে প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে জোন বান্ধি তেনে সম্ভাব্য দুৰ্য্যোগৰ কাৰণে সাজু হৈ থাকিব লাগে। কেনে ভাবে দূৰ্য্যোগ আহে কোনেও কব নোৱাৰে। বানপানী হব পাৰে, ধুমুহাও আহিব পাৰে আৰু আন কোনো বিধৰ দুৰ্য্যোগ আহিব পাৰে কিন্তু তাৰ কাৰণে জোন বান্ধি আগতীয়াকৈ হাতত পইচা ৰাখি সাজু হৈ থকা প্ৰয়োজন। অসমত বানপানী হয়েই আৰু তাৰ কাৰণে সকলো কম বেছি পৰিমাণে সাজু থকা দৰকাৰ। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহিব তাৰ পিচতহে দিব পৰা হব এই আশা কৰি বহি থাকিলে নহব। ১৯৭২ চনত মুখ্যসচিব কিডওৱাই চাহাব আছিল তেখেতে কৈছিল যে নাওঁ সাজিব লাগে, ইমান বানপানী হৈয়েই থাকে তেখেতসকলে কি কৰিব? এইটো আঁচলতে ধেমালী কৰিয়েহে কৈছিল যদিও

Speech not corrected

কথাটো সঁচাই। আমাৰ প্ৰাকৃতিক দুৰ্য্যোগৰ মখামুখি হ'ব পৰাকৈ যথেষ্ট সংখ্যাক নাওঁ নাই। প্ৰাকৃতিক দুৰ্য্যোগ বুলিলে বানপানী, ধুমুহা বা খৰাং বতৰ যিকোনো হ'ব পাৰে। কিন্তু এই বিলাকৰ কাৰণে কেনেদৰে ব্যৱস্থা লব পৰা হয় সেই অনুসৰি কমিটি আদি কৰি ৰখা হৈছে, জোন ভাগ কৰি ডি-চি আৰু এচ-ডি-চি অ' সকল সেই অনুসৰি দায়িত্ব দিয়া হৈছে যদিও সময়ত দেখা যায় সকলো দায়িত্ব গৈ বি-ডি-অ সকলৰ ওপৰত পৰেগৈ। ক্ষতিগ্ৰস্ত মানুহক দিয়াৰ কাৰণে, সাহায্য পুনৰসংস্থাপন সকলো বিলাক কথা গৈ বি-ডি-অৰ মাধ্যমতহে হ'ব লগীয়া হয়। অফিচাৰ যি সকল যায় এই বিলাক চুপাৰভিজন আদি কৰিবৰ কাৰণে সেই সকলেও একো কৰিব নোৱাৰে কিয়নো বানপানীত ঘুৰিবৰ কাৰণেও নাওঁ আদিৰ অভাৱ। বি-ডি-অ, ডি-চি, বা এচ-ডি-অ কাৰো তলত নাওঁ আদি নাই। পশ্চিম বঙ্গৰ পৰা বেগ নাওঁ কিছুমান আনে যদিও বানপানী শেষ হোৱাৰ লগে লগে তেওঁলোকৰ পৰা লাইচেন্স বিচাৰে কিন্তু আকৌ এটা বানপানী আহিব বুলি কিছুদিন ৰাখিবলগীয়া হয় তাৰ পিচত আকৌ বিচাৰিলে পুনৰ দিন বঢ়াবলগীয়া হয়। কিন্তু আমাৰ চৰকাৰে কিয় বেগী নাওঁ আনিব নোৱাৰে?

ভইচ ঃ আজি ৩৮ বছৰে নহল।

৩৮ বছৰেও নহল যদিও এতিয়া হ'ব পাৰে। হ'ব লাগে। এতিয়া পৰিবেশ পৰিস্থিতিৰ লগত সমানে মিলাই যাব লাগিব। এতিয়া একৈশ শতিকাৰ দিন। নতুন যুগৰ সৃষ্টি হৈছে। তেনে ক্ষেত্ৰত ৫০ বছৰ আগৰ কথা ভাবিলে নহ'ব। এতিয়া আগত একৈশ শতিকাৰ কথা ভাবি সেই অনুক্ৰমে সাজু হৈ থাকিব লাগে। পইচা নাই যদি আমি বিধান সভাই পইচা দিম। নাওঁ কিনিব লাগে আৰু কিবা লাগিলে কিনিব লাগে কিন্তু সময়ৰ কাৰণে সাজু হৈ থাকিব লাগে।

উপাধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্যোগৰ লগতে বিশেষকৈ খোৱা পানীৰ নিতান্ত আৱশ্যক হয়। সেই কাৰণে পি-এইচ-ই বিলাক এই সময়ত সক্ৰিয় হৈ থাকিব লাগে। তাৰ লগে লগে পশুপালন আৰু পশু চিকিৎসা বিভাগ সক্ৰিয় হ'ব লাগে কিয়নো বানপানী আদি দুৰ্য্যোগ হ'লে পশু বিলাকৰেই আটাইতকৈ বেছি অসুবিধা হয়। গৰু ম'হ বেমাৰত পৰে আৰু উটি ভাহি যায় বহুত। ভেটেৰিনাৰি বিভাগৰ পৰা খৰতকীয়া ব্যৱস্থা লব লাগে।

৩৮ বছৰেও নহল যদিও এতিয়া হ'ব পাৰে। হ'ব লাগে। এতিয়া পৰিবেশ পৰিস্থিতিৰ লগত সমানে মিলাই যাব লাগিব। এতিয়া একৈশ শতিকাৰ দিন। নতুন যুগৰ সৃষ্টি হৈছে। তেনে ক্ষেত্ৰত ৫০ বছৰ আগৰ কথা ভাবিলে নহ'ব। এতিয়া আগত একৈশ শতিকাৰ কথা ভাবি সেই অনুক্ৰমে সাজু হৈ থাকিব লাগে। পইচা নাই যদি আমি বিধান সভাই পইচা দিম। নাওঁ কিনিব লাগে আৰু কিবা লাগিলে কিনিব লাগে কিন্তু সময়ৰ কাৰণে সাজু হৈ থাকিব লাগে।

উপাধ্যক্ষ মহোদয়, প্ৰাকৃতিক দূৰ্য্যোগৰ লগতে বিশেষকৈ খোৱা পানীৰ নিতান্ত আৱশ্যক হয়। সেই কাৰণে পি-এইচ-ই বিভাগ এই সময়ত সক্ৰিয় হৈ থাকিব লাগে। তাৰ লগে লগে পশুপালন আৰু পশু চিকিৎসা বিভাগ সক্ৰিয় হ'ব লাগে কিয়নো বানপানী আদি দুৰ্য্যোগ হলে পশু বিলাকৰেই আটাইতকৈ বেছি অসুবিধা হয়। গৰু ম'হ বেমাৰত পৰে আৰু উটি যায় বহুত। ভেটেৰিনাৰি বিভাগৰ পৰা খৰতকীয়া ব্যৱস্থা লব লাগে। ভেটেৰিনাৰী ডাক্তৰ যিমান লাগে তাৰ শতকৰা পঞ্চাশ ভাগ নাই। (সময়ৰ সংকেত)

কৰিমগঞ্জতে ১৬টা পোষ্ট আছে তাৰ ঠাইত আছে তিনিজন। তাৰে এজন প্ৰমোচন পাই যাবলৈ ওলাইছে থাকিব মাত্ৰ দুজন। কিন্তু তাত থকা ভি-এফ-একে মানুহে চাৰ্জন বুলি জ্ঞান কৰি আছে। তাতো আকৌ দৰবৰ অসুবিধা। ক'ৰবাত ক'ৰবাত দুহাজাৰ টকাৰ ঔষধ দিয়া হয়। বছৰটোৰ কাৰণে। ক'ৰবাত কিন্তু সাত আঠ হাজাৰ টকাৰ ঔষধ দিয়া হয়। এইটো চাব লাগে। বানপানীৰ পিচত যুজ কৰিব পৰা ধৰণে বিভাগটোক সব কৰি ৰাখিব লাগে। তাৰ কাৰণে উপযুক্ত ব্যৱস্থা লবলৈ মই অনুৰোধ কৰিলো। তাৰপিচত দেখা যায় বহু ক্ষেত্ৰত বানপানীৰ কাৰণে সাহায্য কমিটি কৰি দিয়া হৈছে যদিও ক্ষতিগ্ৰস্ত হোৱা লোকেও সাহায্য পোৱাত অসুবিধা হয় আনকি কম ক্ষতিগ্ৰস্ত হোৱা লোকেও সহজে সাহায্য পায়। দুখীয়া যি সকলৰ মানুহৰ ঘৰবাৰী সঁচাকৈয়ে ক্ষতিগ্ৰস্ত হয় সেই সকলে সাহায্য পোৱাৰ সময়ত নিজৰ নিজৰ ঘৰবাৰী সজাই লোৱাত ব্যস্ত থাকে আৰু যাৰ কম ক্ষতিগ্ৰস্ত হৈছে সেই সকলে বেছি পৰিমাণে সাহায্য লোৱাৰ সুবিধা হয়। সেই কাৰণে বানপানী হোৱাৰ আগতে এৰিয়া বিলাক চিহ্নিত কৰি সেই মতে যুজ কৰিবপৰাকৈ ব্যৱস্থা আগতীয়াকৈ লব লাগে। প্ৰাকৃতিক দুৰ্য্যোগ হলে মানুহৰ কষ্ট হ'ব সেইটো ঠিক কিন্তু তাক কিছু কম কৰিব পাৰি নেকি আৰু কি ভাবে সাহায্য আদি খৰতকীয়া

ভাবে দিয়া ইত্যাদি বিষয়ক আগতীয়া ব্যৱস্থা কৰি পইচা আদি হাতত ৰাখি উপযুক্ত ব্যৱস্থা লব লাগে। সকলোবোৰ মেচিনাৰি গিয়েৰআপ কৰি ৰাখিব লাগে। তেতিয়াহলে মানুহৰ কষ্ট কম হব আৰু সময়মতে সাহায্য আদি পাব। কিয়নো প্ৰাকৃতিক দুৰ্যোগ অসমৰ বাবে নতুন কথা নহয়। কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য পালে ভাল। কিন্তু সেই বুলি কেন্দ্ৰীয় চৰকাৰৰ পৰা কোটি কোটি টকা সাহায্যৰ নামত আনি খেলিমেলি কৰিলেই ৰাইজে তাৰ ধন নাপাব। কেন্দ্ৰীয় চৰকাৰে কম টকা দিছে বুলি কৈ লাভ নাই কিয়নো কেন্দ্ৰীয় চৰকাৰে কোনো ষ্টেট কে যিমান বিচাৰে সিমান টকা দিব পৰা নাই। এইক্ষেত্ৰত এইটো ঠিক যে পোৱা আৰু চোৱা একেই কথা হব নোৱাৰে। যিমান চোৱা যায় সিমান যে পামেই তাৰ কোনো নিশ্চয়তা নাই।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কৈ শেষ কৰিম। আমাৰ ইয়াতো পশ্চিমঙ্গৰ নিচিনাকৈ বিশেষ গতিবেগী নাওঁৰ ব্যৱস্থা কৰিব লাগে। সেই নাওঁ বিলাক ডি-চি আৰু এচ-ডি অ আদি অফিচাৰ সকলৰ তলত ৰাখি সেই মতে বানপানী আদি প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত তৎক্ষণাত ব্যৱহাৰ কৰিব পাৰে তাৰ কাৰণে সাজু কৰি ৰাখিব লাগে. এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰী গণেশ কুটুম** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰাকৃতিক দুৰ্য্যোগ শিতানত যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্য ৰাখিব বিচাৰিছো আমাৰ সৰহ ভাগ মাননীয় সদস্যই এই বিষয়ত বিভাগটোৰ কাৰণে টকা পইচা কম হোৱা বুলি দুখ প্ৰকাশ কৰিছে আৰু দিয়া টকাখিনি যাতে সদ্ব্যৱহাৰ কৰা হয় তালৈ লক্ষ্য ৰাখিবলৈ উনুকিয়াইছে আৰু ইতিমধ্যে খৰচ হোৱা টকাখিনিৰ ওপৰত উদ্বেগ প্ৰকাশ কৰিছে। মোৰ কথা হ'ল আমাৰ মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই কোৱাৰ দৰে যি যি বিভাগে টকা খৰচ কৰে সেই সংশ্লিষ্ট বিভাগক সেই অংকৰ টকাৰ কাৰণে জবাবদিহি কৰিব লাগে। মই এইটো অনুভৱ কৰিছো যে ৰাজহ মন্ত্ৰীয়ে পোষ্ট অফিচৰ পোষ্টমাষ্টৰৰ নিচিনা কাম কৰিছে। বিভিন্ন বিভাগৰ কাৰণে টকা বিলাক গ্ৰান্ট কৰি বিলাই দিছে আৰু বিভিন্ন বিভাগৰ পৰা ইউটিলাইজেশ্বন চাৰ্টিফিকেট বিলাক সংগ্ৰহ কৰাই যেন তেখেতৰ কাম হৈছে আৰ তেখেতৰ বিভাগৰ কাম হৈছে। অথচ ইয়াত তেখেত সমালোচনাৰ সন্মুখীন হৈছিল। অসমীয়াত এটা কথা আছে যে কেকেটুৱাই তামোল খায় নেউলক বান্ধি কিলায়।

---

* Speech not corrected

এতিয়া কেৰ্কেটুৰা বিলাকে তামোল খাই গুছি যায়। বিভিন্ন বিভাগে বানপানীৰ সময়ত জধে মধে টকা পইচা খৰচ কৰি থাকে কিন্তু সমালোচনাৰ হয় ৰাজহ বিভাগ। অথচ সেইখিনি কন্ট্ৰল কৰিবলৈ বা তদাৰক কৰিবলৈ মন্ত্ৰী বা দপ্তৰৰ কোনো ক্ষমতা নাই। তেখেতৰ দায়িত্ব ইউটিলাইজেশ্বন চাৰ্টিফিকেট পোৱাতে শেষ। ইয়াৰ এটা আমুল পৰিবৰ্তন লাগে। যি বিলাক বিভাগ সংশ্লিষ্ট সেই বিভাগে জনসাধাৰণৰ উপকাৰত আহিব পৰাকৈ সেই বিভাগৰ পৰা কাৰ্য্যপন্থা লওক আৰু সেই ধৰণে ব্যৱস্থা হাতত লব লাগে। ৰাজহ বিভাগটো শক্তিশালী কৰি তোলাৰ প্ৰয়োজন। আমি দৰকাৰ হলে কেন্দ্ৰীয় চৰকাৰৰ গাইডলাইনৰ সংশোধন কৰি হলেও এইবিলাক ক্ষেত্ৰত ব্যৱস্থা লব লাগে। কেৱল কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰি বহি নাথাকি ৰাজ্যখনৰ নিজৰ পুঁজিৰ পৰাও এই শিতানত গুৰুত্ব দিয়া উচিত হব। কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা দিব তাক লৈ আমি আক্ষেপ নকৰো। কিয়নো বানপানী অসমৰ কাৰণে এটা চিৰকলীয়া সমস্যা। সেই সমস্যাৰ ওপৰত আমি নিজে গুৰুত্ব দিব লাগিব। আমি সেই ভাবে গুৰুত্ব আৰোপ কৰি তাৰ ওপৰত অগ্ৰাধিকাৰ দি বিভাগটো ভালদৰে উপযোগী কৰি তুলিবলৈ আমাৰ ফালৰ পৰা ব্যৱস্থা লব লাগে যাতে ইয়াৰ দ্বাৰা জনসাধাৰণক প্ৰকৃততে উপকাৰ কৰিব পাৰি। ইয়াৰ কাৰণে ৰাজ্য চৰকাৰৰ নিজৰ ৰবীয়াকৈ বিশেষ পুঁজিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মুক্তাদিৰ চৌধুৰী ডাঙৰীয়াই কৈছে যে, স্পীডবোট বিলাক কলিকতাৰ পৰা আনিবলগীয়া হয়। গতিকে মই কৈছো এই স্পীডবোট বিলাক কিয় কলিকতাৰ পৰা আনিব লাগে। এইবিলাক আমাৰ ইয়াতে, ক্ৰান্ট্ৰিবোট বিলাকৰ নিৰ্ম্মাণৰ দায়িত্ব আমাৰ স্থানীয় মানুহক দিব লাগে। কাৰণ আমাৰ অসমৰ মানুহে ক্ৰান্ট্ৰিবোট সাজিব জানে। এই স্পিডিবোট বিলাক উপযুক্ত সময়ত চাৰ্ভিচত যাতে লগাব পাৰি আৰু বানপানীৰ সময়ত তৎকালীন ভাবে নিৰাশ্ৰয়া মানুহ বিলাকক ৰেইজ প্লেটফৰ্ম বিলাক বিভিন্ন ঠাইত সাজি তাৰে সেই বিপদাপন্ন মানুহখিনিক নাৱেৰে পাৰ কৰাই নিৰাপদ ঠাইত ৰখাৰ ব্যৱস্থা কৰিব পাৰি। তাৰোপৰি জেগাই জেগাই এই ৰেইজ প্লেটফৰ্ম বিলাক নিৰ্ম্মাণ কৰি বানপানীৰ সময়ত তাত খাদ্যসামগ্ৰী মজুত কৰি ৰাখিব পাৰি। কিয়নো আগতে আমি বহুৱাৰ লক্ষ্য কৰিছো যে হেলিকপ্টাৰেৰে যিবিলাক খাদ্য সামগ্ৰী বানপানীৰ সময়ত *

বানপানীত আক্ৰান্ত হোৱা লোক সকলক খাদ্য সামগ্ৰী যোগান ধৰে সেই বিলাক বহু সময়ত তেওঁলোকে নাপায় বা লব নোৱাৰে। সেইবিলাক বেচিভাগেই পানীত পৰি যায়। গতিকে মই যি ৰেইজ প্লেট ফৰ্মৰ কথা কৈছো সেই বিলাক নিৰ্ম্মাণ কৰিলে তাত খাদ্য সামগ্ৰী বিলাক নিৰাপদ ভাবে ৰাখিব পৰা হব। আন এজা গুৰুত্বপূৰ্ণ বিষয় হ'ল বানপানীৰ সময়ত যি সকল ৰাইজৰ ঘৰ দুৱাৰ ভাঙি উচন্ন হৈ গ'ল সেই মানুহ বিলাকক পট্টাৰ নামত কোনো সাহায্য পোৱাত সামৰ্থ হোৱা নাই। অথচ সেই মানুহ বিলাক শতাব্দী ধৰি, যুগ যুগ ধৰি ব্ৰহ্মপুত্ৰৰ কাষত বাস কৰি আহিছে আৰু বহু কষ্ট কৰি তাত বস বাস কৰি আহিছে, কিন্তু তেওঁলোকক আজি ৰিলিফ মেনুৱেলৰ অজুহান লৈ সাহায্য নিদিয়াটো অত্যন্ত দুৰ্ভাগ্যজনক কথা। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক যি সকলৰ ঘৰ দুৱাৰ ভাঙি গৈছে তেওঁলোকক তৎকালীন ভাবে সাহায্য আগবঢ়াবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker occupied the Chair and Mr. Deputy Speaker vacated the Chair.**

* শ্ৰী অৰ্দ্ধেন্দু দে ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাব সমৰ্থন করে বলতে চাই যে এই জেনেরেল ফাণ্ডে যে ৭ লক্ষ টাকা এবং এই যে ২১ লক্ষ টাকা ধরা হয়েছে তার উপর বিভিন্ন সদস্য বলেছেন যে টাকা পৰ্যাপ্ত নয়। কিন্তু এবারের বাজেটের একটা যায়গায় উল্লেখ করা আছে এক হাজার ২ হাজার টাকা করে সেখান ধরা হয়েছে।

মহোদয়, এই যে ন্যাচারেল কেলামিটিস্ এর ব্যাপারে বলতে গিয়ে অত্যন্ত দুঃখের সঙ্গে বলতে বাধ্য সঙ্গে বলতে বাধ্য হচ্ছি যে এই বিভাগকে কোনও টাকা দেওয়াই উচিত নহয়। কারণ, এই ব্যাপারে দুর্নীতি বা রাজনৈতিক বৈষম্য হলে মন্ত্রীসভার দৃষ্টি আকর্ষণ করা হলে মন্ত্রী মহোদয় Deputy Commissioner Nagaon is to enguive in to the matter ডি সি লিখে দেন এস ডি ও কে এস ডি ও লিখে দেন এস ডি সিকে। তারপর এস ডি সি এটা তদন্তের ভার দেয় সব কোন্দলের গুরু মণ্ডলকে। মণ্ডল গ্রামে গিয়ে যারা তাকে ১০০/২০০ করে টাকা দেবে তাদের নামই রিলিফের জন্য সুপারিশ করবে। এটা একেবারে সত্য কথা। আমি সদনে বলছি। এখানে মিথ্যা কথা বলতে পারিনা। টাকা দিলেই সে রিপোর্ট পাঠাবে। মহোদয়, হোজাইতে ভীষন শিলাবৃষ্টি হয়েছে। কিন্তু এস ডি

* Speech not corrected

ও (সিভিল) আজ পর্যন্ত সিটিং করে নি এই ব্যাপারে। কারণ মণ্ডলের রিপোর্ট আসে নি। এই যে মন্ত্রী থেকে মণ্ডল পর্যন্ত খেলিমেলি এটা অত্যন্ত দুর্ভাগ্যজনক। এতে প্রকৃত ক্ষতিগ্রস্থ গরীব লোকের কোনও লাভ হয় না। সুতরাং আমার মতে এই বিভাগকে কোনও অর্থ দেওয়া উচিত নয়। এখানে পি এইচ ই'র জন্য, পি ডব্লিও ডি'র ব্রীজের জন্য টাকা ধরা হয়েছে। আমার মনে হয় এই সব বিভাগ নিজেরা ঐসব কাজ করুক। তাদের নিজস্ব বিভাগে ঔসব কাজের জন্য টাক ধরা হোক। পি এইচ ই'র জন্য ৩০ লক্ষ টাকা ধরা হয়েছে, জলসিঞ্চনের জন্য ১ কোটি টাকা ধরা হয়েছে। সুতরাং ঐসব বিভাগ নিজেরাই যখন এই কাজ করবে তবে তাদের নির্দ্দিষ্ট বিভাগের নামেই টাকা ধরা উচিত। তাহলে হয়ত আর আর বিভাগের টাকা যা থাকবে তা ভাল ভাবে খরচ হবে।

মহোদয় গত বাজেট সেশনে আমি বলেছিলাম যে আদায় এক্সপেনডিচারে কেন এতো টাকা ধরা হয়েছে। তখন মুখ্যমন্ত্রী বলেছিলেন যে মাননীয় সদস্য একটু লক্ষ্য করলে দেখবেন যে এই ব্যাপারে ভাল করে ব্যাখ্যা করা আছে। কিন্তু এবারও বাজেটে ন্যাচারেল ক্যালামিটিস্'এ আদার এক্সপেনডিচার হিসাবে ১ কোটি টাকা ধরা হয়েছে। কোনও ব্যাখ্যা দেওয়া হয়নি। আমি দৃঢ়ভাবে বলতে পারি যে এটা দুর্নীতি করার জন্য টাকা ধরা হয়েছে। মন্ত্রী মহোদয় জানতেও পারেন অথবা নাও জানতে পারেন সেটা আলাদা কথা। তবে অফিসাররা বেশ ভালই জানেন নিশ্চয়। তাছাড়া যেসব অঞ্চলে জনসাধারণ এ জি পি কে ভোট দেয়নি তারা রিলিফের টাকা বাবে না এস রাজনৈতিক কারণ তো আছেই। এসব জিনিষ বন্ধ করা উচিত। হোজাই সাব ডিভিশনে এই ব্যাপারে বঞ্চনা করা হয়েছে। এই ভাবে বঞ্চনা করতে করতে একদিন জনসাধারণ বিক্ষোভে ফেটে পরবে। এই ভাবেইতো বিচ্ছিন্নতাবাদ মাথা চাড়া দিয়ে উঠে।

মহোদয়, এ জি পি সরকারের মনে রাখা উচিত যে অফিসারদেরে দিয়ে বেশী রাজনীতি করাতে নেই। আজ তারা এ জি পির গান গাইছে। কাল যে ক্ষমতায় থাকবে তারা তাদেরই গান গাইবে। পূর্বে এরাই কংগ্রেসের গান গাইতো। যেন গ্রহন করা হয়। দুর্নীতি, রাজনৈতিক দৃষ্টিভঙ্গী থেকে রিলিফ বন্টন এ সবের যেন তদন্ত হয়। নতুবা একদিন হয়তো এই হোজাইতেই বিচ্ছিন্নতাবাদ মাথা চাড়া দেবে। এই বলে আমি আমার বক্তব্য শেষ করছি।

---

* Speech not corrected

শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধীপক্ষৰ সদস্য সকলে আৰু চৰকাৰৰ পক্ষৰ ফালৰ পৰা যথেষ্ট সমালোচনা সহকাৰে পৰামৰ্শ আগবঢ়াইছে। তাৰ কাৰণে মই তেখেত সকলক ধন্যবাদ জনাইছো আৰু এজন মাননীয় সদস্যই বিশেষকৈ গঠনমূলক পৰামৰ্শৰ উপৰিও ধ্বংসমূলক পৰামৰ্শও আগবঢ়াইছে তাৰ বাবেও তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। আজি মঞ্জুৰী ৪১ নংৰ ওপৰত মোৰ বক্তব্য ৰাখিবলৈ বিচাৰিছো।

১৯৮৮-৮৯ চনৰ বাজেটত প্ৰাকৃতিক দূৰ্য্যোগৰ বাবে ৭.২৫ কোটি (সাত কোটি পচিশ লাখ) টকা মঞ্জুৰী নং ৪১ শিতানৰ ২২৪৫ ত সন্নিবিষ্ট কৰিবলৈ বিচৰা হৈছে।

প্ৰাকৃতিক দূৰ্য্যোগ যেনে বানপানী, ধুমুহা, খৰাং বতৰ আৰু অগ্নিকাণ্ড আদিয়ে প্ৰতিবছৰ অসমৰ যথেষ্ট ক্ষতি সাধন কৰি আহিছে। এই প্ৰাকৃতিক দূৰ্য্যোগত উদ্ভৱ হোৱা পৰিস্থিতিৰ মোকবিলা কৰিবলৈ ৰাজ্য চৰকাৰৰ পুঁজিৰ প্ৰয়োজন। গতিকে প্ৰাকৃতিক দূৰ্য্যোগত ক্ষতিগ্ৰস্থ ৰাইজৰ তৎকালীন সাহাৰ্য্যৰ বাবে ৭.২৫ কোটি টকা ১৯৮৮-৮৯ চনৰ বাজেটত ধৰা হৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে অষ্টম বিত্তীয় আয়োগে ধাৰ্য্য কৰা ৭.২৫ কোটি টকাহে (উপান্ত ধন Margin Money) বাজেটত সন্নিবিষ্ট কৰা হৈছে। মাৰ্জিন মানিৰ আধা অংশ ৰাজ্যিক চৰকাৰে বহন কৰে আৰু বাকী আধা অংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰে। প্ৰতিবছৰে বানপানীয়ে কথা ক্ষয়-ক্ষতিৰ পৰিমাণ অষ্টম বিত্তীয় আয়োগে ধাৰ্য্য কৰা ৭.২৫ কোটি টকাতকৈ অধিক হয়। প্ৰাকৃতিক দূৰ্য্যোগৰ পৰিপ্ৰেক্ষিতত ক্ষয়ক্ষতিৰ ওপৰত অসম চৰকাৰে দাখিল কৰা স্মাৰক পত্ৰ আৰু কেন্দ্ৰীয় চৰকাৰে পঠোৱা পৰ্যবেক্ষনৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত অনুদান দিয়ে।

ইতিমধ্যে এই ৭.২৫ কোটিৰ ভিতৰত ১,৮১,৬০০ টকা ব্যায় লেখানুদান (Vote on Accounts 1988-89) বিধান সভাই অনুমোদন কৰিছে। গতিকে এই শিতানত কৰ্ত্তন প্ৰস্তাব অনুগ্ৰহ কৰি উঠাই লয় যেন।

১৯৮৫-৮৬ চনলৈকে বাজেটৰ নিয়মনীতি অনুযায়ী প্ৰাকৃতিক দূৰ্য্যোগৰ গোটেই ধন ফেচিন ৰিলিফ ফাণ্ডত জমা দিয়া হৈছিল। পিচত সেই ধন প্ৰাকৃতিক দূৰ্য্যোগৰ বাবে খৰচ কৰা হৈছিল।

---

* Speech not corrected

১৯৮৬-৮৭ চনত দেমিন ফিলিফ ফাণ্ডত জমা ৰখাৰ প্ৰচলন স্থগিত কৰা হৈছিল।

১৯৮৭-৮৮ চনৰ বিত্ত বিভাগে অষ্টমবিত্তীয় আয়োগে ধাৰ্য্য কৰা ৭.২৫ কোজি (Margin Money) টকাৰ উপৰিও অতিৰিক্ত ৫.০০ টকা ৰাজ্যিক বাজেটে সন্নিবিষ্ট কৰিছিল।

অষ্টম বিত্তীয় আয়োগে ধাৰ্য্য কৰা (Margin Money)ৰ যিখিনি অংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰে তাৰেই খৰছ নোহোৱা ধন জমা ৰখাৰ উদ্দেশ্যে বিত্ত বিভাগে "ডিপজিটেড মাৰ্জিন মানি ফাণ্ড" শিতান সৃষ্টি কৰিছিল যাতে পৰবৰ্ত্তী বছৰত প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ তৎকালীন মোকাবিলা কৰিব পাৰে। ১৯৮৮-৮৯ চনতো বিত্ত বিভাগে ৭.২৫ কোটি (Magrin Money) টকাৰ উপৰিও অতিৰিক্ত ২,০০০ টকা বাজেটত ব্যয় নোহোৱা মাৰ্জিন মানি ফাণ্ড শিতানত সন্নিবিষ্ট কৰিছে।

গতিকে মঞ্জুৰী নং ৪১ শিতান ২২৪৫ ত ধৰা দুহেজাৰ টকা মাৰ্জিন মানি ফাণ্ডত জমা থাকিব।

১৯৮৭-৮৮ জনত অসমত হোৱা প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৩ খন স্মাৰক পত্ৰ যোগে ৩৮৬.৫৯ কোটি দাবী উত্থাপন কৰা হৈছিল আৰু কেন্দ্ৰীয় চৰকাৰে এই দাবীবোৰ বিবেচনা কৰি ৬২.৫০ কোটি টকা বিভিন্ন শিতানত খৰচ কৰাৰ বাবে ধাৰ্য্য কৰিছিল। যোৱা ০১-৩-৮৮ ইং লৈকে বিভিন্ন শিতানত খৰচ মুঠ পৰিমান ৬২.৬১ কোটি টকা হৈছে। এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে দিবলগীয়া খৰচ মুঠ পৰিমান ৩১.১২৫ কোটি টকা মুকলাই দিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে মাৰ্জিন মানিৰ উপৰিও খৰচৰ ৭৫ অংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰে আৰু এই ভিত্তিত ১৩.৯৩ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু পাবলগীয়া আছে।

## ১৯৮৭ চনত হোৱা বানপানীৰ ক্ষেত্ৰত হোৱা সাহায্য সম্পৰ্কে ঃ

১৯৮৭ চনৰ বানপানীত ক্ষতিগ্ৰস্ত এলেকাৰ উপায়ুক্ত আৰু মহকুমাধিপতিয়ে দাখিল কৰা চাহিদাৰ ভিত্তিত ৭,১৯,৯০,০৭০.২২ টকা পৰিতোশিক অনুদান হিচাপে আৰু ৩৬৮.০০ লাখ টকা পুনৰ সংস্থাপনৰ বাবে খৰচ কৰা হৈছিল।

---

* Speech not corrected

এই মৰ্মে এইখিনিতে উল্লেখ কৰিব পাৰি যে বছৰৰ আৰম্ভনিতে প্ৰতি ভৈয়াম জিলাত ১.৮০ লাখ টকা (৫০,০০০/- পাৰিতোসিক অনুদান + ৫০,০০০/- পুনৰ সংস্থাপনৰ বাবে) আৰু প্ৰতি জিলাত ৬০,০০০/- (১০,০০০/- পাৰিতোসিক অনুদান + ৫০,০০০/-) পুনৰ সংস্থাপনৰ বাবে সাহায্য মঞ্জুৰী অগ্ৰিম হিচাপে দিয়া হৈছিল।

পিচত বানপানীৰ সময়ত চাহিদা অনুযায়ী প্ৰতি ক্ষতিগ্ৰস্ত জিলাত সাহায্য অনুদান দিয়া হৈছিল। কৃষি, খাদ্য আৰু অসামৰিক যোগান বিভাগবোৰকো এই মঞ্জুৰী দিয়া হৈছিল।

বানপানীত মৃত্যু হোৱা ব্যক্তিৰ বাবেও প্ৰতি পৰিয়ালক ভাৰত চৰকাৰৰ নিৰ্দ্ধাৰিত নিৰিখ অনুযায়ী সৰ্বোচ্চ ৫০০০/- টকাকৈ উপায়ুক্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি সাহায্য অনুদান দিয়া হৈছিল। ইয়াৰ উপৰিও প্ৰধান মন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা (Prime Minister Relief Fund) ১,০০,০০০/- টকা Ex-gratia Payment হিচাপে কামৰূপ আৰু দৰং জিলাত বাছ দুৰ্ঘটনাত মৃত্যু হোৱা ব্যক্তিৰ নিকটতম আত্মীয় সকলক দিয়া হৈছিল। (৬০,০০০/- উপায়ুক্ত কামৰূপলৈ আৰু ৫০,০০০/- উপায়ুক্ত মঙ্গলদৈলৈ)

বানপানীৰ ক্ষয়ক্ষতিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ধাৰ্য্য কৰা নিৰিখ অনুযায়ী মুঠ ৫৬,৯৩,৩৭,৮৮২/- টকা বিভিন্ন বিভাগলৈ আবন্টন দিয়া হৈছিল। এতিয়া কথা হ'ল যে যদিও প্ৰাকৃতিক দূৰ্য্যোগ বুলি কোৱা হৈছে বিশেষকৈ প্ৰাকৃতিক দুৰ্য্যোগ বুলি কলে এই কেইটা শিতানত আমি বিশেষকৈ টকা খৰচ কৰিব লাগে। বানপানীৰ, ধুমুহা আৰু শিলাবৃষ্টি, খৰাং আৰু দুৰ্ভিক্ষ, বিধ্বংসকাৰী ভুমিকম্প আৰু ভুমিলেন, মহামাৰী আৰু খাদ্য বিষক্ৰিয়াজনীত দূৰ্য্যোগ, কলকাৰখানাৰ খনি আৰু যানবাহনৰ ক্ষেত্ৰত হোৱা সাংঘাতিক দুৰ্ঘটনা, সাংঘাতিক অগ্নিকাণ্ড, মেলা উৎসৱ আদিত হোৱা সাংঘাতিক দুৰ্ঘটনা, ৰাজ্যৰ কোনো অংশত সাংঘাতিক ধৰণে হোৱা অৰ্থনৈতিক সঙ্কট, আৰ্ন্তজাতিক সীমান্ত অঞ্চলত কাজিয়াৰ ফলত হোৱা দুৰ্য্যোগৰ পৰিস্থিতি (যুদ্ধ নহয়) আৰু যি কোনো সাংঘাতিক ধৰণৰ দেখা দিয়া প্ৰাকৃতিক দুৰ্য্যোগ ইত্যাদি শিতানত এই টকা খৰচ কৰা হয়। কাজেই পৰিস্থিতি চাই এই বিলাক টকা খৰচ কৰা হয়। যদিও বাজেট অনুসৰি বিভিন্ন শিতানত ধন ধৰা হৈছে প্ৰাকৃতিক দুৰ্য্যোগ যেতিয়াই আহি যায় তাত খৰচ কৰিব লাগে। কিন্তু প্ৰাকৃতিক দুৰ্য্যেগ যদি নাহে

তেতিয়া সেই শিতানৰ পৰা টকা অন্যফালে টানি নিয়া হয়। এতিয়া কথা হ'ল খৰাং বতৰৰ কাৰণে ৯ লাখ টকা, ভৈয়াম অঞ্চলৰ কাৰণে ৮ লাখ টকা আৰু পাৰ্ব্বত্য অঞ্চলৰ কাৰণে ১ লাখ টকা মুঠ ৯ লাখ টকা আৰু বানপানী, ধুমুহা, শিলাবৃষ্টি ইত্যাদিৰ বাবে মুঠতে ধাৰ্য্য কৰা হৈছে জেনেৰেল এৰিয়াৰ কাৰণে ৫ কোটি ২৬ লাখ টকা আৰু পাহাৰীয়া অঞ্চলৰ কাৰণে ষষ্ঠ অনুচ্ছেদত ১২ লাখ টকা আৰু অন্যান্য খৰচৰ বাবে ১ কোটি ৭০ লাখ টকা ধাৰ্য্য কৰা হৈছে। জেনেৰেল এৰিয়া আৰু তাৰ পাচত ষষ্ঠ অনুচ্ছেদৰ পাহাৰীয়া অঞ্চলত ৪ লাখ টকা ধৰা হৈছে। মুঠতে জেনেৰেল এৰিয়াত ৭ কোটি ৪ লাখ আৰু পাহাৰীয়া অঞ্চলত ২১ লাখ টকা মুঠ ৭ লাখ টকা ধাৰ্য্য কৰা হৈছে। এতিয়া কেইজন মান মাননীয় সদস্যই উত্থাপন কৰিছে যি যি হেড মতে টকা বিলাক দিয়া হৈছে সেই বিলাক ঠিকমতে খৰচ কৰা হৈছে নে নাই। উদাহৰণ স্বৰূপে মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰিয়াই কৈছে যে এফৰেষ্ট্ৰেচনৰ কাৰণে ৫ লাখ টকা দিয়া হৈছিল কিন্তু সেই হিচাবে টকাটো হোৱা নাই বুলি সন্দেহ কৰিছে। খৰচ কাৰণেই বন বিভাগক এই ৫ লাখ টকাই নহয়, ৭৫ লাখ টকা দিয়া হৈছে। সেই হিচাবে যি ধৰণে নিৰ্দ্ধাৰণ কৰা হয় সেই মতেই শতকৰা ৫০ ভাগ অৰ্থাৎ ৩ কোটি ৬২.৫০ লাখ টকা খৰচ হোৱা পাচত কেন্দ্ৰীয় চৰকাৰক জনোৱা হয় আৰু কেন্দ্ৰীয় চৰকাৰে বাকী ৩ কোটি ৬২.৫০ লাখ টকা মোকলাই দিয়ে। তাৰ পাচত খৰচ যদি বেচি হৈ যায় তেতিয়াহলে সেই ক্ষতি নিৰ্দ্ধাৰণ কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হয়। কিন্তু ভাৰত চৰকাৰে কোনটো হেডত কিমান টকা খৰচ কৰা সেই হেড বিলাকৰ চিলিং এটা কৰি দিয়ে আৰু সেই চিলিং মতেই হেডৰ টকা বিলাক বিতৰণ কৰিব লাগে।

অধ্যক্ষ মহোদয়, যোৱা বানপানীৰ সময়ত ৬২.৫ কোটি টকা খৰচ কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছিল। সেই হিচাবে ৰাজহ বিভাগে বিভিন্ন শিতানত কোনটো হেডত টকা খৰচ কৰিব লাগে সেইটো নিৰ্দ্দেশ দিয়া হৈছিল। গতিকে ৰাজহ বিভাগে বিভিন্ন বিভাগলৈ বিভিন্ন শিতানত থকা ধন আবণ্টন দিছে। এই সম্পৰ্কে মই কবলৈ বিচাৰিছো যে এগ্ৰিকালচাৰ বিভাগত ১ কোটি ৬২ লাখ টকা দিয়া হৈছে, বান নিয়ন্ত্ৰণ বিভাগত ২৭ কোটি টকা, সেইদৰে পি, ডব্লিউডিত, ৰোডচ এণ্ড বিল্ডিঙৰ কাৰণে ৭ কোটি ৯০ লাখ টকা দিয়া হৈছে, জলসিঞ্চন বিভাগত ৪ কোটি টকা দিয়া হৈছে, জন স্বাস্থ্য কাৰিকৰী বিভাগত ১ কোটি দিয়া হৈছে। তাৰ পাচত হেল্‌থ চাৰ্ভিচত ৭০ লাখ টকা দিয়া হৈছে, তাৰ উপৰিও ভেটেৰিনাৰী আৰু এনিমেল

হাচবেনদাৰীত ৩ কোটি ১০ লাখ দিয়া হৈছে আৰু ফুড এণ্ড চিভিল চাপ্লাইত ৭ কোটি ৫৫ লাখ টকা দিয়া হৈছে। শিক্ষা বিভাগত ২৩ লাখ টকা দিয়া হৈছে, ফিচাৰী বিভাগত ৭ লাখ ডায়েৰী দেভেলাপমেন্টত ২৭ (এক্সট্ৰা) দিয়া হৈছে। ইনলেণ্ড ওৱাটাৰ ট্ৰেন্সপোৰ্ট ডিপাৰ্টমেন্টত ৪৮ লাখ ৩৭ হেজাৰ ৭শ টকা দিয়া হৈছে। পঞ্চায়ত আৰু কমিউনিটি ডেভেলাপমেন্টত ৩৭ লাখ দিয়া হৈছে। চইল কনজাৰবেটৰত ১০ লাখ টকা দিয়া হৈছে। হেণ্ডলুম এণ্ড টেক্সটাইলত ২৬ লাখ ৫০ হেজাৰ টকা দিয়া হৈছে। বন বিভাগত ৭৫ লাখ টকা দিয়া হৈছে। ইলেট্ৰিছিটিত ৭০ লাখ টকা দিয়া হৈছে। কো-অপাৰেটিভ ১ কোটি ৫০ লাখ টকা দিয়া হৈছে। তাৰোপৰি নৌকা ভাড়া আৰু হেলিকপ্টাৰ ভাড়াৰ বাবদ ৫ লাখ টকা ৫৩ হেজাৰ ৮শ ২৬ টকা দিয়া হৈছে। চেৰিকেলচাৰ এণ্ড ওৱভিং বিভাগত ৭ লাখ টকা দিয়া হৈছে। ৫ লাখ টকা একাউন্টেন্ট জেনেৰেলৰ প্ৰিজাৰ্ভ ফাণ্ড ৰখাৰ কাৰণে দিয়া হৈছে। চিট প্ৰিন্টৰ কাৰণে যিবিলাক টকা দিয়া হৈছে, সেই বিলাক হ'ল লক্ষীমপুৰ, দৰং, ধুবুৰী, গোৱালপাৰা আদিত ৭৫ লাখ টকা দিয়া হৈছে। এইদৰে বিভিন্ন শিতানত বিতৰণ কৰা হৈছে। আমাৰ বাজেট প্ৰভিজন হিচাবে ৭ কোটি ২৫ লাখ টকা বিশেষকৈ ৬২.৫ কোটি টকা অৰ্ন্তভুক্ত হৈছিল। নতুন বছৰৰ কাৰণে আকস্মিক ভাবে সহায় কৰিবৰ বাবে ৭ কোটি ২৫ লাখ টকা বিভিন্ন শিতানত দেখুৱা হৈছে যদিও দাবী উত্থাপন কৰা হৈছিল। গতিকে সেইখিনি যেতিয়া প্ৰাকৃতিক দুৰ্যোগ আহিব সেই মতে এদজাষ্ট কৰা হব। এইখিনি খৰাং বতৰৰ কাৰণে ধৰা হৈছে। কিন্তু খৰাং বথৰ নহোৱাৰ কাৰণে সেইটো বানপানীলৈ ডাইভাৰ্ট কৰা হয়। ৰাজহ বিভাগৰ ফালৰ পৰা মই মাননীয় বিৰোধী পক্ষৰ সদস্য সকলক কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ এই টকা খিনি যথা যথ বাবে খৰছ কৰিব পৰাকৈ অনুৰোধ কৰিছো। শেষত মই আৰু কেইটামান কথা কবলৈ মই বিচাৰিছো মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে বহুত পৰামৰ্শ আগবঢ়াইছে। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে নৌকা ৰখাৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ে আলাপ আলোচনা হৈছে। ৰাজহ বিভাগে হেলিকপ্তাৰ অনাৰ ভাবে কেবাবাৰো মিটিং পাতিছিল। কিন্তু এই হেলিকপ্তাৰ কিনাৰ পিচত তাক কোনে মেইনটেইন কৰিব সেইটো এটা সমস্যা হব। সেই বিষয়ে আলোচনাও হৈছে। তাৰ পিচ নৌকা কাঠৰ হব নে ফাইবাৰ গ্লাচৰ হব সেই বিষয়েও আলোচনা হৈছিল। অলপতে ৰাজহ বিভাগে কেনে ব্যৱস্থা ললে ভাল হব সেই বিষয়ে এটা চিন্তা চৰ্চ্চা কৰি আছে আৰু অসমৰ কোনোবা

এন্টাৰপ্ৰাইনাৰে ফাইবাৰৰ গ্ৰাচৰ নৌকা সাজিবলৈ যদি আগবাঢ়ি আহে তেন্তে চৰকাৰৰ ফালৰ পৰা সহায় কৰাৰ কাৰণে চেষ্টা কৰিব। এইতয়ালৈকে ৰাজহ বিভাগে ১২ খন নৌকা ববীয়াকৈ ৰাখিছে। চৰকাৰৰ ইনলেণ্ড ওৱাটাৰ ট্ৰেন্স্পোট গুৱাহাটী আৰু ধুবুৰীত চলি আছে। ইয়াৰোপৰি কাউন্ট্ৰিবোৰ্ট ভাড়ালৈ লোৱা হয়। মাননীয় সদস্য শ্ৰী চহিদুল ইছলাম ডাঙৰীয়াই কৈছে যে বিভিন্ন ধৰণৰ সম্থাৰ প্ৰয়োজন আছে। মাননীয় সদস্য শ্ৰী অমৃতলাল বসুমতাৰীয়ে কৈছে যে বানপানী সাহায্যৰ কাৰণে কমন প্লেটফৰ্ম কৰি দিব লাগে। এইটো ডি, আৰ, ডি, এৰ দ্বাৰা কৰিব পৰা হব। মাননীয় সদস্য গনেশ কুটুম ডাঙৰীয়াই গহপুৰত দঠাইত ৰেইজিং প্লেট ফৰ্ম কৰি তাত বানপানীৰ সময়ত আশ্ৰয় দিয়াৰ কাৰণে আঁচনিৰ কথা কৈছে। ইয়াৰ প্ৰয়োজন আছে। ডি, আৰ, ডি, এ,ৰ যোগেদি কৰিব পাৰি। আৰ, এল, ই, জি, পি,ৰ দ্বাৰাই ও এইবিলাক কৰিব পাৰি। মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ দে ডাঙৰীয়াই পৰামৰ্শ বঢ়াইছে যে ৰিলিফ মেনৱেল সংগঠন কৰিব লাগে। ১৯৮৫ চনতে এই ৰিলিফ মেনুৱেল সংশোধন হৈছিল। যিটো হাৰত সাহায্য দিব লাগে কেন্দ্ৰীয় চৰকাৰৰ সেই নিৰিখ বান্ধি দিয়াৰ কাৰণে আমাৰ অসুবিধা হয়। ৰাজ্য চৰকাৰে ৩ হেজাৰ টকাৰ ব্যৱস্থা কৰিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে ডেৰ হেজাৰ টকাতকৈ বেছি নিদিয়ে। ইয়াৰ কাৰণে আলাপ আলোচনাৰ প্ৰয়োজন হৈ পৰিছে। আশা কৰো অহা প্ৰস্তাৱ আছেই। আন এটা পৰামৰ্শ আগবঢ়াইছে যে সেইটো হ'ল টেষ্ট ৰিলিফ। সেইটো আৰ, এল, ই, জি, পি, আৰু এন, আৰ ই, পি,ৰ জৰিয়তে কৰিব পৰা হব। কিন্তু খৰাং বতৰত এইটো এপ্লিকেবুল নহয়। অন্যান্য ৰাজ্যত যেনে ৰাজস্থানত খৰাং বতৰৰ কাৰণে ৰিলিফ ওৱৰ্ক কাম চলি আছে। এইটো বানপানীৰ কাৰণে এপ্লিকেবুল নহয়। আন এগৰাকী সদস্যই কৰিমগঞ্জ আৰু কাছাৰত সাহায্য দিয়াৰ ক্ষেত্ৰত দিচকিমিনেট কৰা হৈছে বুলি কৈছে। কিন্তু এইটো কৰা হোৱা নাই। কিয়নো যোৱা বছৰ বৰা ভেলীয়ে ব্ৰহ্মপুত্ৰক সহায় কৰিছিল। ব্ৰহ্মপুত্ৰ ভেলিত পাচবাৰকৈ বানপানী হৈছিল। কিন্তু বৰাক ভেলিত নহল। বৰাক ভেলিয়ে ব্ৰহ্মপুত্ৰ ভেলীৰ কাৰণে যথেষ্ট সহায় কৰিলে। বৰা ভেলিত ৫০ হেজাৰ টকা দিয়া হৈছিল। কিন্তু খৰছ কৰিব নোৱাৰি ঘুৰাই দিছে। কিয়নো তাত বানপানী নহল। যি দিছক্ৰিমিন্ট কৰা হৈছে বুলি কোৱা হৈছে প্ৰকৃততে সেইটো হোৱা নাই। আজি ব্ৰহ্মপুত্ৰত উপত্যকাত বিপদ হলে বৰা ভেলিয়ে সহায় কৰিব সেইদৰে বৰা ভেলিত বিপদ হলে ব্ৰহ্মপুত্ৰ ভেলিয়ে সহায় কৰিব। বানপানী হলে ভৈয়ামৰ মানুহে পাহাৰলৈ

উঠি যাব। সেইদৰে পাহাৰৰ মানুহে পাহাৰত পানী নহোৱা হলে পানী বিচাৰি ভৈয়ামলৈ নামি আহিব। সেই কাৰণে পাহাৰ ভৈয়ামৰ সমন্বয়ৰ কাৰণে চিন্তা কৰিব লাগিব। মাননীয় সদস্য শ্বেখ আব্দুল হামিদ ডাঙৰীয়াই কৰ্ম্মচাৰীৰ দুৰ্নীতি আতৰোৱাৰ বিষয়ে পৰামৰ্শ আগবঢ়াইছে। আগতে যেনেকৈ দুৰ্নীতি আছিল এতিয়া তেনেকুৱা নাই। এই সংক্ৰান্তত ব্যৱস্থা লোৱা হব। আৰু এটা পৰামৰ্শ আগবঢ়াইছে যে বতৰৰ আগজাননী দিব পৰা ব্যৱস্থা থাকিব লাগে বুলি। এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলক জন্যও যে বতৰৰ আগজাননী দিব পৰা ব্যৱস্থা কেৱল সাগৰৰ পাৰতহে আছে। সাগৰৰ পৰা বহু আতৰত এই ব্যৱস্থা নাই। অৱশ্যে বান নিয়ন্ত্ৰন বিভাগে এই বিষয়ত আমাক বহুত সহায় কৰি আহিছে। তেওঁলোকে মে মাহৰ ১৫ তাৰিখৰ পৰা অক্টোবৰ মাহৰ ১৫ তাৰিখলৈকে কোন নদীত পানীৰ লেভেল কিমান সেইটো জনাই থকাৰ কাৰণে সেই মতে আগতীয়া ব্যৱস্থা লবলৈ আমাৰ সুবিধা হয়। আৰু সেই মতেই উপাযুক্ত সকলক যাবতীয় ব্যৱস্থা লবলৈ দিয়া হয়। যোৱা বছৰ ধেমাজিত ভূমিকম্প হব পাৰে বুলি যি এটা কথা ওলাইছিল সেই সম্পৰ্কত তেজপুৰ, লক্ষীমপুৰ, ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ আদিত ব্যৱস্থা লোৱা হৈছিল। অৱশ্যে ভাগ্যৰ কথা যে ভূমিকম্প নহল।

শ্ৰী আব্দুল লস্কৰ ডাঙৰীয়াই এটা পৰামৰ্শ দিছে যে বাননিয়ন্ত্ৰনৰ সম্পৰ্কত লংটাৰ্ম আৰু চৰ্টটাৰ্ম মিজাৰ লব লাগে। মই ভাবো যে প্ৰাকৃতিক দুৰ্যোগ বিলাক নিয়ন্ত্ৰণ কৰিবলৈ হলে প্ৰাকৃতিক ভাবেই প্ৰতিৰোধ কৰিব লাগিব। আমি যদি ভুটানৰ নামনিত এটা ৰিজাৰ্ভ বেল্ট কৰিব পাৰিলোহেতেন তেনেহলে আমি বান পানীৰ পৰা বহুত সকাহ পালোহেতেন।

মাননীয় সদস্য শ্ৰী মুক্তাদিৰ চৌধুৰী ডাঙৰীয়াই পৰামৰ্শ দিছে যে ৰাবাৰ বটৰ ব্যৱস্থা কৰিব লাগে। আমি এই সম্পৰ্কত ব্যৱস্থা কৰি আছো।

মাননীয় সদস্য শ্ৰী অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই যি সমালোচনা কৰিছে সেই সমালোচনা ডেচট্ৰাকটিভ হৈছে বুলিয়েই কব বিচাৰো। গঠন মূলক সমালোচনা সদায়েই আদৰণীয়। ভেচট্ৰাকট্ৰিভ সমালোচনাই কেতিয়াবা কেতিয়াবা সমালোচনা কৰা জনকে ভেচট্ৰাক্ট কৰে।

চৰকাৰৰ ফালৰ পৰা কুমাৰ দীপক দাসে পৰামৰ্শ আগবঢ়াইছে যে ৰিলিফৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

শ্ৰীদেৱেশ্বৰ বৰা ডাঙৰীয়াই ৰাজহ বিভাগত আক্ৰমণ কৰিছে। এই সম্পৰ্কত শ্ৰী গনেশ কুটুম ডাঙৰীয়াই কৈছে যে কেৰ্কেটুৱাই তামোল খায় নেউলক বান্ধি কিলায়। শ্ৰী বৰাই ১৯৮৩ চনৰ যি টকাৰ কথা কৈছে সেইটো গ্ৰান্ট এতিয়াও অহাই নাই। সেইটো ৪০ নং গ্ৰান্টতহে আহিব। তেখেতৰ এটা পৰামৰ্শ হৈছে যে চৰকাৰে হেলিকপ্টাৰ কিনিব লাগে। অৱশ্যে এই সম্পৰ্কত চৰকাৰে চিনতা চৰ্চা কৰি আছে।

শ্ৰী হলিৰাম টেৰাঙে ৬ষ্ঠ অনুসূচীৰ টকা বিতৰণ কৰাৰ কথা হৈছে। কিন্তু এই টকা পোনে পোনে বিতৰণ কৰাত অসুবিধা আছে। এন চি হিলচক টকা দিলে ৰাইজৰ ওচৰ নাপায়গৈ। যিহেতুকে ডিট্ৰিক্ট কাউনচিলত দিব লাগে। মাননীয় সদস্যক এই বিষয়ত চিন্তা চৰ্চা পৰামৰ্শ দিবলৈ অনুৰোধ জনালোঁ।

শ্ৰী জয়নাথ শৰ্ম্মাই ৰাজহ বিভাগক আক্ৰমণ কৰি ১৯৮৭ চনত খৰচ হোৱা টকাৰ কথা সুধিছে। অবশ্যে এইটো এতিয়া অহা নাই। এইটো ৪০ নং গ্ৰান্টত হে আহিব।

* **শ্ৰী জয়নাথ শৰ্ম্মা ঃ** গেচুইটি ৰিলিফ ১৯৮৩ চনতে বিতৰণ কৰা হৈছিল।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** এইটো আৰ আৰ বিভাগৰ। এই সম্পৰ্কত পিচত কব পৰা হব। ইয়াৰ কাৰণে বেলেগ শিতান আছে। ১৯৮৩ চনত যিটো খৰচ হল সেইটো আৰ আৰ বিভাগৰ।

**শ্ৰী পদ্মনাথ কৈৰী ডাঙৰীয়াই পৰামৰ্শ আগবঢ়াইছে।**

* **Shri A.F.G. Osmani :** Mr. Speaker Sir, we feel that analogus grants should be dealt together to avoid these sort of troubles as pointed out by the Hon'ble Minister.

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় সদস্য সকলে দিয়া পৰামৰ্শ সমুহৰ কাৰণে মই ধন্যবাদ জনাইছো আৰু অনুৰোধ কৰিছো যে মই যাতে কালিৰ পৰাই কাম কৰিব পাৰো তাৰ কাৰণে কৰ্ত্তন প্ৰস্তাৱ সমূহ উঠাই লৈ মঞ্জুৰী পাচ কৰি দিয়ে যেন।

**Mr. Speaker :** Now, Hon'ble Member Shri Aminul Islam. Will the Hon'ble Member withdraw his Cut Motion?

**Shri Aminul Islam :** Mr. Speaker, Sir, I beg leave to withdraw my Cut Motion.

(Cut Motion is withdrawn)

---

* Speech not corrected

**Mr. Speaker :** With the leave of the House the cut motion is withdrawn. Now, Hon'ble Member Shri Mosiruddin Sheikh. Will the Hon'ble Member withdraw his cut motion.

**Mr. Mosiruddin Sheikh :** Sir, I beg leave to withdraw the Cut Motion.

**Mr. Speaker :** With the leave of the House the cut motion is withdrawn. Will the Hon'ble Member, Shri Shahidul Islam withdraw his Cut Motion?

* **শ্ৰী শ্বহিদুল ইচলাম ঃ** ঢিঙৰ পৰা প্ৰায় ১০ মাইল আতৰত যি সকল নিৰ্জাতিত, নিষ্পেষিত লোক গৰাখহনীয়াত পৰি আছে সেই সকলক পুনৰ সংস্থানৰ ব্যৱস্থা কৰিবনে আৰু চৰ অঞ্চলত যি সকল লোকে আশ্ৰয় লৈ খেতি বাতি কৰি আছে তেওঁলোকক উচ্ছেদ নকৰাৰ আস্বাস দিবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৰখহনীয়াত যি সকল লোক ক্ষতিগ্ৰস্ত হৈছে সেই সকলৰ সহায় কৰাৰ কাৰণে আমি উপাযুক্ত সকলক দিয়া এটা স্টেণ্ডিং অৰ্ডাৰ আছে। সেই মতে উপাযুক্ত সকলে সদায় কৰি থকাৰ খবৰ আমি পাই আছো। তেখেতে যিটো কথা কৈছে তাত কি কৰিছে মই অনুসন্ধান কৰিম। তেখেতে চৰৰ কথা যিটো কৈছে এই ক্ষেত্ৰত এইএটা কথা চাব লাগিব যে সেই সকল মানুহ কৰ পৰা আহিছে। কেতিয়াৰ পৰা সেই ঠাইত বসবাস কৰি আছে সেই বিলাক কথা চাব লাগিব। মই এইটো কথাৰ অনুসন্ধান কৰিম।

* **শ্ৰী শ্বহিদুল ইচলাম ঃ** মন্ত্ৰী মহোদয়ৰ আশ্বাসৰ পৰিপ্ৰেক্ষিতত মই কৰ্ত্তন প্ৰস্তাৱ উঠাই ললো।

**Mr. Speaker :** With the leave of the House the Cut Motion is withdrawn.

* **শ্ৰী অমৃত লাল বসুমতাৰী ঃ** বতৰ সম্পৰ্কত ইনচাৰ্ট - ১ৰ পৰা খবৰ বিলাক পায়। গতিকে ইনচাৰ্ট - ১ৰ লগত বিশেষ সংযোগ ৰখাৰ ব্যৱস্থা কৰিবনে যাতে আগতীয়াকৈ কত বৰষুণ হব, কোন ফালে ধুমুহা হব তাৰ খবৰ পোৱা যায়। ইয়াৰ বাবে এটা ৰিচিভাৰ বহুওৱাৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** আজিকালি টি, ভি, ৰেডিও আদিত বতৰ সম্পৰ্কত সংকেত দি থাকে। এই পৰিপ্ৰেক্ষিতত বান নিয়ন্ত্ৰণ বিভাগেও খবৰবিলাক দি থাকে। গতিকে তেনে ক্ষেত্ৰত প্ৰয়োজন নহব বুলি ভাবো। এইবিষয়ত এটা বিশেষ ব্যৱস্থাৰ প্ৰয়োজন হব। কোন বিভাগত দায়িত্ব দিব লাগিব মই আলোচনা বিলোচনা কৰিম।

---

* Speech not corrected

* শ্ৰী অমৃত লাল বসুমতাৰী ঃ মই কৰ্তন প্ৰস্তাৱ উঠাই লৈছো।

* **Shri Ramendra De :** I just clarify that I referred to the book "Food Havoc" in Assam page 3. It reads, "The recent flood, which just had passed the critical phase, wrought havoc mainly in Nagaon, Cachar, Jorhat, Karimganj, Kamrup, Goalpara, parts of Karbi Anglong and N.C. Hills Districts of the State" and "By the middle of the second week of October, the situation, particularly in Jorhat, Cachar and Karimganj districts deteriorated to such an alarming extent that the district authorities had to alert defence forces for help and assistance." So, Sir, there was flood and as per allotment list আমি বলেছিলাম যে কাছাড়ে বন্যা হয়েছে। ব্ৰহ্মপুত্ৰ উপত্যকার বেয়ে অবশ্যে কাছাড়ের বন্যা কম হয়েছে Sir, these are the facts announced by the Govt. itself. Then, Sir I beg to withdraw the Cut Motion.

**Mr. Speaker :** With the leave of the House the Cut Motion is withdrawn. Now, I put the main motion. The motion is that a sum of Rs. 5,43,96,000 be granted to the Minister-in-charge to complete the sum of Rs. 7,25,02,000 necessary to defray the charges which will come in course of payment during the year ending the 31st 1989 for the administration of Natural Calamities.

The Motion is passed, the Grant is passed.

Now, Grant No. 52, Hon'ble Minister, Veterinary to move Shri Nagen Sarma, (Minister Veterinary) : Mr. Speaker, Sir, I beg to move that on the recommendation of the Governor of Assam.

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত 'পশুপালন' সম্পৰ্কীয় শিতানত প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ২৪,৪৭,২৮,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১৮,৩৫,৪৬,০০০ টকা মঞ্জুৰ কৰা হওক।

**Mr. Speaker :** Regarding discussion on this Grant I have received a letter from the leader of the Opposition, the Members of the A.G.P. and UMF that they are not willing to discuss this grant. Therefore, the Cut Motion is not moved.

---

* Speech not corrected

Now the motion is that a sum of Rs. 18,35,46,000 be granted to the Minister-in-charge to complete the sum of Rs. 24,47,28,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for administration of Animal Husbandary.

The Motion is passed, the Grant is passed. Now, Grant No. 53. Minister, Vety. will move.

* **শ্ৰী নগেন শৰ্ম্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮১ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত 'দুগ্ধশালা উন্নয়ণ" সম্পৰ্কীয় শিতানত প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৫,৫৭,৭৩,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৪,১৮,২৯,০০০ টকা মঞ্জুৰ কৰা হওঁক।

**Mr. Speaker :** Regarding this Grant also the members from Congress(I) A.G.P. and UMF not willing to move Cut Motion. Therefore the Cut Motion is not moved.

Now, I put the main motion. The Motion is that a sum of Rs. 4,18,29,000 be granted to the Minister-incharge to complete the sum of Rs. 5,57,73,000 necessary to defray the charges which will come in course of payment during the year ending 31st March, 1989 for the administration of Dairy Development.

The Motion is passed the Grant in passed.

Now Grant No. 54, Hon'ble Minister Fishery will move.

**শ্ৰী নগেন শৰ্ম্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত 'মীন মহল' সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৭,৫১,০২,০০০ টকা পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৪,৬৩,২৬,০০০ টকা মঞ্জুৰ কৰা হওক।

**Mr. Speaker :** Now, I put the Motion. The Motion is that a sum of Rs. 5,63,26,000 be granted to the Minister-incharge to complete the sumof Rs. 7,51,02,000 necessary to defray the charges which

---

* Speech not corrected

will come in course of payment during the year ending the 31st March, 1989 for the administration of Fisheries.

The Motion is passed, the Grant is passed. Now, Grant No. 9. Hon'ble Minister, Transport will move.

**শ্ৰী ললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯ চনত ৩১ মাৰ্চত শেষ হ্বলগীয়া বছৰটোৰ কালছোৱাত 'পৰিবহন সেৱা' সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ২১,২৩,৫০,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১৫,৯২,৬২,০০০ টকা মঞ্জুৰ কৰা হওক।

**Shri Aminul Islam :** Mr. Speaker Sir, I beg to move that the total provision of Rs. 21,23,50,000 under Grant No. 9 in respect of "Transport Services" at pages 1-46 of Volume II, Part II of the Budget be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 21,23,50,000 do stand reduced to Re. 1.00.

**Mr. Speaker :** Shri B.K. Basumatary is absent.

**শ্ৰী মচিৰুদ্দিন শেখ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে ১৯৮৮-৮৯ চনত বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দ্বিতীয় অংশৰ ৩৪৬ পৃষ্ঠাত থকা পৰিবহন সেৱা শিতানৰ ৯ মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ২১,২৩,৫০,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ২১,২৩,৫০,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওক।

**Shri Muktar Hussain :** Mr. Speaker Sir, I beg to move that the total provision of Rs. 21,23,50,000 under Grant 46 of Volim II, Part II, of the Budget be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 21,23,50,000 do stand reduced to Re. 1.00.

**Shri Ramendra De :** Mr. Speaker Sir, I beg to move that the total provision of Rs. 21,23,50,000 under Grant No. 9 in respect of "Transport Services" at pages 1-46 of Volume II, Part II of the Budget be reduced by Rs. 100.00 i.e. the amount of the whole Grant of Rs. 21,23,50,000 do stand reduced by Rs. 100.00.

---

* Speech not corrected

শ্ৰী আমিনল ইচলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰ কবলৈ আগবাঢ়িছো। এখন দেশত, এখন ৰাজ্যত অথবা এটা ৰাজনৈতিক বিকাশৰ ক্ষেত্ৰ পৰিবহন ব্যৱস্থাৰ ওপৰত বহু খিনি নিৰ্ভৰ কৰে। যি অঞ্চলত পৰিবহন ব্যৱস্থা ভাল সেই অঞ্চলৰ অৰ্থনৈতিক উন্নতিৰ বিকাশ সাধন কৰে। আৰু যি অঞ্চলত পৰিবহন ব্যৱস্থা বেয়া সেই অঞ্চলৰ অৰ্থনৈতিক বিকাশ ভাল হব নোৱাৰে। কিন্তু বৰ্ত্তমান আমাৰ চৰকাৰে অসমৰ অৰ্থনৈতিক বিকাশৰ কাৰণে যিমানখিনি পৰিবহনৰ সু-ব্যৱস্থা যোগাব লাগিছিল সিমানখিনি সুবিধা যোগান ধৰিব পৰা নাই। আমাৰ পৰিবহন ব্যৱস্থা সন্তোষজনক কৰিবলৈ হলে ইয়াৰ লগত পথ আৰু দলঙো জৰিত হৈ আছে। আমাৰ অসমত যিবিলাক অঞ্চলত ৰাস্তা ঘাট দলং হোৱা নাই সেই অঞ্চলত পৰিবহণ ব্যৱস্থাও হোৱা নাই। কিন্তু যিবিলাক অঞ্চলত ৰাস্তা দলং আছে সেই অঞ্চলত পৰিবহন ব্যৱস্থা সন্তোষজনক হোৱা নাই। মই কবলৈ বিচাৰিছো যে এই অঞ্চল বিলাকৰ প্ৰতি আমাৰ চৰকাৰৰ সু-দৃষ্টি পৰা নাই। আমাৰ সময়ত এনেকুৱা কিছুমান অঞ্চল আছে যিবিলাক ঠাইত ৰাস্তাঘাট থকা স্বত্বেও তাত পৰিপহণৰ ব্যৱস্থা হোৱা নাই। এইবিলাক অঞ্চলত চৰকাৰৰ পৰিবহণ ব্যৱস্থাৰ সলনি মই দেখিছো ব্যক্তিগত মালিকানা স্বত্বৰ পৰিবহণ ব্যৱস্থাই হৈ ৰাইজৰ সুবিধা কৰিছে। এই ব্যক্তিগত মালিকানা ব্যৱস্থাই পৰিবহণৰ ক্ষেত্ৰত ৰাইজ উপকৃত হোৱা ফালত এই বাছৰ মালিক সকলে বেচি লাভবান হৈছে। প্ৰতিবছৰে আমাৰ পৰিবহণ বিভাগে লোকচান ভৰিছে আৰু ব্যক্তিগত মালিক সকলে লাভ কৰি আছে। মই দেখিবলৈ পাইছো এজন মালিকে এখন বাছ কিনাৰ পাচত ২য় খন গাড়ী কিনিবলৈ চেষ্টা কৰে। কিন্তু আমাৰ পৰিবহণ বিভাগৰ পৰা এখন বাছ নতুনকৈ চলোৱাৰ পাচত দেখা যায় সেইখন কিছুদিন পাচত ভাঙি চিঙি গৈছে। একো লাভ নহয়। ইয়াৰ মুল কাৰণ কি সেইটো আমি ভাবিবলৈ বাধ্য হৈছো। ব্যক্তিগত মালিক সকলে আগবাঢ়ি আছে আৰু আমাৰ পৰিবহণ বিভাগে লোকচান ভৰি আছে। মই ভাবো ইয়াৰ কাৰণ হ'ল আমাৰ যিবিলাক বাছ আছে সেইবিলাকৰ ওপৰত আমাৰ চৰকাৰৰ নিয়ন্ত্ৰণ ব্যৱস্থা অত্যন্ত শিথিল। কিন্তু ব্যক্তিগত মালিকৰ বাচৰ ভাড়া নিজৰ নজৰত ৰাখেষ আমাৰ চৰকাৰৰ ফালৰ পৰা বাচ ইঞ্চপেকচন কৰা ব্যৱস্থা নাই। মই এই খিনিতে কবলৈ বিচাৰিছো যে গুৱাহাটীৰ পৰা মানকাছাৰলৈ যিখন বাচ যায় সেই বাচখনত গুৱাহাটীৰ পৰা আগিয়ালৈ টিকত দিয়া হয় আৰু তাৰ পাচ দেখা যায়

* Speech not corrected

সেই বাছখন ব্যক্তিগত হৈ যায়। এই যে গুৱাহাটীৰ পৰা আগিয়ালৈ মাত্ৰ চৰকাৰী ভাবে টিকেট দিয়া হল তাৰ পাচত ব্যক্তিগত হল সেই কাৰণবোৰৰ কাৰণেই আমাৰ পৰিবহণ বিভাগে লোকচান ভৰিব লগা হয়। তাৰোওপৰি আমাৰ মহকুমাৰ গুৱাহাটীৰ পৰা মানকাছাৰলৈ মাত্ৰ এখনহে চৰকাৰী বাচ দিয়া হৈছে। অথচ তাঁত ৩ খন ব্যক্তিগত বাছ চলি আছে। ইয়াৰ আগতেওঁ মই চৰকাৰী বাচৰ সংখ্যা বঢ়াই দিয়াৰ কাৰণে চৰকাৰৰ লগত যোগাযোগ কৰিছিলো। মই আপোনাৰ জৰিয়তে আজি ৰাইজৰ সুবিধাৰ অৰ্থে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আশা কৰো এই বিষয়ে মন্ত্ৰী মহোদয়ে এই বিষয়ে গুৰুত্ব আৰোপ কৰিব। ইয়াৰ ওপৰিও বাচৰ ব্যৱস্থা বিলাক যাতে চৰকাৰৰ ঘৰত ঠিক মতে জমা হয় তাৰ প্ৰতি সু-ব্যৱস্থা কৰিবলৈ এজন ইন্সপেক্টৰ নিয়োগ কৰা হওক। ইয়াৰ ওপৰিও যিবিলাক অঞ্চলত ৰাইজৰ প্ৰয়োজন অনুসৰি পৰিবহণ সু-ব্যৱস্থা আগবঢ়োৱা হওক। আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। কিছুমান অঞ্চলত প্ৰাইভেট বাচৰ ব্যৱস্থা থকা স্বত্বেও গাড়ীত ঠাই পোৱা নাযায়। বাচৰ ভিতৰত যিমান মানুহ হয় বাচৰ হুদৰ ওপৰতো সিমান মানুহ হোৱা দেখা যায়। এই সম্বন্ধে মই সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰা স্বত্বেও ৰোড পাৰমিট দিয়া নাই। এক শ্ৰেণীৰ মালিকি স্বাৰ্থৰ কাৰণে এই পাৰমিট দিয়া হোৱা নাই। ৰাইজৰ সুবিধাৰ অৰ্থে এই ৰোড পাৰমিট দিয়াৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

ইয়াৰোপৰি এটা বস্তু লক্ষ্য কৰিলে দেখা যায় যে বাচ ষ্টেণ্ডবিলাকত কোনো বয়বস্তু ৰখা ব্যৱস্থা নাই। অপৰিস্কাৰ এটা পৰিবেশ। যিটোৰ কাৰণে আজি ৰাইজে ভীষণ অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছে। গতিকে এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষ গুৰুত্ব দিব বুলি আশা কৰিলো। আৰু এটা কথা ধুবুৰী কৰ্ত্তৃপক্ষৰ দ্বাৰা বহুতো নদীৰ ঘাট নিয়ন্ত্ৰণ কৰা হয়। সেইবিলাক পাৰ হওঁতে ৩/৪ ঘন্টা অৰ্থাৎ 'লাঞ্চ' দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰি দিব বুলি আশা কৰিলো। ইমানকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰী মচিৰউদ্দিন শ্বেখ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য কবলৈ থিয় হৈছো। পৰিবহন সেৱাব কি কাম সেইটো আমাৰ সকলোৰে বোধগম্য। পৰিবহন বিভাগটোৰেই হৈছে মানুহক সেৱা কৰা আৰু ৰাজহ সংগ্ৰহ কৰা। কিন্তু কোনো এটা ক্ষেত্ৰতে চৰকাৰে পাৰদৰ্শিতা দেখুওৱা পৰা নাই। দেখা গৈছে এ,

---

* Speech not corrected

এচ, হৈ যায়। ইয়াৰ কাৰণটো কি আমি বুজি পোৱা নাই। ১৯৮৬ চনত কিছুমান বাচ এ, এচ, টি, টিৰ দ্বাৰা কিনা হৈছিল, এই বাচ বিলাকো দুবছৰ সম্পূৰ্ণ নহওঁতেই 'ওৱৰ্কশ্বপত' দিবলগীয়া হৈছে। য'ত নেকি সেইবিলাক বাচে কমেও ৫/৬ বছৰ লাষ্টিং কৰিব লাগিছিল। গতিকে ৰাজহ ক'ৰ পৰা জমা হ'ব। কিন্তু একেই বাচ যদি প্ৰাইভেট মালিকে কিনে সেইখন বাচে বহুদিন লাষ্টিং কৰে। 'ওৱাৰ্কশ্বপলৈ সঘনাই আনিবলগীয়া নহয়। আমি শুনিছো যে বাচ বিলাক ওৱৰ্কশ্বপলৈ ভাল কৰিবলৈ নিলে তেওঁলোকে ভাল-ভাল পাৰ্টচ বিলাক এৰুৱাই কিছুমান 'অৱদিনেৰী' পাৰ্টচ লগাই দিয়ে, 'টায়াৰ' বিলাক বদলি কৰে। যাৰ ফলত আজি বাচ বিলাকৰ 'এক্সিডেন্ট' বেচি হৈছে আৰু ৰাস্তাত গাড়ীবিলাক সঘনে বেয়া হৈ থকা দেখা যায়। ইয়াৰ পৰিণাম আমি ৰাইজে ভুগিব লগীয়া হৈছে। সেইকাৰণে বাচৰ কন্‌ডিচন বিলাক যাতে ভাল থাকে তাৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যাত্ৰী সকলৰ প্ৰধান চিন্তা হ'ল কেনেকৈ সোনকালে এডোখৰ ঠাইৰ পৰা আন এডোখৰ ঠাই পাবকৈ পাৰে অৰ্থাৎ সোনকালে গন্তব্য স্থল নিৰাপদে পোৱাৰ চিন্তা। আজি এডোখৰ ঠাইলৈ যাবলৈ হলে টিকেট কৰি বাচত উঠি বহি থাকিলেও বাচ নচলে, সময় মতে নেযায়। সুধিলে তেওঁলোকে কয় ড্ৰাইভাৰ নাই, চাহ খাবলৈ গৈছে। ড্ৰাইভাৰ থাকিলে দেখা যায় কনডাক্তৰ নাই, সুধিলে কয় পানী খাব গৈছে। এইদৰে প্ৰয়োজনীয় সময়তকৈ ২/৩ ঘন্টা সদায় বাচ বিলাক দেৰিকৈ যায়। তাৰ পৰাও ৰাইজৰ দুৰ্গতি হৈছে। এইবিলাক কিয় হলৈ পাইছে? এইবিলাকৰ ক্ষেত্ৰত নিয়মানুবৰ্তিতা বজাই ৰাখিলে যাত্ৰী সকলৰ সুবিধা নহব বুলি ভাবো আৰু লগতে যাতে বাচৰ কন্‌ডিচন বিলাকো ভাল কৰা হয়। তাৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি দেখা যায় প্ৰাইভেট আৰু এ, এচ, টি, চি'ৰ বাচ বিলাকৰ মাজত কমপিটিচন চলিছে। আৰু এটা কথা আমি দেখিছো যে এ, এচ, টি, চি, বাচ বিলাকৰ অফিচত যাত্ৰী সকলক টিকত দিয়াৰ উপৰিও ৰাস্তাত টিকত 'ইচ্যু' কৰা দেখা যায়, যাৰ দ্বাৰা নেকি ৰাজহ লোকচান হোৱা দেখা গৈছে। কনডাক্তৰে নিজৰববীয়াকৈও বহু টিকেট বিক্ৰী কৰি মুনাফা আদায় কৰে। এইবিলাকৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় সভাপতি মহোদয়, সেই বিলাক জাগত কিমান অসুবিধা হয় সেইটো সকলোৰে অভিজ্ঞতা আছে। এটা 'ডিচিপ্লিন'ৰ কথা আছে। সময়ৰ কোনো ঠিক

* Speech not corrected

নাই। এখন বাছ ১২ বজাত অহাৰ কথা। মতা মানুহ, মাইকী মানুহ বাছ আহিব বুলি বৈ আছে কিন্তু বাছ নাই। আস্থান নাই। আস্থান থাকিলেও তাত 'চেনিটেশ্বন'ৰ কোনো ব্যৱস্থা নাই। একেবাৰেই লেতেৰা। এই বিলাক কথা আমি লক্ষ কৰিব লাগিব। এই বিলাক আসোৱাঁহ যদি আমি আতৰাব পাৰো তেতিয়াহলে, যাত্ৰীৰ আকৰ্ষণো বাঢ়িব আৰু ৰাজহৰ পৰিমাণো বাঢিব। ১৯৮৫ চনত আমি বিধান সভালৈ নিৰ্ব্বাচিত হৈ অহাৰ পিছতেই কোনো কোনো বিধায়কক পুল কাৰ দিলে। এই পুল কাৰ আলোচনাকো দিছে নেকি কব নোৱাৰো। যি বিলাকপুল কাৰ দিয়া হৈছে বিলাক বিধায়ক সকলে কিনি লৈছেনেকি। পুল কাৰ বিলাক ৰাজহুৱা কামৰ কাৰণেহে ব্যৱহৃত হয়। 'অপৰিহাৰ্য্য অৰ্থত এইবিলাক ব্যৱহাৰ কৰাৰ কথা আছে। কিন্তু তাৰ পৰিবৰ্ত্তে এইবিলাক ঘূৰাই দিয়াৰ কোনো ব্যৱস্থা নাই। মাননীয় সভাপতি মহোদয়, এই পুল কাৰবিলাক মেৰামতিৰ নামত হাজাৰ হাজাৰ টকাৰ বিল লোৱা হৈছে গেৰেজবোৰৰ পৰা এই টকা পুল অফিচাৰৰ লগত ভাগ হয়। এই বিলাক 'ৰেইমবাৰ্চ' হয়। পুল অফিচাৰে ইয়াৰ কাৰণে কিছুমান মানুহক বাচি লৈছে। এইক্ষেত্ৰত চৰকাৰৰ হস্তক্ষেপ কামনা কৰিছো। নহলে গোটেই পুল গাড়ীৰ ব্যৱস্থাটোকেই উঠাই দিয়ক। যিবিলাক গাড়ী সঁচা অৰ্থত ব্যৱহাৰ নহয় সেই বিলাক গাড়ী উঠা দিব লাগে। ৰখাৰ দৰকাৰ নাই, এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি বহিলো।

**Mr. Chairman :** Now, Hon'ble Member, Shri Muktar Hussain

* **শ্ৰী মুক্তাৰ হোছেইন ঃ** মাননীয় সভাপতি মহোদয়, অসম ৰাজ্যিক পৰিবহন নিগমৰ বিৰোধীতা কৰিবৰ কাৰণেই এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো।

মাননীয় সভাপতি মহোদয়, আপোনাৰ হয়তো মনত আছেনে, এই চৰকাৰ ক্ষমতালৈ অহাৰ তিনি মাহৰ পিছত এই চৰকাৰৰ পৰিবহন বিভাগৰ ভাৰপ্ৰাপ্ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে পৰিবহন নিগমে যথেষ্ট টকা লাভ কৰিবলৈ সক্ষম হৈছে। তেতিয়া সদনৰ দুয়োপক্ষৰ মাননীয় সদস্য সকলে ইয়াৰ কাৰণে পৰিবহন বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক হাত চাপৰি বজাই প্ৰবল হৰ্ষ ধ্বনিৰে স্বাগত জনাইছিলো। কিন্তু মাননীয় সভাপতি মহোদয়, আপুনি শুনি আঁচৰিক হব যে, কাগজে পত্ৰে আজি এই পৰিবহন নিগমৰে লাখ লাখ টকাৰ লোকচানৰ বাতৰি সদায়েই পৰিবেশিত হৈ আছে। এইটো কিয় হবলৈ পাইছে ইয়াৰ

* Speech not corrected

মূল কাৰণটো আমি ফহিয়াই চাব লাগিব। নতুন গণপৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ কাৰণেই পৰিবহন নিগমৰ বিষয়া সকলে সহযোগেৰে কাম কৰিছিল কাৰণেই এই লাভ হবলৈ সক্ষম হৈছিল কিন্তু লাহে লাহে দেখিলে যে, গণ পৰিষদৰ বিষয়া সকল কোনো কামতেই কটকটীয়া নহল তেতিয়া তেওঁলোক আকৌ আগৰ চলিত পথলৈ আগুৱাই গল। তাৰ ফলশ্ৰুতি হিচাবেই অসম ৰাজ্যিক পৰিবহন নিগমে এই লোকচান ভৰিব লগীয়া হৈছে। মাননীয় সভাপতি মহোদয়, আমি আৰু এটা কথা লক্ষ্য কৰিলে দেখা পাম যে, ব্যক্তিগত বাছৰ মালিক সকলে যি বিলাক বাছ চলাইছে সেই বাছ বিলাকে প্ৰত্যেক বছৰেই লাখ লাখ টকা লাভ কৰিলৈ সক্ষম হৈছে। অসমৰ ভিতৰত বৰপেটাতেই আটাইতকৈ বেছি বাছৰ মালিক বিলাক আছে। তাতেই আমি এই বিলাক কথা দেখিছো। ইয়াৰ মূল কাৰণ কি? মাননীয় সভাপতি মহোদয়, অকল পৰিবহনৰ ক্ষেত্ৰতেই নহয়, মিশ্ৰ অৰ্থনীতিৰ এটা ডাঙৰ সমস্যা হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বিলাকে সদায়েই লোকচান ভৰিব লগীয়া হৈছে। এইটো অকল অসমতেই নহয়, সমগ্ৰ ভাৰত বৰ্ষতেই এইটো অৱস্থা হৈছে। ৰাজহুৱা সম্পত্তিক নিজৰ বুলি নভৱাৰ কাৰণেই এই অৱস্থাৰ সৃষ্টি হৈছে। আজি আমি দেখিছো যে, চৰকাৰী সম্পত্তিক নিজৰ বুলি নভৱাৰ কাৰণেই এই অৱস্থা সৃষ্টি হৈছে। আজি আমি দেখিছো যে, পৰিবহন নিগমৰ বাছ বিলাক সময় মতে নচলে। সদায় এঘন্টা আধাঘন্টা দেৰিকৈ চলাচল কৰে। এইটো নিত্ত নৈমিত্তিক ঘটনাত পৰিণত হৈছে। ইয়াৰ এটা মই উদাহৰণ দিব খুজিছো। মাননীয় সদস্য শ্ৰী গোপীনাথ দাস আৰু মই নগৰবোৰৰ এখন হাইস্কুলত বহিব লগা ৰাজহুৱা মিটিঙলৈ যোৱাৰ কথা আছিল। মাননীয় সদস্য গৰাকীক মই কিহত যাব সোধাত মাননীয় সদস্য গৰাকীয়েও চৰকাৰী বাছত যোৱাৰে ইচ্ছা প্ৰকাশ কৰিছে। বাছ খন ৮.৪০ মিনিটত যাব। মোক সোধাত মইও চৰকাৰী বাছতে যোৱাৰ ইচ্ছা ব্যক্ত কৰিলো। বৈ আছো। বাছ নাই। দু ঘন্টা সময় ৰলো বাছ নাহিলেই। আমি ঘূৰি আহিলো। পিছদিনা মাছখোৱাৰ আস্থান অধীক্ষকক এই বিষয়ে যিখিনি কথা সুধিলো গোটেই খিনিয়েই তেখেতে নেজানে, একো নেজানো ইত্যাদি ভাষাতেই উত্তৰ দিলে। দুজন বিধায়কে চৰকাৰী বাছত গৈ এখন ৰাজহুৱা মিটিং এটেণ্ড কৰিব নোৱাৰিলোগৈ। এইদৰে আমি দেখিছো যে, চৰকাৰী বাছৰ সময়ত কোনো ঠিকনা নাই। এইটোৱেই যদি অৱস্থা হয় কিয় মানুহে চৰকাৰী বাছত ভ্ৰমণ কৰিব? গতিকে এই কথাটো যদি আজি আমি মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ নকৰো তেতিয়া হলে কেনেকৈ হব? বাস্তৱত

* Speech not corrected

আমি এইটোৱেই দেখিছো যে, ব্যক্তিগত মালিকানাৰ অধীনত চলা বাছ বিলাকৰ লগত হোৱা প্ৰতিযোগিতাত আমাৰ চৰকাৰী বাছ বিলাক ফেইল মাৰিছে। ইয়াৰ কাৰণ হিচাবে হয়তো কাৰণ দৰ্শাব পাৰে যে, ভিতৰুৱা অঞ্চল বিলাকত চলাব লগীয়া হোৱা কাৰণেই এই অৱস্থা হৈছে। কিন্তু আমি দেখিছো যে, অকল চৰকাৰী বাছ বিলাকেই ভিতৰুৱা অঞ্চল বিলাকত চলাচল কৰা নাই, বেচৰকাৰী বাছ বিলাকে আৰু অধিক ভিতৰুৱা অঞ্চলতহে যাতায়াত কৰি ৰাইজৰ উপকাৰ কৰিছে। ভিতৰুৱা অঞ্চল বিলাকত চলাচল কৰি ব্যক্তিগত মালিকানাৰ অধীনত চলা বাছ বিলাকে ৰাইজৰ উপকাৰ কৰাই নহয়, পৰ্য্যাপ্ত পৰিমাণে লাভ কৰিবলৈকো সমৰ্থবান হৈছে। কিন্তু চৰকাৰী বাছে লাভো কৰিব পৰা নাই আৰু ৰাইজৰ উপকাৰো কৰিব পৰা নাই। চৰকাৰে যদি ব্যক্তিগত মালিকানাৰ তলৰ বাছ চলাবলৈ নিদিয়ে বা সেই বাছ বিলাকৰ কাৰণেই চৰকাৰী বাছবোৰ লাভ কৰিব পৰা নাই বুলি ভাবিছে তেতিয়াহলে, গোটেই পৰিবহন ব্যৱস্থাটোকেই চৰকাৰীকৰণ কৰি নিজৰ হাতলৈ লৈ আনক। তাকে কৰিব নোৱাৰিলে এই বিভাগটো ৰক্ষা কৰিব নোৱাৰিব। এই বিভাগটো সম্পূৰ্ণ ৰূপে ভাৰতবৰ্ষৰ মানুহে মৰাৰ পিছতো মৃতকৰ শ্ৰাদ্ধ বিধি কৰে। এই বিভাগটো মৰিলে শ্ৰাদ্ধৰ কাৰণেও টকা যোগাৰ কৰিব নোৱাৰিব।

মাননীয় সভাপতি মহোদয়, মই পুলকাৰ সম্পৰ্কে এটা প্ৰশ্ন কৰিছিলো এই বিধান সভাত। কিমানখন পুলকাৰ শুনি আঁচৰিত তাৰ মেৰামতি কাৰণে কিমান টকা খৰচ হৈছে। আপোনালোকে শুনি আঁচৰিত হব যোৱা ৩ বছৰত এখন পুলকাৰৰ মেৰামতিৰ বাবদ ৭১ হেজাৰ টকা খৰচ কৰা হৈছে। এই গাড়ীখন মেৰামতি নকৰা হলে সেই টকাৰে আৰু এখন নতুন গাড়ী পুলকাৰ কিনিব পৰা গ'লহেতেন। অৱশ্যে তেলৰ খৰচ বাদ দি কৈছে। এই গাড়ীবোৰৰ কাৰণে ৩ বছৰত গড়ে ৪৫ হেজাৰ টকা মেৰামতিৰ বাবদ খৰচ কৰা হৈছে। মই বিভাগীয় মন্ত্ৰী মহোদয়ক সকলো তথ্য পাতি দিছো বিষয়টো ভালদৰে অনুসন্ধান কৰিব লাগে। মাননীয় সদস্য শ্ৰী মচিৰুদ্দিন শ্বেখ ডাঙৰীয়াই যিটো কথা অলপ আগতে উত্থাপন কৰিছে সেই বিষয়ে অৱশ্যে মই অৱগত নহয়।

সভাপতি মহোদয়, এইখিনিতে মই মোৰ সমষ্টিৰ কথা এটা উল্লেখ কৰিব খুজিছো গুৱাহাটীৰ পৰা বৰপেটালৈ যোৱাৰ পথত বহৰিহাট নাম ঠাইখন ব্যৱসায়িক দিশত উন্নত ঠাই। এ, জি, পি, দলৰ ভালেকেইজন মন্ত্ৰীয়ে সেই ঠাই দেখিছে।

---

* Speech not corrected

কিন্তু অতি দুখৰ বিষয়ে যে স্বাধীনতাৰ ৪০ বছৰৰ পিচতো বহৰিৰ ৰাইজে অসম ৰাজ্যিক পৰিবহন নিগমৰ ৰঙা বাছ দেখিবলৈ পোৱা নাই। নতুন চৰকাৰৰ দিনত তাৰ ৰাইজে বাছ চকুৰে দেখিবলৈ পাম বুলি ভাবিছিল যদিও আজিলৈকে দেখা নাই। এইক্ষেত্ৰত মই মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াৰ পৰা এক প্ৰতিশ্ৰুতি বিচাৰিছো। (সময় সংকেত)। সভাপতি মহোদয়, মই সামৰণি মৰাৰ আগতে জল পৰিবহনৰ কথা এটা কৈ লও বৰপেটাৰ চৰ অঞ্চলৰ দুৰ্গত ৰাইজৰ যোগাযোগৰ সুবিধাৰ্থে মাননীয় পৰিবহন মন্ত্ৰীয়ে দুই এখন জাহাজ চলাচল কৰাৰ প্ৰতিশ্ৰুতি দিব বুলি মই অনুৰোধ কৰিলো। এইখিনি কৈয়েই মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰী ৰামেন্দ্ৰ দে ঃ উপাধ্যক্ষ মহোদয়, যোগাযোগ ব্যৱস্থা উন্নত করার জন্য উপায়ুক্ত পরিবেশ ভারতবর্ষের অন্যান্য অঞ্চল থেকে আসামে বেশী। ভারতবর্ষের এমন রাজ্য খুব কমই আছে যেখানে যোগাযোগ ব্যবস্থা উন্নত করার ক্ষেত্রেত যে চারটি কণ্ডিশন প্রয়োজন তা রয়েছে। কিন্তু আসামে এই চারটি কণ্ডিশনই রয়েছে বলে এখানে যোগাযোগ ব্যবস্থাকে উন্নত করা সম্ভাবনা খুব বেশী। এই চারটি কণ্ডিশনের ১ম জলপথ, ২য় স্থলপথ, ৩য় রেলওয়ে যোগাযোগ এবং ৪র্থ আকাশ পথ। ভারতবর্ষের ১১ টি রাজ্যের মধ্যে একমাত্র আসাম ছাড়া কোথাও রেলপথ আছে তো জলপথ নেই, কোথাও স্থলপথ আছে তো রেলপথ বা জলপথ নেই। এইভাবে একমাত্র আসাম ছাড়া সব রাজ্যেই একটা না একটা যোগাযোগের ব্যবস্থার অভাব রয়েছে। আমাদের এই উত্তর পূর্বাঞ্চলেরও অন্যান্য রাজ্যগুলির কথাই দেখেন। মেঘালয়, মিজোরাম, অরুণাচল, মনিপুর, নাগালেণ্ড সর্বত্র একটা না একটা সুবিধা কম রয়েছে। কিন্তু প্রশ্ন হলো, আমাদের এতো সম্ভাবনা থাকা স্বত্বেও যোগাযোগের ক্ষেত্রে আসাম পশ্চাদ পদ কেন? আমরা যদি ১৯৭৭ ইং থেকে ১৯৮৭ পর্যন্ত দেখি তাহলে দেখতে পাব যে যোগাযোগের উন্নতির জন্য রাজ্য এবং কেন্দ্রীয় সরকারের যৌথ অনুদানের টকা যথাযথ ভাবে খরচ হয়নি। উল্টো, ১৯৮৩ ইংতে আসাম রাজ্য সরকার যোগাযোগ ব্যবস্থাকে ব্যক্তিগত মালিকানার হাতে তুলে দেবার ষড়যন্ত্র শুরু করেছিলেন। তার প্রমান হিসাবে বলতে পারি যে তখন সিদ্ধান্ত নেওয়া হয়েছিল যে যেহেতু আসাম রাজ্য পরিবহন নিগম রাজ্যে যোগাযোগের ব্যবস্থাকে সুচল রাখতে পারছে না যেহেতু কোনও ব্যক্তিগত ব্যৱসায়ী যদি পরিবহনের ব্যবসার

জন্য আবেদন করেন তাহলে পার্মিট দেবার ব্যবস্থা করা হবে। এই ভাবেই এ এস টি সিকে সাবোটেজ করা হয়েছে। আসামের যোগাযোগ ব্যবস্থার এই অবস্থার জন্য প্রথমত দায়ী হলো প্রশাসনের উর্ধতম কর্তাদের সদিচ্ছার অভাব। ১৯৮৩ ইং থেকে আমরা দেখতে পাচ্ছি যে পাব্লিক আণ্ডারটেকিংগুলোকে সাবোর্টেজ করে ব্যক্তিগত মালিকের হাতে সমস্ত সম্পত্তি তুলে দেবার একটা চক্রান্ত চলছে। উপাধ্যক্ষ মহোদয়, কোনও কোনও ব্যক্তি বলে থাকেন যে সারা ভারতবর্ষেই পাব্লিক আণ্ডারটেকিং মানেই লোকসান করার অনুষ্ঠান। আসাম রাজ্যও এর ব্যতিক্রম নহয়। কিন্তু কেন এই লোকসান হচ্ছে এই ব্যাপারে আমরা আগেই বলেছি।

মহোদয়, আসাম রাজ্যের যোগাযোগ ব্যবস্থা অনেকটা চালু রেখেছে মেঘালয়, মনিপুর, ত্রিপুরা, নাগালেণ্ড, অরুনাচল এমনকি পশ্চিমবঙ্গ। অর্থাৎ এইসব রাজ্য থেকে গাড়ীর পার্মিট এনে আসামে গাড়ী চলে। তারা টেক্স পায় আর আমাদের রাজ্যে গাড়ী চলে। তাছাড়া আমাদের রাজ্যেও পার্মিট বিতরনের ক্ষেত্রে কি রকম দুর্নীতি চলছে তার একটা উদাহরণ দেব। একটি গাড়ীতে ১৯ টি পার্মিটও দেওয়ার নজির আছে। অন্যান্য রাজ্য থেকে পার্মিট নিয়ে আমাদের রাজ্যে গাড়ী চালানোর ফলে প্রতি বছর আমাদের রাজ্যের ৩ কোটি ৫৫ লক্ষ ৬৬ হাজার টাকা লোকসান হচ্ছে। এখনও এসব কারবার অবাধে চলছে।

মহোদয়, এবার আমি এ, এস, টি, সি'র প্রশাসন সম্পর্কে ২/১ টি কথা বলব। গত জানুয়ারী মাসে এ, এস, টি, সি'র এ, জি, একটি সার্কুলার নিয়ে বলেছেন যে কোনও অভিযোগ থাকলে থ্র প্রপার অফিসাররা যেন দরখাস্ত দেন। অথচ এম, ডি, নিজেই এই সার্কুলার অমান্য করেন। কোনও একজন কর্মচারী ৭ দিন সি, এল, নিয়ে ২০ দিন উইদাউট ইনফরমেশন ছুটীতে থাকে। Condition, Public undertaking, sabotage, Mr. Deputy Speaker Sir, Public undertaking, permit, register proper channel, without taking any permission or giving any information, Medical Board, ASTC Board, you are hereby directed to allow the person concerned to join. সোজা এ, এস, টি, সি বোর্ডে কর্মচারী এসেছে। মেডিকেল বোর্ডে যায় নি এই রকম চলে তাহলে কর্মচারীরা সুস্থভাবে কা করবে কি করে।

নিয়মিত বাস চলবে কি করে? মন্ত্রী মহোদয় যদি কেবল কর্মচারীদেরে দিলে

---

* Speech not corrected

দোষারোপ করেন তাহলে চলবে না। তাই আজি কি হয়েছে? একদিকে ১৯৮৩ থেকে ব্যক্তিগত মালিকানার যে ষড়যন্ত্র চলেছে তা এবং অন্যদিকে দুর্নীতিগ্রস্ত উচ্চপদস্থ কর্মচারীদের কার্যকলাপের ফলেই তো আজ এ, এস, টি, সি'র ভাড়া বৃদ্ধি হয়েছে। অবশ্য পরে আসাম সরকার ব্যাপারটা উপলব্ধি করে ভাড়া কমানোর সিদ্ধান্ত নিতে বাধ্য হয়েছেন। কারণ ভাড়া বৃদ্ধির এই সিদ্ধান্ত ছিল একটা জঘন্যতম সিদ্ধান্ত। অবশ্য পরে আসাম সরকার ব্যাপারটা উপলব্ধি করে ভাড়া কমানোর সিদ্ধান্ত নিতে বাধ্য হয়েছেন। কারণ ভাড়া বৃদ্ধির এই সিদ্ধান্ত ছিল একটা জঘন্যতম সিদ্ধান্ত। ভাড়া কমানোর সিদ্ধান্ত ভালই হয়েছে কিন্তু সঙ্গে বাসের সংখ্যা বৃদ্ধি করতে হবে। কারণ একমাত্র শিলচরেই ২৯টি বাসের মধ্যে ২০টি অচল থাকে। বদরপুরে কোনও বাস নাই। করিমগঞ্জে ১১টি বাসের মধ্যে ৬টি বন্ধ থাকে। হিসাব করলে দেখা যায় সারা রাজ্যে শতকরা ৫০টি বাস অচল থাকে।

উপাধ্যক্ষ মহোদয় কাছাড় ও করিমগঞ্জ জেলা আসাম রাজ্যের মানচিত্রের মধ্যেই। কিন্তু ভৌগলিক অবস্থার জন্য এবং যোগাযোগের ব্যাপারে চরম অবহেলার জন্য এ দুটি জেলা প্রতি বছর মাসের পর মাস সারা রাজ্য থেকে বিচ্ছিন্ন থাকে। তিন দিন বৃষ্টি হলেই পাহাড় লাইন বন্ধ হয়ে যায়। ১৮৩৬ ইংরাজীর ১লা মে বৃটিশ সরকার এই রেল লাইন তৈরী করেছিল। এখনও সেই একই ব্যবস্থাই আছে। মাত্র তিন দিন বৃষ্টি হলেই দিশপুরের সঙ্গে বরা উপত্যকার কোনও যোগাযোগ থাকে না। মালপত্র আনা নেওয়া সবই বন্ধ হয়ে যায়। সুতরাং আমার বক্তব্য হলো যে আমাদের রাজ্যে যে ৫০০ কি. মি. জলপথ রয়েছে সেই সম্ভাবনাকে কেন আমরা কার্যকরী করছি না? একটু সদিচ্ছালে থাকলে আমরা এই দীর্ঘ জলপথের সম্ভাবনাকে কাজে লাগাতে পারি। ব্রহ্মপুত্রকে আমরা যোগাযোগের জন্য ব্যবস্থা করতে পারি কলিকতা, করিমগঞ্জ, শিলচর পর্যন্ত যাত্রীও মালবাহী জাহাজ চলাতে পারি। এতে ব্যবসাও উন্নতি হবে। কেবল আসাম রাজ্য হয়, এর ফলে মনিপুর, ত্রিপুরা, মিজোরাম প্রত্যেকটি রাজ্যও উপকৃত হবে। এতে মেঘালয়ের মাধ্যমে যে সড়ক যোগাযোগ কেবল তার উপর আমাদের নির্ভরশীল হতে হবে না। আশা করি আমার এই প্রস্তাবের উপর সরকার চিন্তা করে দেখবেন। (সময় সংকেত) সমহোদয়, আপনার মাধ্যমে আমি আবেদন করতে চাই যে বরাক উপত্যকায় যে ১৭৭ টি বাসের পার্মিট প্রাইভেট মালিকদেরে দেওয়া হয়েছে এই ব্যাপারে যেন

একটা তদন্ত করেন। করিমগঞ্জ থেকে কুম্ভীরগ্রাম পর্যন্ত যে বাস চলছে তার বেশীর ভাগের পার্মিটি নাই। করিমগঞ্জ থেকে হাফলং ভায়া বি বি রোগ এই রাস্তার অর্থেক ন্যাশনেল হাইওয়ে পড়েছে সমস্ত বাস করিমগঞ্জ শিলচর চলছে। একটাও হাফলং যায় না। পার্মিট নিয়ে বেআইনী কারবার করে এ এস টি সিকে ধ্বংস করতে তৎপর হয়েছে। এই ষড়যন্ত্রে একেবারে উচু তলার কর্মচারী থেকে আরম্ভ করে সবাই জড়িত। আশা করব যে এ জি পি সরকার এসব বন্ধ করতে তৎপর হবেন।

* **শ্ৰী ফনি টায়েং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰিবহন মন্ত্ৰীয়ে পৰিবহন শিতানত যি দাবী মঞ্জুৰী বিচাৰিছে মই তাক সমৰ্থন কৰি দুষাৰমান কব বিচাৰিছো। এখন ৰাজ্যৰ পৰিবহনৰ উন্নতি নহ'লে ৰাজ্যখনৰ উন্নতি সম্ভবপৰ নহয়। গতিকে অসমৰ পৰিবহন বিভাগৰ কাৰণে বা বিভাগৰ উন্নয়নৰ কাৰণে যিখিনি টকা পাইঠে সেইখিনি টকা নিশ্চয় কম হৈছে আৰু এই পৰিবহনৰ ক্ষেত্ৰত বহুত আলোচনা বিলোচনা আগবঢ়াইছে সেইবিলাকত সত্যতা নিশ্চয় আছে। আমাৰ পৰিবহন বিভাগে প্ৰত্যেক মানুহৰে যাতায়াতৰ কাৰণে সুচল ব্যৱস্থা কৰি দিছে আনকি নিচেই পিছপৰা অঞ্চলতো পৰিবহন অফিছ বনাবলগীয়া হৈছে। সেই কাৰণে মই এই দাবী মঞ্জুৰীক সমৰ্থন জনাইছো। আজি জোনাই ধেমাজীৰ নিচিনা পিছ পৰা অঞ্চলত পৰিবহনৰ আৱাসগৃহৰ প্ৰয়োজন হৈছে। পৰিবহনৰ ক্ষেত্ৰত যিমান টকা ব্যয় হৈছে তাৰ তুলনাত লোকচানৰ পৰিমাণ বেছি বুলি কৈছে। মোৰ বোধেৰে এইটো কঠোৰতা অৱলম্বন নকৰা কাৰণেই হৈছে। গতিকে এই বিভাগে নিজস্বভাবে যাতে লোকচান নহয় লাভ হয় তাৰ ফালে চকু দিব লাগে। পৰিবহন বিভাগ বুলিয়ে নহয় প্ৰত্যেক বিভাগ বিলাকৰ যিবিলাক বিষয়া বা কৰ্ম্মচাৰী আছে তেওঁলোকৰ ওপৰত সমালোচনা কৰা হৈছে। কিন্তু এই বিষয় বা কৰ্ম্মচাৰী সকলৰ ওপৰত কঠোৰতম আইনৰ ব্যৱস্থা কৰা যে দৰ্কাৰ হৈ পৰিছে সেইটো মই আজিৰ এই পবিত্ৰ সদনত দোহাৰিছো। আজি অসমৰ সৰ্ব্বসাধাৰণ ৰাইজে ভুল কৰাটো বৰ বেছি একো ক্ষতি নহয় কিন্তু চৰকাৰী বিষয়া বা কৰ্ম্মচাৰীয়ে যদি কিবা ভুল কৰে সেইটো ভুল মাৰাত্মক ভুল গতিকে ৰাইজৰ ওপৰত এগুন শাস্তি হলে বিষয়া বা কৰ্ম্মচাৰী সকলৰ ওপৰত দুগুন শাস্তিৰ ব্যৱস্থা কৰিব লাগে। গতিকে চৰকাৰ যদি কঠোৰ নহয় তেতিয়াহলে দুৰ্নীতি কেতিয়াও ৰোধ কৰিব নোৱাৰো। উপাধ্যক্ষ মহোদয় মই এটা বিষয় উত্থাপন কৰিব বিচাৰিছো যিটো জলপৰিবহন ব্যৱস্থা, ইয়াৰ সাংঘাটিক দুৰৱস্থাৰ কাৰণে গাড়ী

চৰকাৰৰ তথা ৰাইজৰ বৰ লোকচান হৈছে। ডিব্ৰুগড় সোনাৰী ঘাটৰ মাজৰ যিখন ফেৰী সেইখন চলাচলত অনিয়ম হোৱা কাৰণে ৰাইজৰ অসুবিধা হৈছে। কেতিয়াবা ফেৰীখনে এক ট্ৰিপ আৰু কেতিয়াবা দুই ট্ৰিপ মাৰি বন্ধ কৰি ৰাখে আৰু স্পেচিয়েল নাওঁৰ ব্যৱস্থা কৰিবলগীয়া হয়। গতিকে সৰ্ব্বসাধাৰণ ৰাইজৰ সুবিধাৰ কাৰণে এই স্পেচিয়েল নাওঁ বিলাকৰ আধুনিককৰণ কৰি সেইবিলাককে বেছি অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই বেছি বহলাই নকওঁ অসমত বিশেষকৈ লক্ষীমপুৰ জিলাত অৰুনাচলৰ গাড়ী বিলাক অহাযোৱা কৰা কাৰণে আমাৰ ৰাস্তা পদূলী বিলাক বেয়াকৈ গৈছে। বিশেষকৈ চিলাপথাৰ আৰু জোনাই অঞ্চলৰ মাজেদি যিবিলাক গাড়ী যায় সেইবিলাক বেছিভাগৰে নম্বৰ এ আৰ চি বা এ আৰ জেদ যদি তেওঁলোকক সোধা হয় তেওঁলোকে কয় এইদৰে সদায়ে চলি আছে আমি চৰকাৰলৈ লিখো কিন্তু তাৰ পৰা একো উত্তৰ অহা নাই। এই গাড়ীবিলাক যাতে অনুমতি নলোৱাকৈ চলিব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* **শ্ৰী গোলোক ৰাজবংশী** ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিবহন ব্যৱস্থাত অকল চৰকাৰৰ নিয়ম নীতিয়েই নহয় আইনৰ ও এই ব্যৱস্থা পৰিচালনা কৰা ব্যৱস্থা আছে। কিন্তু দুৰ্ভাগ্যৰ কথা যে বৰ্ত্তমান অৱস্থাত আইন ইমানেই অৱমাননা কৰিছে যে পৰিবহন ব্যৱস্থা পৰিচালনাৰ যি উদ্দেশ্য সেই উদ্দেশ্যই ব্যৰ্থ হৈ গৈছে। মটৰ ভেহিকল এক্টতে পাৰ্মিট দিয়াৰ ব্যৱস্থা আছে, ইঞ্জিন পৰীক্ষা কৰি চোৱাৰ কাৰণে বিভাগ আছে, ব্যৱস্থা আছে আৰু কৰ্মচাৰীও আছে। কিন্তু আমি এতিয়া দেখিবলৈ পাইছোঁ এই বিভাগটোৱে ভাল মতে কাম কৰা নাই। ইচ্ছা কৰি কাম নকৰা যেনেই লাগিছে। কাৰণ এফালৰ পৰা আমি যদি এইটোৰ এটা পাবলিক ইউটিলিটী চাৰ্ভিচ হিচাপে ধৰোঁ আনফালে ইয়াৰ এটা নিয়োগৰ ব্যৱস্থাৰ আলম হিচাপেও লব পাৰোঁ। মই বুজিবলৈ টান পাইছোঁ যে যি সময়ত মানুহে গাড়ীৰ পাৰ্মিটৰ কাৰণে হাবাথুৰি খাই ফুৰিছে সেই সময়ত আঁচলতে এখন পাৰ্মিটৰ ঠাইত দহখন পাৰ্মিট লাভ কৰাৰ সময় হৈছে। এই সময়তে চৰকাৰে একচেটীয়া ভাৱে গাড়ী চলাই লোকচান কিয় ভৰিছে? ইয়াৰ কাৰণ হ'ল পৰিদৰ্শনৰ অভাৱ, তদাৰকীৰ অভাৱ। আজি বিভিন্ন স্বাৰ্থৰ খাতিৰত পাৰ্মিট দিয়া হয়। আমি ভাবিছিলো এই ডেকা চৰকাৰে পুৰণা অভিজ্ঞতাৰে নতুন কিবা কৰিব। কিন্তু মই দেখিছো যোৱা ৪০ বছৰৰ আৱৰ্জনাতকৈও এতিয়া বেছি আৱৰ্জনা হৈ গৈছে। সেই কাৰণেই এই নতুন চৰকাৰক গাদীত অধিষ্ঠিত

* Speech not corrected

কৰাৰ ৫ বছৰ নহৈওঁতেই আমাৰ ৰাইজে প্ৰশ্ন কৰিছে “ইহঁত কেতিয়া যায়”?

উপাধ্যক্ষ মহোদয়, এম ভি আই এক্ট মতে পাৰ্মিট দিয়াৰ ব্যৱস্থা আছে ৰিজিঅনেল ট্ৰেন্সপোৰ্ট অথৰিটীয়ে যি ধৰণে দিব লাগে সেই ধৰণে দিয়া নাই। আজি বিভিন্ন ধৰণৰ পৰিবহন ব্যৱস্থাই চৰকাৰৰ গাড়ীৰ লগত প্ৰতিদ্বন্দ্বীতা কৰি আগবাঢ়ি গৈছে। তাৰ পিচত ৰজাৰ বাছৰ কথা কওঁ। এই বাছ বিলাকত যিমান অভাৰ লোড হয় সেইবিলাক চাবলৈ কোনো নাই। সেই কাৰণেই দুৰ্ঘটনা হয়। পুলকাৰৰ ব্যৱস্থা উঠাই দিব লাগে বুলি বহু সদস্যই কৈছে। এই গাড়ীৰ ব্যৱস্থাটো হল স্থায়ী ভাবে এই গাড়ী কাৰো হাতত নাথাকে যেতিয়া যাৰ প্ৰয়োজন হয় তেওঁলৈ যায় আৰু পিচত ঘূৰাই দিব লাগে। কিন্তু এতিয়া এই গোটেই ব্যৱস্থাটোৰেই অৰ্থহীন হৈ পৰিছে। এখন গাড়ী কাৰোবাক দিলে, তেওঁ আৰু কেতিয়াও ঘূৰাই নিদিয়ে মই নিজেই বিধায়ক হোষ্টেলৰ ঘৰৰ সন্মুখত দেখিছিলো এখন গাড়ী ১৫ দিনমান পৰি আছিল। মই নামটো অৱশ্যে নকওঁ। সেইখন গাড়ী যি তাত পৰি আছে চাওঁতা বা সোধোতা কোনো নাই। আজিও মই কৈছো যে পুল অফিচত গাড়ী বিচাৰিলে গাড়ী দিব পৰা অৱস্থা তেওঁলোকৰ নাই। গতিকে যি উদ্দেশ্যত পুলকাৰৰ ব্যৱস্থা কৰা আছিল ৰিপেয়াৰিংৰে কথা। গাড়ী ৰিপেয়াৰ কৰিবলৈ দিলে আজিকালি সকলোৰে ভাল পোৱা হৈছে। আমি ভাবিছিলো এওঁলোক ডেকা মানুহ গাড়ী চলোৱাৰ অভিজ্ঞতা আছে ভালদৰে গাড়ী ৰাখিব। কিন্তু এতিয়া দেখিছো ৰিপেয়াৰিং কৰিবলৈ দিলে একেটা বস্তুৰে তিনিবাৰ কিনি লগায়।

উপাধ্যক্ষ মহোদয় এনফৰ্চমেন্ট বুলি এটা বিভাগ আছে। তেওঁলোকে গাড়ী চলোৱাত কিবা অনিয়ম হৈছে নেকি চাব লাগে। কিন্তু এতিয়া সেই বিলাক একো ব্যৱস্থা আমি দেখা নাই। এম ভি আই আছে তেওঁলোকে গাড়ী পৰীক্ষা কৰিব লাগে। মই এটা উদাহৰণ দিব খুজিছো অলপতে মই এখন গাড়ীৰ বাবে চীফ চেক্ৰেটাৰীলৈ লিখিছিলো। ৰিকুইজছন কৰি এখন গাড়ী দিলে। গাড়ীত উঠি অকনমান দূৰ যাওঁতেই গাড়ীৰ দুৱাৰ খুলি ওলাই পৰিল ভাগ্য ভাল দুৰ্ঘটনা নহল। আকৌ দ্বিতীয় এখন গাড়ী দিলে সেইখন ঘৰৰ আগৰ পৰা লৰচৰ কৰিব নোৱাৰিলো। পিচত আকৌ লিখাত তৃতীয়খন গাড়ী দিলে, এইখন অৰুনাচলৰ গাড়ী। বেমাৰী আনিছিল ভাল গাড়ী আছিল অৱশ্যে কিন্তু তেওঁলোকৰ প্ৰয়োজন হল লৈ গল। মই শ্বিলঙৰ মিটিং এখনলৈ যাবলৈ গাড়ী বিচাৰিলো তেতিয়া যিখন

* Speech not corrected

সেইখনৰ ওৱাইপাৰ নাই। শ্বিলংঙৰ সেই বতৰত ওৱাইপাৰ নোহোৱা গাড়ী এখন লৈ কেনেকৈ যাওঁ? এনেকৈয়ে গুৱাহাটী চহৰত গাড়ী চলি থাকে। এই কথা বিলাকত চকু দিয়াৰ কাৰণে কোনো নাই।

তাৰোপৰি চিটি বাছত মানুহৰ যি অভাৰলোড, মানুহ বেছি, গাড়ী কম গতিকে এনে হবই। পাৰ্মিট নিদিয়া নহয় কিন্তু বেছি মানুহ তুলি মুনাফা আদায় কৰাৰ কৌশল এইটো। গতিকে এই বিভাগটো উঠাই দিলে কেনে হয়? পৰিবহনৰ ৩ কোটি টকা দেখ দেখকৈ লাভ হল। ফলত হৈ থকা লোকচান খিনিও বন্ধ হব। সেই পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ক মই কব খুজিছোঁ যে তেখেতে পৰীক্ষা কৰি চাওঁক পৰিবহন বিভাগটোৱে গাড়ী চলাবলৈ এৰি দিলেই চৰকাৰৰ পক্ষে লাভজনক হব নেকি? এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো আৰু মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰিলো।

* **শ্ৰী কুমাৰ দীপক দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত পৰিবহন বিভাগৰ যিটো গ্ৰেন্ট বিচাৰি মাননীয় মন্ত্ৰী মহোদয়ে দাবী উত্থাপন কৰিছে তাৰ সমৰ্থন আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি চমুকৈ দুষাৰ কথা বিচাৰিছো। প্ৰথম কথা হ'ল পৰিবহন নিগম বা বিভাগৰ যি বিলাক বাছ চলাচল কৰে তাৰ দ্বাৰা ৰাইজ উপকৃত হৈছে। এই সম্পৰ্কত দুটামান পৰামৰ্শ দিব বিচাৰিছো। আমাৰ গণ-পৰিষদৰ চৰকাৰৰ কালত পৰিবহন নিগমৰ বাচৰ সেৱা ৰাইজৰ কাৰণে বিভিন্ন ঠাইত আগবঢ়োৱা হৈছে। আঁচলতে কবলৈ গলে যোৱা ৩৮ বছৰে অসমৰ জনসাধাৰণৰ মাজত যি বিলাক ঠাইত পৰিবহন নিগম বাচৰ সেৱা নাছিল এতিয়া যোৱা আঢ়ৈ বছৰৰ ভিতৰতে সেইবিলাক ঠাইৰ প্ৰায় আটাইবিলাক ঠাইলৈ নিগমৰ বাছৰ সেৱা সম্প্ৰসাৰণ কৰা হৈছে। আমাৰ চৰকাৰৰ এই যি প্ৰচেষ্টা তাৰ কাৰণে মই আগৰ কেইবছৰৰ ভিতৰত থকা চৈধ্য কোটি লোকচানৰ সত্বেও ৰাইজৰ সেৱা সম্প্ৰসাৰণ কৰিবলৈ অহাৰ কাৰণে আঁচলতে ৰাইজৰ উপকাৰ হৈছে। ইয়াৰ লগে লগে লাহে লাহে লোকচানৰ অংক যাতে কামৰ পৰা যায় কাৰ কাৰণেও চেষ্টা চলাব লাগে আৰু এইটো কিছু দিনৰ পিচত নিশ্চয় হৈ উঠিব। আজি যোৱা চল্লিশ বছৰ ধৰি যি বিলাক প্ৰান্তত বাচৰ সেৱা নাছিল সেই বিলাকলৈ সেৱা আগবঢ়োৱাৰ প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয় হৈছে। কিন্তু যোৱা ইমান কেইবছৰৰ লোকচান একেদিনাই মাই আনিব নোৱাৰি। আগতে ৰাইজৰ সেৱাৰ নামত নিজৰ সা-সম্পত্তি বৃদ্ধি কৰা কাৰণে যত্ন লৈছিল

* Speech not corrected

কাৰণেই লোকচানৰ অংক ইমান ডাঙৰ হবলৈ পাইছে। ইয়াৰ পাচত আমি টকা আজি দিবলৈ ওলাইছো সেই টকা যাতে আগৰ লোকচানৰ অংক কমোৱাৰ দিশত সদ ব্যৱহাৰ হয় তাৰ কাৰণে নিশ্চয় নিগম যত্ন লব বুলি আশা ৰাখিছো। ইয়াৰ লগে লগে আন ঠাইলৈ বাচৰ সেৱা সম্প্ৰসাৰণ কৰিবলৈ লক্ষ্য ৰখা উচিত হব। পৰিবহন নিগম এখন বৈঠকত আলোচনা কালত মই পৰামৰ্শ আগবঢ়াইছিলো যে আমাৰ জনসাধাৰণৰ উপকাৰত আহাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। বাচত ভাড়া বৃদ্ধিৰ সম্পৰ্কত হোৱা এই আলোচনাত এই কথাটো পুনৰ বিবেচনা কৰিবলৈ মই পৰামৰ্শ আগবঢ়াইছিলো। পুনৰ বিবেচনা কৰা মানে জনসাধাৰণক ইনচেনটিভ দিয়াৰ ব্যৱস্থা কৰা। নিবনুৱা সকলক সাক্ষাৎকাৰ আদি দিবলৈ অহাৰ সময়ত বিনামুলীয়ালৈ অহা যোৱাৰ ব্যৱস্থা কৰিব পাৰিলে সকাই পাব আৰু ছাত্ৰ সকলোকো ৰেহাই ভাড়াত ভ্ৰমণৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিলে ভাল হব। এইটো কেৱল পৰিবহন নিগমৰ বাচৰ ক্ষেত্ৰতেই কোৱা নাই ব্যক্তিগত বা ৰাজহুৱা দুই খণ্ডৰ পাচৰ কথাকে কৈছো। এতিয়া কথা হৈছে যিমানখিনি বাচৰ ভাড়া আদায় সেই আটাইখিনি চৰকাৰৰ হাতলৈ নাহে। এইটো বহুদিনীয়া ঘটনা। এইটো ফেন'মেনন। এইটো বন্ধ কৰাৰ কাৰণে চেকিং ব্যৱস্থা অধিক শক্তিশালী কৰিব লাগে। যি সকলে পৰিচালনা কৰে সেই সকলৰ মনত এটা ভয় বা সংকোচৰ ভাৱ থাকিব লাগে তেনে ব্যৱস্থা এটা কৰিব লাগে। তেতিয়াহে প্ৰকৃত অৰ্থত ৰাইজৰ সেৱা ঠিক মতে দিব পৰা হব। আগৰ চৰকাৰৰ ভুল মেনেজমেন্টৰ কাৰণে চৈধ্য কোটি টকা লোকচান হ'ল এতিয়া সেইটো কামেই আশাৰ ৰেঙণি দেখিব পাম বুলি আশা ৰাখিছো। ইয়াৰ কাৰণে এ-এচ-টি-চিক আৰু অধিক শক্তিশালী কৰিব বুলি অনুৰোধ জনাই মোৰ বক্তব্য ইমানতে সামৰিছো।

* **শ্ৰী গোপীনাথ দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পৰিবহন বিভাগৰ ওপৰত আমাৰ ফালৰ পৰা যিটো কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে তাক সমৰ্থন কৰি দুষাৰমান কবলৈ থিয় হৈছো। উপাধ্যক্ষ মহোদয়, অসমৰ নিচিনা এখন দেখত পৰিবহনৰ প্ৰয়োজনীয়তাৰ বিষয়ে আমি সকলোৱে অভিজ্ঞ এই পৰিবহন ব্যৱস্থাটো দুৰ্নীতিমুক্ত কৰিব নোৱাৰাটো সঁচাকৈ পৰিতাপৰ কথা। মই ভাবো এই বিভাগটোৱেই দুৰ্নীতিৰ ক্ষেত্ৰত এক নম্বৰ বিভাগ বুলি কলেও ভুল কোৱা নহব। উদাহৰণ স্বৰূপে পৰিবহন বিভাগৰ যি বিলাক বাচ আছে চিটি বাচেই হওক বা আন ঠাইত চলাচল কৰা বাচেই হওক যদি আজি

---

* Speech not corrected

এই মুহূৰ্ত্ততে বিশেষ ভাবে তদন্ত কৰা হয় তেনেহলে মই ভাবো শতকৰা ৯৯ খন পাচতেই দূৰ্নীতি ওলাব। চিটি বাচৰ ক্ষেত্ৰত টিকত দিয়াত খেলিমেলি। একটা দহ পইচা ভাঙাৰ ক্ষেত্ৰত এটাকৰ টিকট দি দহ পইচা কণ্ডাক্টৰে নিজৰ দলখত ৰখাকে আদি কৰি বহু ধৰণৰ খেলিমেলি ওলাব। এইবিলাক গুৰুত্বপূৰ্ণ কথা।

ভইচ ঃ ডাঙৰ অফিচাৰকো ভাগ দিব লাগে।

এইটো এটা চেনেল আছে। যদি শ্ৰীৰামপুৰ গেটৰ ফালে চোৱা যায় মই আগতেও উল্লেখ কৰিছো। এই গেটটো যদি ঠিক ভাবে নিয়ন্ত্ৰণ কৰিব পৰা যায় তেনেহলে অসমৰ ৰাইজৰ কাৰণে বহুত টকা বছৰি ওলাব। বছৰেকত বহুত লাখ টকা এই গেটৰ জৰিয়তে ৰাইজৰ মাজৰ পৰা সাৰি যায়। এইক্ষেত্ৰত জোৰ ব্যৱস্থা লবলৈ মই চৰকাৰৰ ওপৰত অনুৰোধ জনালো। এই ব্যৱস্থা অতি সোনকালে হ'ব লাগে। তেতিয়াহলে সেই ৰাজহৰ দ্বাৰা অসমৰ ৰাইজ উপকৃত হ'ব লাগিব। উপাধ্যক্ষ মহোদয়, মোৰ ঘৰৰ ওচৰতে আই-ডব্লিউ-টিৰ যি ঘাট আছে সেই ইনল্যাণ্ড ওৱাটাৰ ট্ৰেন্সপোৰ্টৰ ঘাটৰি যি দেখা যায় সিয়েই এটা সাধাৰণ উদাহৰণ হ'ব।

(মাননীয় উপাধ্যক্ষৰ সলনি মাননীয় অধ্যক্ষ নিজৰ আসনত উপবিষ্ট হয়হি)

দোকুছি ঘা বোখৰাছিয়া ফেৰীঘাটত মাহেকৰ ভিতৰত দহ দিনৰ এদিন মাত্ৰ খেপ মৰা দেখুৱায় যদিও আঁচলতে যদি চোৱা যায় দৈনিক তিনি চাৰি বাৰ ইপাৰ সিপাৰ কৰি আছে। গতিকে মই মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ জনাইছো যাতে এইবিলাক পৰীক্ষা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰে। (সময়ৰ সংকেত)

**মাননীয় অধ্যক্ষ** ঃ আপুনি কাইলৈ কব। এতিয়া মাননীয় মুখ্য মন্ত্ৰীয়ে কব।

## STATEMENT BY THE CHIEF MINISTER

**Mr. Speaker** : Now Item No.3, Hon'ble Chief Minister

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে কিছুকাল ধৰি ৰাজ্যিক চৰকাৰী কৰ্ম্মচাৰীসকলৰ দৰমহাৰ গাথনিৰ সংশোধনীৰ আৱশ্যকতাৰ বিষয়টো বিবেচনা কৰি আছে। যোৱা ১৯৭৯ চনৰ দৰমাহ আয়োগৰ অনুমোদনাৱলীৰ ভিত্তিত ১৯৮১ চনৰ ১ জানুৱাৰীৰ পৰা বলবৎ হোৱা শেহতীয়া সংশোধনীৰ পিচত দেখা দিয়া পৰিস্থিতিগত আৰু অন্যান্য পৰিবৰ্তনসমূহৰ পটভূমিত

---

* Speech not corrected

বৰ্ত্তমানে দৰমহাৰ গাথনি সমূহৰ পুনৰ বিন্যাসৰ প্ৰয়োজনৰ প্ৰশ্নটো চালি জাৰি চোৱাৰ পিচত ৰাজ্য চৰকাৰে সম্প্ৰতি ২-৫-৮৮ তাৰিখৰ এফ-পি-চি ১৭-৮৭-২৯ নম্বৰ প্ৰস্তাৱ যোগে তলত দিয়া ব্যক্তিসকল লৈ এখন নতুন দৰমহা আয়োগ গঠন কৰিছে ঃ

১। শ্ৰী বি. এন. শৰ্ম্মা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন বিচাৰপতি - চেয়াৰমেন
২। মুখ্য সচিব, অসম চৰকাৰ - সদস্য
৩। শ্ৰী পৰমেশ্বৰ শৰ্ম্মা, গুৱাহাটী বি-বৰুৱা কলেজৰ প্ৰাক্তন উপাধ্যক্ষ - সদস্য
৪। শ্ৰী দীনবন্ধু চৌধুৰী, বিধায়ক - সদস্য
৫। শ্ৰী আব্দুল মুহিব মজুমদাৰ, বিধায়ক - সদস্য
৬। শ্ৰী শান্তি ৰঞ্জন দাসগুপ্ত, বিধায়ক - সদস্য
৭। শ্ৰী গুণীন হাজৰিকা, বিধায়ক - সদস্য
৮। শ্ৰী আয়ুক্ত আৰু সচিব, বিত্তবিভাগ অসম চৰকাৰ - সদস্য সচিব

উক্ত দৰমহা আয়োগে যথাসম্ভৱ সোনকালে, পৰাপক্ষত এই আয়োগ গঠনৰ এবছৰ ভিতৰত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। সেই প্ৰতিবেদন ভিত্তিত ৰাজ্য চৰকাৰে দৰমহা গাঁথনি আদিৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিব।

নৱ গঠিত দৰমহা আয়োগৰ দায়িত্বৱলী তলত উল্লেখ কৰা দৰে হ'ব ঃ-

১। ৰাজ্য চৰকাৰৰ চাকৰিয়াল সকলৰ দৰমহাৰ গাঁথনিৰ উপযুক্ত সূত্ৰ আৰু তেওঁলোকৰ চাকৰিৰ চৰ্ত্তাৱলী সম্পৰ্কীয় বিষয়াবোৰ পৰীক্ষা কৰি চোৱা।

২। সংশ্লিষ্ট ঐতিহাসিক পটভূমি, দেশৰ আৰু ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা, উন্নয়নমুখী পৰিকল্পনাৰ অন্তৰ্নিহিত দায়বদ্ধতা, ৰাজ্যখনৰ ক্ৰমবৰ্দ্ধমান নিযুক্তিৰ চাহিদাৰ অৰ্থে অতিৰিক্ত সম্পদৰ প্ৰয়োজনীয়তা, ৰাজ্যৰ বিত্তীয় পৰিস্থিতি, কেন্দ্ৰীয় চাকৰিয়ালৰ ক্ষেত্ৰত চতুৰ্থ কেন্দ্ৰীয় দৰমহা আয়োগৰ অনুমোদনাৱলী আৰু অন্যান্য সংশ্লিষ্ট সকলো গাথনি আৰু চাকৰীৰ চৰ্ত্তাৱলী পৰীক্ষা কৰি সেইবোৰৰ সালসলনিৰ উদ্দেশ্যে পৰামৰ্শ আগবঢ়োৱা।

---

* Speech not corrected

৩। কামৰ বোজা সমুচিত ভাৱে বন্টন কৰি দক্ষতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বৰ্ত্তমানৰ সেৱা সমূহৰ পুনৰ বিন্যাস সাধন কৰাৰ বাবে দিহা-পৰামৰ্শ আগবঢ়োৱা।

৪। মৃত্যু তথা অৱসৰজনিত সা-সুবিধা, বিশেষ দৰমহা, ক্ষতিপূৰণ বানচ চিকিৎসাৰ সা-সুবিধা, ভ্ৰমণ বানচ, দৈনিক বানচ, ইত্যাদি ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ বাবে বৰ্ত্তমান থকা সা-সুবিধাবোৰ পৰীক্ষা কৰি চাই সেইবোৰ সম্পৰ্কে যথোচিত আৰু বাস্তৱভিত্তিক দিহা পৰামৰ্শ আগবঢ়োৱা।

৫। বৰ্দ্ধিত গ্ৰাহক মুল্যসুচীৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ পেঞ্চনভোগী কৰ্ম্মচাৰী সকললৈ আগবঢ়োৱা সকাহৰ সূত্ৰ পৰীক্ষা কৰি চাই সেই সম্পৰ্কে পৰামৰ্শ আগবঢ়োৱা।

৬। ওপৰোক্ত বিষয় সমূহৰ বাহিৰেও এই ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা আৰু চৰকাৰে আয়োগলৈ প্ৰেৰণ কৰা যাৱতীয় সংশ্লিষ্ট বিষয়বোৰ পৰীক্ষা নিৰীক্ষা কৰি পৰামৰ্শ আগবঢ়োৱা।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন কাইলৈ ৯ বজালৈ স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then rose at 1.35 P.M. and stood adjourned till 9 A.M. on Wednesday, the 4th May, 1988.

DISPUR

The 3rd May, 1988

Dr. P.N. Hazarika
Secretary,
Assam Lagislative Assembly

# ANNEXURE - I

## A. GIRL'S COMMON ROOM GRANT TO NON GOVT. COLLEGES DURING 1986-87

| | | | |
|---|---|---|---|
| 1. | Birjhora College, Bongaigaon | - Rs. | 20,000/- |
| 2. | Farkating College | - Rs. | 20,000/- |
| 3. | Handique Girls College | - Rs. | 20,000/- |
| 4. | Chaiduar College | - Rs. | 20,000/- |
| 5. | Cachar College | - Rs. | 20,000/- |
| 6. | Rongapara College | - Rs. | 20,000/- |
| 7. | Tengakhat College | - Rs. | 20,000/- |
| 8. | D.K. College | - Rs. | 20,000/- |
| 9. | R.G. Barua College | - Rs. | 20,000/- |

## B. NON RECURRING SCIENCE GRANT TO NON GOVT. COLLEGE DURING 1986-88

| | | 1986-87 | 1987-88 |
|---|---|---|---|
| 1. | North Lakhimpur College | Rs. 15,000/- | Rs. 15,000/- |
| 2. | Namrup College | Rs. 13,000/- | Rs. 13,000/- |
| 3. | DHSK College, Dibrugarh | Rs. 15,000/- | Rs. 15,000/- |
| 4. | Tinsukia College | Rs. 15,000/- | Rs. 15,000/- |
| 5. | Digboi College | Rs. 15,000/- | Rs. 15,000/- |
| 6. | Dibru College | Rs. 10,000/- | Rs. 10,000/- |
| 7. | Duliajan College | Rs. 10,000/- | Rs. 10,000/- |
| 8. | Gargaon College, Simaluguri | Rs. 13,000/- | Rs. 13,000/- |
| 9. | Sibsagar College, Joysagar | Rs. 15,000/- | Rs. 15,000/- |
| 10. | J.B. College, Jorhat | Rs. 15,000/- | Rs. 15,000/- |
| 11. | D.R. College, Golaghat | Rs. 13,000/- | Rs. 13,000/- |

| | | | | | |
|---|---|---|---|---|---|
| 12. | D.C.B. Girls College | Rs. | 13,000/- | Rs. | 13,000/- |
| 13. | N.N. Saikia College, Titabor | Rs. | 13,000/- | Rs. | 13,000/- |
| 14. | D.K.D. College, Dergaon | Rs. | 13,000/- | Rs. | 13,000/- |
| 15. | Bahana College, Bahana | Rs. | 13,000/- | Rs. | 13,000/- |
| 16. | Nagaon College | Rs. | 15,000/- | Rs. | 15,000/- |
| 17. | A.D.P. College, Nagaon | Rs. | 13,000/- | Rs. | 13,000/- |
| 18. | Mongaldoi College, Mongaldoi | Rs. | 15,000/- | Rs. | 15,000/- |
| 19. | Darrang College, Tezpur | Rs. | 20,000/- | Rs. | 20,000/- |
| 20. | Biswanath College, Chariali | Rs. | 13,000/- | Rs. | 13,000/- |
| 21. | Aryavidyapith College, Guwahati | Rs. | 20,000/- | Rs. | 20,000/- |
| 22. | Pragjyotish College, Guwahati | Rs. | 15,000/- | Rs. | 15,000/- |
| 23. | Handique Girls College | Rs. | 20,000/- | Rs. | 20,000/- |
| 24. | North Guwahati College | Rs. | 15,000/- | Rs. | 15,000/- |
| 25. | B. Baruah College | Rs. | 15,000/- | Rs. | 15,000/- |
| 26. | Pandu College, Pandu | Rs. | 15,000/- | Rs. | 15,000/- |
| 27. | Nalbari College, Nalbari | Rs. | 15,000/- | Rs. | 15,000/- |
| 28. | Kamrup College, Mirza | Rs. | 13,000/- | Rs. | 13,000/- |
| 29. | Bajali College, Pathsala | Rs. | 15,000/- | Rs. | 15,000/- |
| 30. | M.C. College, Barpeta | Rs. | 19,000/- | Rs. | 19,000/- |
| 31. | Goalpara College, Goalpara | Rs. | 15,000/- | Rs. | 15,000/- |
| 32. | Abhayapuri College, Goalpara | Rs. | 13,000/- | Rs. | 13,000/- |
| 33. | B.N. College, Dhubri | Rs. | 15,000/- | Rs. | 15,000/- |
| 34. | S.S. College, Hailakandi | Rs. | 13,000/- | Rs. | 13,000/- |
| 35. | G.C. College, Silchar | Rs. | 10,000/- | Rs. | 10,000/- |
| 36. | Cachar College, Silchar | Rs. | 10,000/- | Rs. | 10,000/- |
| 37. | Karimganj College, Karimganj | Rs. | 10,000/- | Rs. | 10,000/- |

UNDER T.S.P. AREA

| | | | | | |
|---|---|---|---|---|---|
| 38. | Kokrajhar College | Rs. | 13,000/- | Rs. | 13,000/- |
| 39. | Madhabdev College, Narayanpur | Rs. | 13,000/- | Rs. | 13,000/- |
| 40. | Majuli College, Kamalabari | Rs. | 13,000/- | Rs. | 13,000/- |
| 41. | Dhemaji College | Rs. | 13,000/- | Rs. | 13,000/- |

ANNEXURE - II

BUILDING GRANT FOR T.D.C. TO NON-GOVT. COLLEGES DURING 1986-87

| | | | |
|---|---|---|---|
| 1. | Tangla College | Rs. | 50,000/- |
| 2. | Tezpur College | Rs. | 50,000/- |
| 3. | Kamrup College, Chamata | Rs. | 50,000/- |
| 4. | M.C. Das College, Sonai | Rs. | 50,000/- |
| 5. | Kampur College, Nagaon | Rs. | 50,000/- |
| 6. | Dhing College, Dhing | Rs. | 50,000/- |
| 7. | Pub-Kampur College, Guwahati | Rs. | 50,000/- |
| 8. | Guwahati College, Guwahati | Rs. | 50,000/- |
| 9. | Handique Girl's College | Rs. | 50,000/- |
| 10. | C.K.B. College, Teok | Rs. | 50,000/- |
| 11. | D.R. College, Golaghat | Rs. | 50,000/- |
| 12. | H.C.D.G. College, Nitaipukhuri | Rs. | 50,000/- |
| 13. | S.M.D. College, Charing | Rs. | 50,000/- |
| 14. | Tingkhong College, Dibrugarh | Rs. | 50,000/- |
| 15. | T.W.B. College, Jamugirihat | Rs. | 50,000/- |
| 16. | Cachar College, Silchar | Rs. | 50,000/- |
| 17. | Khagarijan College | Rs. | 50,000/- |
| 18. | S.B.M.S. College, Guwahati | Rs. | 50,000/- |

| | | | |
|---|---|---|---|
| 19. | L.C. Bharali College, Guwahati | Rs. | 50,000/- |
| 20. | Dimoria College, Khetri | Rs. | 50,000/- |
| 21. | Bongaigaon College | Rs. | 50,000/- |
| 22. | Goalpara College | Rs. | 50,000/- |
| 23. | Lakhimpur Girl's College | Rs. | 50,000/- |
| 24. | M.D.K. Girl's College, Dibrugarh | Rs. | 50,000/- |
| 25. | D.C.B. Girl's College, Jorhat | Rs. | 50,000/- |
| 26. | Bahana College, Bahana | Rs. | 50,000/- |
| 27. | Mankachar College | Rs. | 50,000/- |

**1987-88**

| | | | |
|---|---|---|---|
| 1. | Nehru College, Paliapool | Rs. | 50,000/- |
| 2. | Rabindra Sadan Girl's College | Rs. | 50,000/- |
| 3. | Doomdooma College, Dibrugarh | Rs. | 50,000/- |
| 4. | Udalguri College | Rs. | 50,000/- |
| 5. | Women's College, Tinsukia | Rs. | 50,000/- |
| 6. | Madhabdev College, Narayanpur | Rs. | 50,000/- |
| 7. | Chilarai College, Golakganj | Rs. | 50,000/- |
| 8. | Guwahati Commerce College | Rs. | 50,000/- |
| 9. | Navajyoti College, Kalgachia | Rs. | 50,000/- |
| 10. | Barnagar College | Rs. | 50,000/- |
| 11. | Barbhag College | Rs. | 50,000/- |
| 12. | Hojai College | Rs. | 50,000/- |
| 13. | Lumding College | Rs. | 50,000/- |
| 14. | Raha College | Rs. | 50,000/- |
| 15. | Sibsagar College | Rs. | 50,000/- |
| 16. | Sibsagar Commerce College | Rs. | 50,000/- |

| | | |
|---|---|---|
| 17. | Kakajan College | Rs. 50,000/- |
| 18. | C.K.B. Commerce College | Rs. 50,000/- |
| | Total | Rs. 9,00,000/- |

**BUILDING GRANT TO NON-GOVT COLLEGE @ RS. 30,000/- EACH FOR (4) FROM COLLEGE ESTABLISHED IN NAME OF FREEDOM FIGHTER DURING 1987-88**

| | | |
|---|---|---|
| 1. | Swahid Maniram Dewan College | Rs. 30,000/- |
| 2. | Swahid Peoli Phukan College, Namti | Rs. 30,000/- |
| 3. | T.H.B. College, Jamugurihat | Rs. 30,000/- |
| 4. | L.O.K.D. College, Dhekiajuli | Rs. 30,000/- |

**ANNEXURE - III**

**STATEMENT SHOWING THE DATES ON WHICH THE POSTS OF SUPERINTENDENT OF EXCISE FELL VACANT**

| | Name of Post with place | Vacant from |
|---|---|---|
| 1. | Superintendent of Excise, Nagaon | 28-02-83 |
| 2. | Superintendent of Excise, Dhubri | 20-08-84 |
| 3. | Superintendent of Excise, Mangaldoi | 28-01-86 |
| 4. | Superintendent of Excise, North Lakhimpur | 28-02-86 |
| 5. | Superintendent of Excise, Silchar | 01-02-87 |
| 6. | Superintendent of Excise, Kokrajhar | 04-02-87 |
| 7. | Superintendent of Excise, Goalpara | 01-04-87 |
| 8. | Superintendent of Excise, Diphu | 06-02-87 |
| 9. | Superintendent of Excise, Golaghat | 29-01-85 |
| 10. | Superintendent of Excise, Nagaon | 16-02-88 |

## ANNEXURE - IV

১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত মম আৱন্টন দিয়া গোট সমূহৰ তালিক

<u>গোৱালপাৰী জিলা</u>

১। মদানিয়েল ৰাম নিউৰাজ ২। পোদ্দাৰ কেন্ডেল ফেক্টৰি ৩। মুকুল কেণ্ডল ফেক্টৰি ৪। বঙ্গাইগাওঁ চ'প ফেক্টৰি

৫। সাহা কেণ্ডেল ইণ্ডাষ্ট্ৰিজ ৬। ৰামকৃষ্ণ কেণ্ডেল ফেক্টৰি ৭। বিলাসীপাৰা কেণ্ডেল ওৱাৰ্কচ ৮। হনুমান কেণ্ডেল ওৱাৰ্কচ

৯। ডিলাক্স কেণ্ডেল ইন্ডাষ্ট্ৰিজ

<u>কৰিমগঞ্জ জিলা</u>

১। কমলা কেণ্ডেল আৰু চেল ফেক্টৰি। দাস পতাৰি। ২। ৰবিন্দ্ৰ কেণ্ডল ফেক্টৰি ৩। বাৰি কেণ্ডেল ফেক্টৰি

৪। নেচনেল কেণ্ডেল ফেক্টৰি ৫। জয় ইণ্ডাষ্ট্ৰিজ ৬। দেবী বেকাৰী আৰু কেণ্ডেল ফেক্টৰি ৭। জ্যোতি কেণ্ডেল ফেক্টৰি

৮। কাচাৰ কেণ্ডেল ফেক্টৰি ৯। লোকসাহা কেণ্ডেল ফেক্টৰি ১০। বনিক কেণ্ডেল ফেক্টৰি ১১। দলি কেণ্ডেল ফেক্টৰি

১২। ১৩। ১৪।

১৫। শ্ৰীগুৰু কেণ্ডেল ফেক্টৰি

১৬। গোপাল কেণ্ডেল ফেক্টৰি ১৭। মায়া কেণ্ডেল ফেক্টৰি ১৮। সাগৰ কেণ্ডেল ফেক্টৰি ১৯। মথুৰা কেণ্ডেল ফেক্টৰি

২০। মহামায়া কেণ্ডেল ফেক্টৰি ২১। প্ৰীতি কেণ্ডেল ফেক্টৰি ২২। শ্ৰী গুৰু কেণ্ডেল ওৱাৰ্কচ এণ্ড পেপাৰ ইণ্ডাষ্ট্ৰিজ

২৩। ৰামকুণ্ড কেণ্ডেল ফেক্টৰি ২৪। বীনা কেণ্ডেল ২৫। শ্ৰীকৃষ্ণ কেণ্ডেল ফেক্টৰি ২৬। লতিফ কেণ্ডেল ফেক্টৰি

২৭। দাস কেণ্ডেল ফেক্টৰি ২৮। অভিষেক কেণ্ডেল ২৯। বলৰাম চ'প এণ্ড কেণ্ডেল ফেক্টৰি ৩০। শান্তি কেণ্ডেল ফেক্টৰি

৩১। চানৰাইজ কেণ্ডেল ফেক্টৰি

দৰং জিলা

১। মিন্টু-জিন্তু কেণ্ডেল ওৱাৰ্কচ ২। প্ৰদীপ কেণ্ডেল ওৱাৰ্কচ

উত্তৰ কাছাৰ জিলা

১। বৰ কেণ্ডেল ফেক্টৰি

শিৱসাগৰ জিলা

১। চিটি কেণ্ডেল ২। ভাৰত কেণ্ডেল ৩। অসম কেণ্ডেল ৪। বিজয় কেণ্ডেল

বৰপেটা জিলা

১। ভাস্কৰ চ'প ফেক্টৰি ২। পাঠক ইণ্ডাষ্ট্ৰিজ ৩। কাচাৰ এণ্ড কোম্পানী ৪। মহাবীৰ কেণ্ডেল ফেক্টৰি

৫। লক্ষী কেণ্ডেল ফেক্টৰি ৬। দাস ইণ্ডাষ্ট্ৰিজ ৭। বৰপেটা জনতা ইণ্ডাষ্ট্ৰিজ ৮। ডি, প্ৰতাপ এণ্ড কোম্পানী ৯। ধ্ৰুৱ প্ৰসাদ কেণ্ডেল ফেক্টৰি ১০। বৰপেটা জুইশালা এচ, এচ, লিমিটেড ১১। যোগ মায়া কেণ্ডেল ফেক্টৰি

১২। অম্বিকা চ'প এণ্ড কেণ্ডেল ইণ্ডাষ্ট্ৰিজ ১৩। নিভা কেণ্ডেল ফেক্টৰি ১৪। হেম্বলতা চ'প ফেক্টৰি ১৫। মঞ্জু কেণ্ডেল ফেক্টৰি

১। চান্ চাইন চ'প ওৱাৰ্কচ ২। বিদ্যা ইণ্ডাষ্ট্ৰিজ ৩। মনোৰমা কেণ্ডেল ওৱাৰ্কচ ৪। কিৰন চ'প ফেক্টৰি ৫। ব্ৰাইজ কেণ্ডেল

ডিব্ৰুগড় জিলা

১। সৰোজিনী কেণ্ডেল ওৱাৰ্কচ ২। ভাৰত কেণ্ডেল ওৱাৰ্কচ ৩। খ্ৰিষ্টাৰ কেণ্ডেল ওৱাৰ্কচ ৪। পুস্প কেণ্ডেল ওৱাৰ্কচ

৫। মমৰাজ প্ৰডাক্টচ ৬। গৌতম কেণ্ডেল ওৱাৰ্কচ ৭। মেনকা কেণ্ডেল ওৱাৰ্কচ ৮। চন্দ্ৰ কলা কেণ্ডেল এণ্ড প্ৰকিং ওৱাৰ্কচ ৯। হাজৰিকা কেণ্ডেল ওৱাৰ্কচ ১০। লক্ষী কেণ্ডেল ওৱাৰ্কচ ১১। বিনোদ কেণ্ডেল ওৱাৰ্কচ

১২। অসোক কেণ্ডেল ওৱাৰ্কচ ১৩। অসম প্ৰদীপ কেণ্ডেল ওৱাৰ্কচ ১৪। অসম জ্যোতি বায়ো প্ৰদাক্টচ ১৫। ইউনিভাৰচেল কেণ্ডেল ৱাৰ্কচ ১৬। শান্তি কেণ্ডেল ওৱাৰ্কচ ১৭। কমল কেণ্ডেল ওৱাৰ্কচ ১৮। জয়মা কেণ্ডেল ওৱাৰ্কচ

১৯। ৰতন কেণ্ডেল ওৱাৰ্কচ ২০। শুচিলা কেণ্ডেল ওৱাৰ্কচ ২১। গৌৰাঙ্গ কেণ্ডেল ৱাৰ্কচ

২২। প্ৰিমিয়াৰ ইন্দাষ্ট্ৰিজ

২৩। জয় দূৰ্গা কেণ্ডেল ওৱাৰ্কচ ২৪। শঙ্কৰ কেণ্ডেল ওৱাৰ্কচ ২৫। ও, এম, চি, কেণ্ডেল ৱাৰ্কচ ২৬। বাবুল কেণ্ডেল ওৱাৰ্কচ ২৭। শিৱ কেণ্ডেল ওৱাৰ্কচ ২৮। জয়বাবা কেণ্ডেল ওৱাৰ্কচ ২৯। বিকাশ কেণ্ডেল ফেক্টৰি

৩০। ত্ৰিমূৰ্তি কেণ্ডেল ফেক্টৰি ৩১। মিলন কেণ্ডেল ওৱাৰ্কচ ৩২। ৰাজ মাটি কেণ্ডেল ওৱাৰ্কচ ৩৩। ৰাইজ কেণ্ডেল ফেক্টৰি ৩৪। টি, ডি, কেণ্ডেল ওৱাৰ্কচ ৩৫। ৰমা কেণ্ডেল ওৱাৰ্কচ ৩৬। নন্দী কেণ্ডেল ওৱাৰ্কচ ৩৭। অজন্তা কেণ্ডেল ইন্দ্ৰাষ্ট্ৰিজ ৩৮। পায়েল কেণ্ডেল ওৱাৰ্কচ ৩৯। জিন্দল কেণ্ডেল ওৱাৰ্কচ ৪০। প্ৰসাদ কেণ্ডেল ওৱাৰ্কচ ৪১। জামিনী ওৱাৰ্কচ প্ৰডাক্টচ ৪২। বৰুৱা ব্ৰাদাৰ্চ কেনভাচ প্ৰডাক্টচ

<u>যোৰহাট জিলা</u>

১। কেণ্ডেল চেন্টাৰ
২। ৰশ্মি কেণ্ডেল ওৱাৰ্কচ
৩। মুন কেণ্ডেল ওৱাৰ্কচ
৪। দহু কেণ্ডেল ফেক্টৰি
৫। দেৱ জ্যোতি ইন্দ্ৰাষ্ট্ৰিজ
৬। মহাবীৰ কেণ্ডেল ওৱাৰ্কচ
৭। ডেনাচ কেণ্ডেল ওৱাৰ্কচ
৮। ভোলা কেণ্ডেল ওৱাৰ্কচ
৯। পুস্প কেণ্ডেল ওৱাৰ্কচ
১০। বিজু কেণ্ডেল ওৱাৰ্কচ
